৬ষ্ঠ বৰ্ষ, সংখ্যা ১৮
১৬-৩১ মাৰ্চ, ২০২৬
বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ



ইণ্ডিয়া এআই ইমপেক্ট ছামিট

AI IMPACT SUMMIT भारत 2026 INDIA

## বিশ্ব এআই ক্ষেত্ৰত ভাৰতে সৃষ্টি কৰিছে নিজৰ এক সুকীয়া পৰিচয়

বিশ্বৰ চিন্তাশীল নেতাসকলৰ মহাসংগম ইণ্ডিয়া এআই ইমপেক্ট ছামিট ২০২৬ হৈ পৰিল কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বক প্ৰতিষ্ঠা কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ, য'ত এআই-এ ভৱিষ্যতৰ বাবে লাভ কৰিলে মানৱকেন্দ্ৰিক দৃষ্টিভংগী

ই-কপিৰ বাবে





# ভাৰতৰ শিপাৰ সৈতে সংযুক্ত হৈ নিজৰ কৰ্মভূমিৰ উন্নতিত অৱদান আগবঢ়ায়

“মন কী বাত” দেশৰ লগতে নাগৰিকৰ কৃতিত্বসমূহক তুলি ধৰাৰ এক শক্তিশালী মঞ্চ। প্ৰত্যেক মাহে ‘মন কী বাতৰ’ বাবে বহু পৰামৰ্শ লাভ কৰা হয়। বাৰ্তাসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশৰ প্ৰতিটো কোণত লুকাই থকা অবিশ্বাস্য প্ৰতিভা সমূহৰ বিষয়ে অৱগত কৰে। ব্যক্তিগত স্বাৰ্থক অতিক্ৰম কৰি সমাজ সেৱা কৰাৰ বহুতো প্ৰেৰণাদায়ক কাহিনী “মন কী বাত”ৰ জৰিয়তে সমগ্ৰ দেশৰ মানুহৰ কাষলৈ যায়। ২২ ফেব্ৰুৱাৰীত “মন কী বাত”ত এআইৰ কৃতিত্বৰ পৰা আৰম্ভ কৰি টি-২০ বিশ্বকাপলৈকে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। ইয়াত তাৰে কেইটামান মুখ্য অংশ তুলি দিয়া হ’ল...

- **টাৰ্নিং পইণ্ট:** বহু দেশৰ নেতা, উদ্যোগ ক্ষেত্ৰৰ নেতৃত্ববহনকাৰী, উদ্ভাৱক, আৰু ষ্টাৰ্ট-আপ খণ্ডৰ সৈতে জড়িত লোকসকলে ভাৰত মণ্ডপমত এআই ইমপেক্ট শীৰ্ষ সন্মিলনৰ বাবে একত্ৰিত হৈছিল। ভৱিষ্যতে বিশ্বই এআইৰ শক্তিক কেনেদৰে ব্যৱহাৰ কৰিব তাৰ এক টাৰ্নিং পইণ্ট হিচাপে এই সন্মিলন প্ৰমাণিত হ’ল।

- **আকৰ্ষণীয় সামৰ্থ্যসমূহ:** এই শীৰ্ষ সন্মিলনত এআই ক্ষেত্ৰখনত ভাৰতৰ উল্লেখযোগ্য সামৰ্থ্য প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও ভাৰতে তিনিটা মেড ইন ইণ্ডিয়া এআই মডেল মুকলি কৰে। এই অনুষ্ঠানটো এতিয়ালৈকে হোৱা আটাইতকৈ বৃহৎ এআই শীৰ্ষ সন্মিলন হিচাপে পৰিগণিত হয়। এই সন্মিলনত যুৱক-যুৱতীসকলৰ উৎসাহ আৰু উত্তেজনা লক্ষণীয় আছিল।

- **ভাৰতীয় সত্ত্বাৰ চিহ্ন:** ভাৰতীয়সকল য’লৈকে গ’লেও, মাতৃভূমিৰ শিপাৰ সৈতে সংযুক্ত হৈ থাকে আৰু তেওঁলোকে বাস কৰা আৰু কাম কৰা দেশখনৰ কৰ্মভূমিৰ উন্নয়নত অৰিহণা যোগায়।

- **অংগদানঃ** ভাৰতত অংগদান সম্পৰ্কে সজাগতা ক্ৰমাৎ বৃদ্ধি পাইছে। ইয়াৰ দ্বাৰা অংগৰ প্ৰয়োজন হোৱাসকলক সহায় কৰা হৈছে। ই দেশত চিকিৎসা গৱেষণাক সম্পূৰ্ণৰূপে শক্তিশালী কৰি তুলিছে। বহু সংগঠন আৰু ব্যক্তিয়ে এই দিশত অসাধাৰণ কাম কৰি আছে।

- **অমৃত মহোৎসৱঃ** আজাদী কা অমৃত মহোৎসৱৰ সময়ত ‘পঞ্চ-প্ৰাণ’ৰ কথা কৈছিলো; ইয়াৰে এটা হ’ল দাসত্বৰ মানসিকতাৰ পৰা মুক্তি। আজি দেশখনে দাসত্বৰ প্ৰতীক এৰি ভাৰতীয় সংস্কৃতিৰ সৈতে জড়িত প্ৰতীকক আঁকোৱালি ল’বলৈ আৰম্ভ কৰিছে। আমাৰ ৰাষ্ট্ৰপতি ভৱনেও এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে, ২৩ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত ‘ৰাজজী উৎসৱ’ উদযাপন কৰা হৈছে।

- **সজাগ হওক:** আমি সজাগ হৈ থাকিব লাগিব আৰু প্ৰৱঞ্চনাৰ বলি নহ’ব লাগিব। কেৱাইচি বা ই-কেৱাইচি কেৱল আপোনাৰ বেংক শাখা, অফিচিয়েল এপ, আৰু অনুমোদিত মাধ্যমৰ জৰিয়তেহে কৰিব লাগে। অ’টিপি, আধাৰ নম্বৰ বা বেংক একাউণ্টৰ তথ্য কাৰো লগত শ্বেয়াৰ নকৰিব। আৰু আটাইতকৈ ডাঙৰ কথাটো হ’ল সময়ে সময়ে আপোনাৰ পাছৱৰ্ড সলনি কৰি থাকিব।

- **পৰম্পৰা আৰু প্ৰযুক্তি:** কৃষকসকল কেৱল খাদ্য যোগান ধৰোঁতা নহয়। ভূমিৰ প্ৰকৃত ভক্ত তেওঁলোক। মাটিক কেনেদৰে সোণলৈ ৰূপান্তৰ কৰিব পাৰি, সেয়া আমাৰ কৃষকৰ পৰা শিকিব লাগে। আৰু আমাৰ কৃষকসকলে আজি পৰম্পৰা আৰু প্ৰযুক্তি দুয়োটাকে একত্ৰিত কৰি কাম কৰি আছে।

- **বিশ্বাসৰ ধাৰাঃ** মহাকুম্ভই হওক বা কেৰালা কুম্ভই হওক, ই কেৱল স্নান কৰাৰ উৎসৱ নহয়। ই হৈছে স্মৃতিৰ এক স্মৰণীয় জাগৃতি। ই সংস্কৃতিৰ পুনঃস্মৰণ। উত্তৰৰ পৰা দক্ষিণলৈ নদীবোৰ বেলেগ হ’ব পাৰে, পাৰবোৰ বেলেগ হ’ব পাৰে, কিন্তু বিশ্বাসৰ ধাৰাটো একেই- এয়া হৈছে ভাৰত।

- **জনপ্ৰিয় নেতাসকল:** আমাৰ দেশত যিসকলে সমাজৰ কল্যাণৰ বাবে কাম কৰিছে... যিসকলে নিজৰ মহৎ কৰ্মসমূহত জনসাধাৰণক অগ্ৰাধিকাৰ দিছে, তেওঁলোক সদায় ৰাইজৰ হৃদয়ত থাকে। আম্মা জয়াললিতা জী তেনে এগৰাকী জনপ্ৰিয় নেত্ৰী আছিল।

*“মন কী বাত” শুনিবলৈ QR ক’ড স্কেন কৰক।*

নিউ ইণ্ডিয়া
# সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ১৮, মাৰ্চ ১৬-৩১, ২০২৬



মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**





১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...






**প্ৰচ্ছদ নিবন্ধ**

ইণ্ডিয়া-এআই ইমপেক্ট ছামিট ২০২৬ত ভাৰতে নিজৰ "মানৱ (MANAV')' দৃষ্টিভংগীৰ জৰিয়তে নতুন প্ৰযুক্তিৰ সহায়ত কেনেকৈ মানৱতাক উপকৃত কৰিব পৰা যায় সেয়া প্ৰদৰ্শন কৰিলে। এই বিশ্ব সন্মিলনে প্ৰমাণ কৰিলে যে ভাৰতৰ বিশ্বব্যাপী এআই বিপ্লৱৰ নেতৃত্ব দিয়াৰ সম্ভাৱনা আছে... |১০-২৭

**অৰ্ধপৰিবাহী**

ভাৰত চিপ উৎপাদনত আত্মনিৰ্ভৰ হৈ পৰিব



প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটৰ সানন্দত মাইক্ৰন টেকন'লজিৰ ছেমিকণ্ডাক্টৰ এছেম্বলি, পৰীক্ষণ আৰু পেকেজিং কেন্দ্ৰ উদ্বোধন কৰে। |৩০-৩১

সহজ আৰু আৰামদায়ক ভ্ৰমণৰ বাবে নমো ভাৰতৰ সম্প্ৰসাৰণ

প্ৰধানমন্ত্ৰী মোদীয়ে মীৰাটত একেখন প্লেটফৰ্মৰ পৰা চলিব পৰাকৈ নমো ভাৰত ৰেপিড ৰেল আৰু মেট্ৰ' সেৱা মুকলি কৰে |৩৪-৩৫





সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্ব: সূৰ্য্য সেন
চট্টগ্ৰাম বিদ্ৰোহৰ নায়ক |৬

সামৰ্থ্য শক্তিশালী কৰাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা
নিউজ১৮ ৰাইজিং ভাৰত সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ |৭

ৰাষ্ট্ৰীয় টিকাকৰণ দিৱসঃ সুস্থ ভাৰতৰ বাবে এক শক্তিশালী ভেটি
দেশজোৰা এইচপিভি টিকাকৰণ অভিযান আৰম্ভ |৮-৯

কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তঃ 'কেৰালা'ৰ নামকৰণ কৰা হ'ব 'কেৰালাম'
সেৱা তীৰ্থত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত গ্ৰহণ কৰা হয় মুখ্য সিদ্ধান্তসমূহ |২৮-২৯

শক্তিশালী আন্তঃগাঁথনি... জীৱনৰ মান হ'ব অধিক উন্নত
তামিলনাডু আৰু পুডুচেৰীলৈ ৭,১০০ কোটি টকাৰ উপহাৰ |৩২-৩৩

বাজেট ৱেবিনাৰ... এটা ডাঙৰ লক্ষ্যত উপনীত হোৱাৰ দিশত এক পদক্ষেপ
বাজেট ৱেবিনাৰত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ |৩৬-৩৭

ভাৰতৰ শক্তিশালী সামুদ্ৰিক বিপ্লৱ
সাগৰমালা কাৰ্যসূচীয়ে বন্দৰ শক্তিশালী কৰে উন্নয়ন আৰু সংযোগ |৩৮-৩৯

ৰাষ্ট্ৰপতি ভৱনত ৰাজজী উৎসৱ
ৰাষ্ট্ৰপতিৰ দ্বাৰা চক্ৰৱৰ্তী ৰাজগোপালাচাৰীৰ প্ৰতিমূৰ্তি উন্মোচন |৪০-৪১

ৰাজস্থান উন্নয়নৰ নতুন পথত আগবাঢ়িছে
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা ৰাজস্থানৰ বাবে ১৭,০০০ কোটিৰ উন্নয়ন উপহাৰ ঘোষণা |৪২

পুঁজি আৰু সম্ভাৱনাৰ মিলন
কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীৰ চাৰিদিনীয়া ভাৰত ভ্ৰমণ |৪৩

কৌশলগত আস্থাৰ পৰা বিশ্ব নেতৃত্বলৈকে
ভাৰত-ফ্ৰান্স সহযোগিতাৰ এটা নতুন অধ্যায় |৪৪-৪৫

কৌশলৰ পৰা উদ্ভাৱনলৈ ভাৰত-ইজৰাইল সম্পৰ্কৰ সম্প্ৰসাৰণ
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া ইজৰাইল ভ্ৰমণ |৪৬-৪৮



**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

# মানৱতাৰ বাবে এআই: বিশ্বব্যাপী সহযোগিতাত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকা

নমস্কাৰ,

নতুন দিল্লীৰ ভাৰত মণ্ডপমত ১৬ ফেব্ৰুৱাৰীৰ পৰা ২১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা "এআই ইম্পেক্ট ছামিট ২০২৬"ত ভাৰতক বিশ্বব্যাপী কৃত্ৰিম বুদ্ধিমত্তাৰ আলোচনাৰ কেন্দ্ৰবিন্দুত স্থান দিয়া হয়। "সৰ্বজন হিতায়, সৰ্বজন সুখায়," ৰ মনোভাৱেৰে অনুপ্ৰাণিত এই ঐতিহাসিক অনুষ্ঠানটোৱে ১১৮খন দেশৰ অংশগ্ৰহণ আৰু ২০ জনতকৈ অধিক ৰাষ্ট্ৰপতিৰ উপস্থিতিৰে বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰে। ডেৰ লাখতকৈ অধিক অংশগ্ৰহণকাৰী, ৫৫০ টাতকৈও অধিক সন্মিলন-পূৰ্ব অনুষ্ঠান, ১০০ৰো অধিক বিশ্বব্যাপী এআই নেতৃত্ব, ৫০০ৰো অধিক বিশেষজ্ঞ, আৰু ২.৫ লাখ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণে ইয়াক বিশ্বৰ অন্যতম বৃহৎ এআই সন্মিলনত পৰিণত কৰিছিল। দায়িত্বশীল আৰু এআইৰ ব্যৱহাৰ সম্পৰ্কীয় ছাত্ৰ-ছাত্ৰীৰ আলোচনায়ো গিনিজ বিশ্ব অভিলেখ গঢ়িলে।

এই শীৰ্ষ সন্মিলনত ভাৰতে বিশ্বৰ সমুখত পুনৰ নিশ্চিত কৰিলে যে কৃত্ৰিম বুদ্ধিমত্তা (AI) মানৱতাৰ সেৱাৰ বাবে ব্যৱহাৰযোগ্য কৰি তোলাৰ ক্ষেত্ৰত দেশখন প্ৰতিশ্ৰুতিবদ্ধ। "ইণ্ডিয়া এআই মিছন"-এ দায়িত্বশীল এআইক সৰ্বসাধাৰণৰ কল্যাণৰ বাবে সুলভ কৰি তুলিছে।

এই সন্মিলনত ২৫০ বিলিয়ন ডলাৰতকৈ অধিক আন্তঃগাঁথনি বিনিয়োগৰ প্ৰতিশ্ৰুতি প্ৰকাশ পায়, আনহাতে ডিপ-টেক উদ্যোগত প্ৰায় ২০ বিলিয়ন ডলাৰ ব্যয় কৰাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰা হৈছিল। এয়ে হৈছে ভাৰতৰ এআই আন্তঃগাঁথনি পৰিৱেশ ব্যৱস্থাৰ ওপৰত বিশ্বব্যাপী আস্থা বৃদ্ধি পোৱাৰ উল্লেখযোগ্য প্ৰমাণ।

এআই ইম্পেক্ট ছামিট ২০২৬ৰ সামৰণি পৰে নতুন দিল্লী ঘোষণাপত্ৰৰ জৰিয়তে, য'ত ৯১খন দেশ আৰু সংস্থাই সপ্ত স্তম্ভৰ ওপৰত ভিত্তি কৰি এক ভগাই লোৱা বৈশ্বিক দৃষ্টিভংগীৰ সমৰ্থন কৰে। এই দৃষ্টিভংগীক ত্বৰান্বিত কৰি প্ৰধানমন্ত্ৰীয়ে এআইৰ বাবে "মানৱীয়" দৃষ্টিভংগী আৰু উন্নয়নৰ অনুঘটক হিচাপে প্ৰযুক্তিৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতৰ বিকশিত ভাৰত হোৱাৰ যাত্ৰাত এআইৰ গুৰুত্ব আৰু এই দিশত ভাৰতৰ জাতীয় পদক্ষেপ এই সংখ্যাৰ বাবে আমাৰ প্ৰচ্ছদ নিবন্ধত পৰিণত হৈছে।

ব্যক্তিত্ব শিতানত পঢ়ক চট্টগ্ৰাম বিদ্ৰোহৰ নায়ক সূৰ্য্য সেনৰ বিষয়ে। ফ্লেগশ্বিপ কাৰ্য্যসূচী হিচাপে সাগৰমালা কাৰ্যসূচী, ৰাষ্ট্ৰীয় টিকাকৰণ দিৱসৰ বিশেষ বিষয়বস্তু, কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত, ৰাষ্ট্ৰপতি ভৱনত চক্ৰৱৰ্তী ৰাজগোপালাচাৰীৰ প্ৰতিমূৰ্তি উন্মোচন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইজৰাইল ভ্ৰমণকে ধৰি পষেকীয়া কাৰ্যসূচী আদি আন আন উল্লেখযোগ্য বিষয়বস্তুও সন্নিৱিষ্ট কৰা হৈছে।

আলোচনীখনৰ ভিতৰৰ পৃষ্ঠাত "মন কী বাত" আৰু পিছফালৰ প্ৰচ্ছদত ২৩ মাৰ্চৰ শ্বহীদ দিৱসৰ বিশেষ লেখাও অন্তৰ্ভুক্ত কৰা হৈছে।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স




## ৰাষ্ট্ৰীয় উন্নয়ন সম্পৰ্কে অৱগত হৈ থকাৰ বাবে গুৰুত্বপূৰ্ণ

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন যেন অতি তথ্যসমৃদ্ধ। বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে জানিবলৈ ই হৈছে ভাল উৎস। মই নিয়মিতভাৱে এই আলোচনীখন লাভ কৰিব বিচাৰো যাতে দেশত চলি থকা উন্নয়নমূলক কাম আৰু আঁচনিৰ বিষয়ে অৱগত হৈ থাকিব পাৰো।

meghalayashikshasamiti02@gmail.com

## আঁচনি আৰু উন্নয়নমূলক কামৰ বিষয়ে জ্ঞাত হ'ব পৰা এক মঞ্চ

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন হৈছে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি, কাৰ্যসূচী আৰু দেশত চলি থকা উন্নয়নমূলক কাম-কাজৰ বিষয়ে তথ্য লাভ কৰিব পৰা এক উত্তম উৎস। এই আলোচনীখনৰ জৰিয়তে দেশত চলি থকা উন্নয়নমূলক কাম-কাজৰ বিষয়ে জানিবলৈ সক্ষম হৈছো। ই এখন সুন্দৰ আলোচনী।

mhqchoutuppal@gmail.com

## ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতলৈ অতুলনীয় অৱদান

ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতলৈ নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ অৱদান অতুলনীয়। এতিয়ালৈকে ৰাজস্থান লোকসেৱা আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰীসকলে সাম্প্ৰতিক পৰিস্থিতিৰ বাবে বহু অপ্ৰয়োজনীয় কিতাপ অধ্যয়ন কৰিছিল। কিন্তু শেহতীয়াকৈ প্ৰশ্নকাকতত সালসলনি কৰা হৈছে। এনে পৰিস্থিতিত "নিউ ইণ্ডিয়া সমাচাৰ"ত প্ৰকাশিত বাতৰিবোৰ সাম্প্ৰতিক পৰিক্ৰমা শিতানৰ বাবে অতি উপযোগী বুলি প্ৰমাণিত হৈছে। সেয়েহে লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত যাতে উজ্জ্বল হ'ব পাৰে তাৰ বাবে অতি অৰ্থপূৰ্ণ আৰু সংক্ষিপ্ত বিষয়বস্তু আগবঢ়াই যাবলৈ সন্মানীয় সম্পাদকক অনুৰোধ জনালোঁ।

akshubishnoiraj@gmail.com

## আঁচনিৰ বিষয়ে তথ্য প্ৰদান কৰাত সহায়ক

মোৰ নাম তথাগত ভট্টাচাৰ্য। মই পশ্চিম বংগৰ হাওৰাত বাস কৰো। নিউ ইণ্ডিয়া সমাচাৰ মোৰ বৰ ভাল লাগে। এইখন এখন ভাল আলোচনী। দেশত চলি থকা উন্নয়নমূলক কাম-কাজ আৰু আঁচনিৰ বিষয়ে জানিবলৈ মোৰ বাবে ই অতি সহায়ক।

bhattacharyyatathagata6@gmail.com

## পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অতি উপযোগী

মোৰ নাম সৌৰভ শৰ্মা। নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ প্ৰতিটো সংস্কৰণৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰো। প্ৰতিটো নতুন সংস্কৰণে আমাৰ দেশ আৰু আমাৰ জনসাধাৰণৰ দৈনন্দিন জীৱনৰ লগত জড়িত বহুতো বিষয় সামৰি লয়। পৰীক্ষাৰ প্ৰস্তুতিৰ বাবেও এই আলোচনীখন নিৰ্ভৰযোগ্য তথ্যৰ এক উৎকৃষ্ট উৎস।

সৌৰভ শৰ্মা

sharmasourav1261@gmail.com

যোগাযোগৰ ঠিকনা: কোঠা নং-১০৭৭, সুশান্ত ভৱন চিজিঅ' কমপ্লেক্স, নতুন দিল্লী-১১০০০৩।
ই-মেইল: response-nis@pib.gov.in

আকাশবাণী সমাচাৰ
Akashvani
প্ৰতি শনিবাৰে-দেওবাৰে আবেলি ৩ বাজি ১০ মিনিটত আৰু ৩ বাজি ২৫ মিনিটত অল ইণ্ডিয়া ৰেডিঅ' এফএম গোল্ড যোগে নিউ ইণ্ডিয়া সমাচাৰ শুনিবলৈ কিউআৰ কোড স্কেন কৰক।

# সংক্ষিপ্ত সংবাদ

## থলুৱা এলচিএইচ প্ৰচণ্ডত ৰাষ্ট্ৰপতিয়ে কৰিলে ভ্ৰমণ



ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ২৭ ফেব্ৰুৱাৰীত ৰাজস্থানৰ বায়ুসেনা ছাউনী জয়ছালমেৰৰ পৰা থলুৱা লাইট কম্বেট হেলিকপ্টাৰ PRACHAND (প্ৰচণ্ড)ত উৰণ সম্পূৰ্ণ কৰে। ইয়াৰ পূৰ্বে তেওঁ ২০২৩ আৰু ২০২৫ চনত যথাক্ৰমে সুখয় ৩০ এমকেআই আৰু ৰাফেলত উৰণ সম্পন্ন কৰিছিল। গ্ৰুপ কেপ্তেইন নয়ন শান্তিলাল বহুৱাৰ সৈতে মুখ্য হেলিকপ্টাৰখনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে দ্বিতীয়খন বিমানত চিফ অফ এয়াৰ ষ্টাফ, এয়াৰ চিফ মাৰ্শ্বেল এ পি সিং আৰু গ্ৰুপ কেপ্তেইন এ মহেন্দ্ৰই ২ নম্বৰ হিচাপে উৰণত অংশগ্ৰহণ কৰে। প্ৰায় ২৫ মিনিটৰ এই অভিযানৰ সময়ছোৱাত তেওঁলোকে গাদিছাৰ হ্ৰদ আৰু জয়ছালমেৰ দুৰ্গৰ ওপৰেৰে উৰা মাৰি এটা টেংক টাৰ্গেট আক্ৰমণ কৰে। বিমান যাত্ৰাৰ পিছত তেওঁৰ অভিজ্ঞতাৰ বিষয়ে মন্তব্য কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় -‘ভাৰতৰ থলুৱাভাৱে নিৰ্মিত লাইট কম্বেট হেলিকপ্টাৰ ‘প্ৰচণ্ড’ৰ উৰণ মোৰ বাবে এক সমৃদ্ধিশালী অভিজ্ঞতা। ই মোক ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা ক্ষমতাৰ প্ৰতি নৱীকৃত গৌৰৱবোধেৰে হৃদয় ভৰাই তুলিছে। এই উৰণ প্ৰদৰ্শন সফলতাৰে আয়োজন কৰাৰ বাবে ভাৰতীয় বায়ুসেনা আৰু বায়ুসেনা ছাউনী জয়ছালমেৰৰ সমগ্ৰ দলটোক অভিনন্দন জনাইছো।

## তামিলনাডুৰ কৃষকে লাভ কৰিছে

### বৈশ্বিক স্বীকৃতি



কৃষি ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতে এক ঐতিহাসিক মাইলৰ খুঁটি অৰ্জন কৰিছে। তামিলনাডুৰ পৰা কানাডালৈ প্ৰেৰণ কৰা হৈছে প্ৰথমটো জিআই টেগযুক্ত চালেম চাগুদানাৰ চালান। এই ৰপ্তানিয়ে টেপিঅ'কা খেতিত নিয়োজিত জনজাতীয় জনগোষ্ঠীকে ধৰি বহু কৃষকৰ আয় বৃদ্ধি কৰিব। ইয়াৰ উপৰি ই দেশৰ কৃষি ৰপ্তানি শক্তিশালী কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰত সুযোগ মুকলি কৰিব। তামিলনাডু ভাৰতৰ ভিতৰতে সৰ্বাধিক টেপিঅ'কা উৎপাদনকাৰী দেশ। চালেমৰ চাগু উদ্যোগটোৱেই হৈছে টেপিঅ'কা খেতিত নিয়োজিত হাজাৰ হাজাৰ কৃষক আৰু জনজাতীয় সম্প্ৰদায়ৰ জীৱিকাৰ মূল ভেটি। চালেম চাগু আৰু শৰ্কৰা উৎপাদনৰ এক প্ৰধান কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে আৰু ই হৈছে হাজাৰ হাজাৰ কৃষক পৰিয়ালৰ জীৱিকাৰ মূল ভেটি।

## অঞ্জদীপ

### ভাৰতৰ নতুন যোদ্ধা

ভাৰতৰ নতুন যোদ্ধা “অঞ্জদীপ” ভাৰতৰ সামুদ্ৰিক নিৰাপত্তা আৰু কৌশলগত সামৰ্থ্য শক্তিশালী কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। ভাৰতীয় নৌসেনাই ২৭ ফেব্ৰুৱাৰীত চেন্নাই বন্দৰত এডমিৰেল, নৌসেনাৰ মুৰব্বী দীনেশ কে ত্ৰিপাঠীৰ উপস্থিতিত আইএনএছ অঞ্জদীপ উদ্বোধন কৰে। “ডলফিন হাণ্টাৰ” হিচাপে কাম কৰিবলৈ ডিজাইন কৰা এই জাহাজখনে ভাৰতীয় নৌসেনাৰ এণ্টি-চাবমেৰিন যুদ্ধৰ ক্ষমতা আৰু উপকূলীয় নিৰীক্ষণৰ ক্ষমতা বৃদ্ধি কৰিব, যাৰ মূল লক্ষ্য হৈছে উপকূলীয় অঞ্চলত শত্ৰুৰ ছাবমেৰিন ধৰা পেলোৱা, খেদি পঠোৱা আৰু নিষ্ক্ৰিয় কৰা। জাহাজখন হাল-মাউণ্ট ছ'নাৰ অভয়কে ধৰি থলুৱা, অত্যাধুনিক এণ্টি ছাবমেৰিন অস্ত্ৰ আৰু চেন্সৰ পেকেজেৰে সজ্জিত হোৱাৰ লগতে লঘু টৰ্পেডো আৰু এণ্টি চাবমেৰিন ৰকেটো উপলব্ধ আছে।



## "পি এম ৰাহত"
## পথ দুৰ্ঘটনাত আক্ৰান্তক নগদবিহীন চিকিৎসা সেৱা



কেন্দ্ৰীয় চৰকাৰে পথ দুৰ্ঘটনাত আক্ৰান্ত লোকে যাতে এঘণ্টাৰ ভিতৰত চিকিৎসাৰ পৰা বঞ্চিত নহয় তাৰ বাবে এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে PM RAHAT পিএম ৰাহত-(Road Accident Hospitalization and Assured Treatment) আঁচনি আৰম্ভ কৰাত অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত যিকোনো শ্ৰেণীৰ পথ দুৰ্ঘটনাৰ বলি হোৱা প্ৰতিজন ব্যক্তিয়ে দুৰ্ঘটনাৰ তাৰিখৰ পৰা সাত দিনৰ বাবে ১ লাখ ৫০ হাজাৰ পৰ্যন্ত নগদ চিকিৎসা সুবিধা লাভ কৰিব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে উল্লেখ কৰিছে যে মটৰ গাড়ী দুৰ্ঘটনা পুঁজিৰ জৰিয়তে চিকিৎসালয়সমূহক ক্ষতিপূৰণ দিয়া হ'ব। অধ্যয়নত দেখা গৈছে যে দুৰ্ঘটনাৰ প্ৰথম ঘণ্টাৰ ভিতৰতে ভুক্তভোগীক চিকিৎসালয়ত ভৰ্তি কৰালে প্ৰায় ৫০ শতাংশ পথ দুৰ্ঘটনাত মৃত্যুৰ পৰা হাত সাৰিব পৰা যায়।

## ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে গঢ়ি তোলা হ'ব 'মৌ-মাখি ক'ৰিডৰ'



ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত পৰাগকৰ্তা বা মৌ-মাখি ক'ৰিডৰ নিৰ্মাণৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষই প্ৰথমটো পদক্ষেপ ঘোষণা কৰিছে। আলংকাৰিক বাগিচাৰ পৰা পৰিৱেশ বাগিচালৈ পৰিৱৰ্তন হোৱাটো চিহ্নিত কৰি 'মৌমাখি ক'ৰিডৰ' হ'ব মৌমাখিৰ অনুকূল গছ-গছনিৰ এক অবিৰত ৰৈখিক বিস্তৃতি য'ত ফুল ফুলা গছ আৰু উদ্ভিদ থাকিব যিয়ে গোটেই বছৰজুৰি অমৃত আৰু পৰাগৰ উপলব্ধতা নিশ্চিত কৰিব। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নিম, কোৰাচ, মহুৱা, পলাশ, বটল ব্ৰাছ, জাম গছ, আৰু শিৰিষকে ধৰি থলুৱা প্ৰজাতিৰ গছ-গছনি ৰোপণ কৰা হ'ব। এনএইচএআইৰ লক্ষ্য হৈছে ২০২৬-২৭ চনৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত প্ৰায় ৪০ লাখ গছ ৰোপণ কৰা, ইয়াৰে প্ৰায় ৬০ শতাংশ গছ "বি ক'ৰিডৰ" পদক্ষেপৰ অধীনত ৰোপণ কৰা হ'ব।

## প্ৰধানমন্ত্ৰীৰ যোগ বঁটা-২০২৬ৰ বাবে আৱেদন মুকলি কৰা হৈছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাষ্ট্ৰসংঘই অভিলেখ সংখ্যক দেশৰ সহযোগত প্ৰতি বছৰে ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰাৰ সিদ্ধান্ত লয়। যোগৰ প্ৰচাৰৰ বাবে আৰম্ভ কৰা প্ৰধানমন্ত্ৰীৰ যোগ বঁটা শৃংখলাত ২০২৬ চনৰ বাবে এনে ব্যক্তি আৰু প্ৰতিষ্ঠানৰ পৰা আবেদন আমন্ত্ৰণ জনোৱা হৈছে, যাৰ স্থায়ী প্ৰচেষ্টাই বিশ্বজুৰি যোগৰ প্ৰভাৱ বৃদ্ধি কৰিছে। বঁটাৰ বাবে ৰাষ্ট্ৰীয় বঁটা পৰ্টেল www.awards.gocinত আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম তাৰিখ ২১ মাৰ্চ, ২০২৬, আয়ুষ মন্ত্ৰালয়ে উল্লেখ কৰিছে যে প্ৰয়োজন হ'লে পঞ্জীয়নৰ তাৰিখ ১৫ দিনলৈ বৃদ্ধি কৰিব পাৰে। প্ৰতিজন বঁটাপ্ৰাপকে ট্ৰফী, প্ৰমাণ পত্ৰ, আৰু ২৫ লাখ নগদ পুৰস্কাৰ লাভ কৰিব। ২০০৬ চনৰ প্ৰধানমন্ত্ৰী যোগ বঁটাত ব্যক্তিগত আৰু প্ৰতিষ্ঠানিক দুয়োটা শাখাতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দুটাকৈ বঁটা প্ৰদান কৰা হ'ব।





জন্ম ২২ মাৰ্চ, ১৮৯৪ মৃত্যু: ১২ জানুৱাৰী, ১৯৩৪

# চট্টগ্ৰামৰ নায়ক

## অস্ত্ৰভাণ্ডাৰত অভিযান

ভাৰতৰ স্বাধীনতা সংগ্ৰামী সূৰ্য্য সেনে ব্ৰিটিছ ৰাজৰ বিৰুদ্ধে নিজৰ শেষ নিশ্বাসলৈকে মাত মতাই নহয়, বৃটিছৰ ওপৰত কেইবাটাও গুৰুতৰ আঘাতো কৰিছিল। চট্টগ্ৰাম অস্ত্ৰভাণ্ডাৰ অভিযানৰ নায়ক মা ভাৰতীৰ বীৰ পুত্ৰ তথা বহুলভাৱে “মাষ্টৰদা” নামেৰে পৰিচিত সূৰ্য্য সেনে ব্ৰিটিছৰ সৈতে যুঁজিবলৈ এক বেলেগ কৌশল গ্ৰহণ কৰিছিল। নিষ্ঠুৰ ব্ৰিটিছ বিষয়াসকলে তেওঁক ফাঁচী দিয়াৰ আগমুহূৰ্তলৈ তেওঁক অমানৱীয় অত্যাচাৰ কৰিছিল, তথাপিও তেওঁলোকে তেওঁৰ মনোবল ভাঙিব পৰা নাছিল...


১৮৯৪ চনৰ ২২ মাৰ্চত ঔপনিৱেশিক শাসনৰ সময়ত অবিভক্ত বংগৰ অংশ চিটাগং (বৰ্তমানৰ বাংলাদেশৰ অন্তৰ্গত)-ৰ নোৱাপাৰাত ৰাম-নিৰঞ্জন সেন নামৰ এজন শিক্ষকৰ ঘৰত সূৰ্য্য সেনৰ জন্ম হৈছিল। ১৯১৬ চনত জাতীয়তাবাদৰ মনোভাৱেৰে সমৃদ্ধ হৈ আৰু কলেজৰ শিক্ষকৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ অনুশীলন সমিতিত যোগদান কৰে, যাৰ একমাত্ৰ লক্ষ্য আছিল ব্ৰিটিছক দেশৰ পৰা খেদি পঠিওৱা। অসহযোগ আন্দোলনতো তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। আনকি ব্ৰিটিছ বিৰোধী কাৰ্যকলাপৰ বাবে তেওঁক গ্ৰেপ্তাৰো কৰা হৈছিল। কাৰাগাৰৰ পৰা মুক্তিৰ পাছত, সূৰ্য্য সেনে ভাৰতীয় বিপ্লৱী সেনা নামৰ এটা সক্ৰিয় দলৰ নেতৃত্ব দিছিল। সংগঠনটোৰ লক্ষ্য আছিল ব্ৰিটিছৰ বিৰুদ্ধে সংগঠিত সংগ্ৰামৰ নেতৃত্ব দিয়া আৰু তেওঁলোকৰ শক্তিক প্ৰত্যাহ্বান জনোৱা।

সূৰ্য্য সেনে এই অভিযানৰ বাবে স্থানীয় যুৱক-যুৱতীসকলক সংগঠিত কৰি প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰে। তেওঁ বোমা নিৰ্মাণত পাকৈত আছিল আৰু বিপ্লৱীসকলৰ বাবে বিস্ফোৰক প্ৰস্তুত কৰাৰ দায়িত্ব তেওঁৰ হাতত আছিল। ১৯৩০ চনৰ ১৮ এপ্ৰিলত সূৰ্য্য সেন, গণেশ ঘোষ, প্ৰীতিলতা ৱাড়েদাৰ আদি কেইবাজনৰ নেতৃত্বত কেইবাটাও গোটত বিভক্ত ষাঠিজনতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে চট্টগ্ৰামত ঔপনিৱেশিক প্ৰশাসন আৰু ইয়াৰ সমগ্ৰ ব্যৱস্থাটোৰ ওপৰত সুপৰিকল্পিত আক্ৰমণ চলায়। তেওঁলোকৰ উদ্দেশ্য আছিল চট্টগ্ৰামৰ চৰকাৰী যোগাযোগ ব্যৱস্থা বিঘ্নিত কৰা, আৰক্ষী আৰু সহায়ক বাহিনীৰ অস্ত্ৰভাণ্ডাৰত অভিযান চলোৱা, অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা। জব্দ কৰা অস্ত্ৰ-শস্ত্ৰসমূহ বিপ্ৰী কৰ্মীসকলৰ মাজত বিতৰণ কৰি ব্ৰিটিছৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছিল।

তাত তেওঁলোকে টেলিগ্ৰাফ আৰু ৰেলপথ বিঘ্নিত কৰি অস্ত্ৰভাণ্ডাৰত অভিযান চলাবলৈ সক্ষম হয়। অৱশ্যে গোলাবাৰুদ বিচাৰি উলিওৱাত তেওঁলোক বিফল হৈছিল। তথাপিও তেওঁলোকে চট্টগ্ৰামক স্বাধীন ঘোষণা কৰি তাত অস্থায়ী চৰকাৰ গঠন কৰা বুলি দাবী কৰে, লগতে যুৱক-যুৱতীসকলক এই আন্দোলনত যোগদান কৰিবলৈ আহ্বান জনায়। অপ্ৰত্যাশিত ৰূপত ঘটা এই ঘটনাই ব্ৰিটিছ কৰ্তৃপক্ষত জোকাৰণি তুলিছিল আৰু কিছু সময়ৰ বাবে পিছুৱাই যাবলৈ বাধ্য হৈছিল। কিন্তু ইংৰাজসকল অতি সোনকালেই আৰু শক্তিশালী হৈ ঘূৰি আহিল আৰু কৰ্মীসকলক নিৰ্মমভাৱে দমন কৰিলে। সূৰ্য্য সেন আৰু তেওঁৰ প্ৰায়বোৰ সহযোগীয়ে জালালাবাদৰ পাহাৰত আত্মগোপন কৰিছিল। তাত থকা গাঁওবাসীৰ পৰা সেনে ব্যাপক সমৰ্থন লাভ কৰিছিল। লুকাই থকা ঠাইৰ পৰাই তেওঁ ঔপনিৱেশিক শাসনৰ সম্পত্তি আৰু বিষয়াসকলৰ ওপৰত অসংখ্য গেৰিলা আক্ৰমণ চলাইছিল। সূৰ্য্য সেনে প্ৰায় তিনি বছৰৰ বাবে ব্ৰিটিছৰ পৰা পলাই থাকিবলৈ সক্ষম হৈছিল যদিও, ১৬ ফেব্ৰুৱাৰী, ১৯৩৩ চনত তেওঁক গ্ৰেপ্তাৰ কৰে।

১৯৩৪ চনৰ ১২ জানুৱাৰীত সেন আৰু তেওঁৰ সহযোগী তাৰকেশ্বৰ দস্তিদাৰক ব্ৰিটিছে ফাঁচী দিছিল। সতীৰ্থসকললৈ লিখা শেষ চিঠিখনত তেওঁৰ কিছুমান শাৰী এনেধৰণৰ আছিল.... “মৃত্যুই দুৱাৰত টোকৰ মাৰিছে। মোৰ মনটো উৰি গৈ আছে অনন্তকালৰ দিশে... ইমান সুখদায়ক, ইমান গম্ভীৰ, ইমান পবিত্ৰ মুহূৰ্তত মই তোমালোকৰ বাবে বাৰু কি এৰি থৈ যাম? মাথোঁ এটাই কথা যে, মোৰ সপোন, এটা সোণালী সপোন - স্বাধীন ভাৰতৰ সপোন।”

> ১৯৩৪ চনত যেতিয়া মাষ্টৰ সূৰ্য্য সেনক ফাঁচী দিয়া হৈছিল, তেতিয়া তেওঁ সতীৰ্থসকললৈ এখন চিঠি লিখিছিল আৰু চিঠিখনত মাথোঁ এটা শব্দই প্ৰতিধ্বনি তুলিছিল: “বন্দে মাতৰম” - নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী





# সামৰ্থ্য শক্তিশালী কৰাৰ বাবে দৃঢ় প্ৰচেষ্টা

*শাস্ত্ৰত কোৱা হৈছে, **তত্ ত্বম অসি!**" অৰ্থাৎ আমি ব্ৰহ্মত যি বিচাৰো সেয়া আমাৰ ভিতৰতে আছে; ই আমি নিজেই। আমাৰ যি শক্তি আছে, সেই শক্তি আমি চিনি পাব লাগিব। বিগত ১১ বছৰত ভাৰতে এই শক্তিক চিনাক্ত কৰি দৃঢ়তাৰে ইয়াক সবল কৰি তুলিছে। ২৭ ফেব্ৰুৱাৰীত নিউজ ১৮ ৰাইজিং ভাৰত সন্মিলনত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিগত ১১ বছৰত দেশৰ চেতনাত এক নতুন শক্তিৰ সঞ্চাৰ হৈছে...*

কোনো দেশতে শক্তি হঠাতে উদ্ভৱ নহয়; ই প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি গঢ় লৈ উঠে। জ্ঞান, পৰম্পৰা, কঠোৰ পৰিশ্ৰম, অভিজ্ঞতাৰ জৰিয়তে ইয়াক নিখুঁত ৰূপত গঢ় দিয়া হয়। নিউজ১৮ ৰাইজিং ভাৰত সন্মিলনত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে যেতিয়া এখন দেশৰ সুপ্ত শক্তি জাগ্ৰত হয়, তেতিয়া ই নতুন সাফল্য অৰ্জন কৰে। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি সমগ্ৰ বিশ্বতে এক আলোচনাৰ বিষয় হৈ পৰিছে। এটা সময় আছিল, যেতিয়া ভাৰত কেৱল নতুন প্ৰযুক্তিৰ গ্ৰাহক আছিল। আজি ভাৰত নতুন প্ৰযুক্তিৰ সৃষ্টিকৰ্তাই নহয়, নতুন মানৰ নিৰ্ধাৰকো। কাৰণ ভাৰতে ইয়াৰ সম্ভাৱনাক চিহ্নিত কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমি গৌৰৱেৰে আগবাঢ়ি যোৱাৰ লগে লগে বিশ্বই আমালৈ দিয়া চোৱাৰ ধৰণো সলনি হৈছে। কেইবছৰমান আগলৈকে ভাৰতৰ যিকোনো অনুষ্ঠানৰ কথা খুব কমেইহে আলোচনা হৈছিল বা সেইবোৰে বিশেষ গুৰুত্ব লাভ কৰা নাছিল। আজি ভাৰতে যি কৰে, ইয়াত যি কাৰ্য্য সংঘটিত হয়, ইয়াৰ বিশ্লেষণ বিশ্বজুৰি হ'বলৈ লৈছে। ইয়াৰ এটা উদাহৰণ হৈছে এআই সন্মিলন।

## জাহাজ আৰু বন্দৰ আন্তঃগাঁথনিৰ সুদৃঢ়কৰণ

বিদেশী জাহাজেৰে পৰিবহণ কৰা সামগ্ৰীৰ ভাৰাৰ বাবদ ভাৰতে বছৰি ৬ লাখ কোটিৰো অধিক টকা খৰচ কৰিবলগীয়া হয়। সাৰ আমদানিৰ বাবদ বছৰি ২.২৫ লাখ কোটি টকা খৰচ হয়। পেট্ৰ'লিয়াম আমদানিৰ বাবে বছৰি ১১ লাখ কোটি টকা খৰচ হয়। অৰ্থাৎ প্ৰতি বছৰে লাখ লাখ কোটি টকা হেৰুৱাবলগীয়া হৈছে ভাৰতে। বিদেশী জাহাজক ৬ লাখ কোটি টকা নিদিয়াৰ সংকল্পৰে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় জাহাজ আৰু বন্দৰৰ আন্তঃগাঁথনি শক্তিশালী কৰিছে। ঘৰুৱা সাৰ উৎপাদন বৃদ্ধিৰ বাবে নতুন উদ্যোগ স্থাপন কৰাৰ লগতে নেন'-ইউৰিয়াৰ প্ৰচাৰ কৰা হৈছে। পেট্ৰ'লিয়ামৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ ইথানল মিশ্ৰণ, গ্ৰীণ হাইড্ৰজেন মিছন, সৌৰ আৰু বৈদ্যুতিক বাহনক অগ্ৰাধিকাৰ দিয়া হৈছে।

> “আমি উৎপাদন ক্ষেত্ৰত কাম কৰিছো, মেক ইন ইণ্ডিয়াত গুৰুত্ব দিছো, আমাৰ বেংকিং ব্যৱস্থা শক্তিশালী কৰিছো, মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিছো, ভাৰতক বিশ্ব বিকাশৰ ইঞ্জিন হিচাপে গঢ়ি তুলিছো। ভাৰতৰ শক্তি এয়াই যে উন্নত দেশসমূহে ভাৰতৰ সৈতে বাণিজ্যিক চুক্তি সম্পৰ্কে আলোচনাৰ বাবে আগুৱাই আহিছে
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

# এখন সুস্থ ভাৰতৰ বাবে এক শক্তিশালী ভেটি

এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণেৰে কেন্দ্ৰীয় চৰকাৰে মহিলাসকলক জৰায়ুৰ কৰ্কট ৰোগৰ পৰা ৰক্ষা কৰিবলৈ ৰাজস্থানৰ আজমেৰৰ পৰা দেশজোৰা হিউমেন পেপিলোমাভাইৰাছ (এইচপিভি)ৰ টিকাকৰণ অভিযান আৰম্ভ কৰে। আজিলৈকে চৰকাৰে এই ৰোগৰ ১২টা প্ৰকাৰৰ বিৰুদ্ধে টিকাকৰণ অভিযান হাতত লৈছে, যাৰ ফলত সৰ্বজনীন টিকাকৰণৰ কভাৰেজ ৯৯ শতাংশ পৰ্যন্ত হৈছে। আহক, আমি ৰাষ্ট্ৰীয় টিকাকৰণ দিৱসত (১৬ মাৰ্চ) টিকাকৰণে মহিলা আৰু শিশুৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে জনস্বাস্থ্যক কেনেদৰে শক্তিশালী কৰে বুজি লওঁ...




২৮ ফেব্ৰুৱাৰী, ২০২৬ত ভাৰত চৰকাৰে তিনিমহীয়া দেশজোৰা এইচপিভি টিকাকৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এতিয়া কেন্দ্ৰীয়, ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ সহযোগত ১৪ বছৰ বা তাৰ উৰ্দ্ধৰ কিশোৰীক এই ভেকচিন বিনামূলীয়াকৈ প্ৰদান কৰা হৈছে। সমগ্ৰ দেশৰ সকলো চৰকাৰী প্ৰাথমিক আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰ, জিলা আৰু মহকুমা চিকিৎসালয় আৰু চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত এই টিকা উপলব্ধ হ'ব। অভিযান আৰম্ভ হোৱা তাৰিখৰ পৰা ৯০ দিনৰ ভিতৰত ১৫ বছৰ সম্পূৰ্ণ কৰা ছোৱালীয়েও এই তিনি মাহৰ বিশেষ এইচপিভি টিকাকৰণ অভিযানৰ অধীনত ভেকচিন লোৱাৰ বাবে যোগ্য হ'ব।

প্ৰায় ১১.৫ নিযুত কিশোৰী বৰ্তমান এই ভেকচিনৰ বাবে যোগ্য। সৰ্বাধিক কভাৰেজ সুনিশ্চিত কৰিবলৈ প্ৰতিষেধক প্ৰদান অভিযান ৯০ দিনৰ বাবে প্ৰতিদিনে চলোৱা হ'ব আৰু তাৰ পিছত নিয়মীয়া প্ৰতিষেধক প্ৰদানৰ দিন ধাৰ্য কৰা হ'ব। এই দেশজোৰা এইচপিভি টিকাকৰণ অভিযানটো ভাৰতীয় মহিলাসকলৰ সবলীকৰণ আৰু দেশজুৰি মহিলা আৰু ছোৱালীৰ স্বাস্থ্যৰ সুৰক্ষাৰ দিশত

*প্ৰতি বছৰে ২৬ নিযুত নৱজাতক আৰু ২৯ নিযুত গৰ্ভৱতী মহিলাই ইউআইপিৰ অধীনত টিকাকৰণ লাভ কৰে। ইয়াৰ লক্ষ্য হৈছে জীৱনৰ প্ৰথম বছৰতে প্ৰতিজন শিশুক সম্পূৰ্ণৰূপে টিকাকৰণ কৰা।*

এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই ঐতিহাসিক অভিযানৰ জৰিয়তে ভাৰতে ১৬০খনতকৈও অধিক দেশৰ সৈতে মিলিত হৈছে, যিয়ে এইচপিভি টিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰিছে।

ৰাষ্ট্ৰীয় টিকাকৰণ অভিযানে কেৱল শিশু আৰু মাতৃক সুৰক্ষা প্ৰদান কৰাই নহয়, সুস্থ ভাৰতৰ ভেটিও শক্তিশালী কৰিছে। ২০১৪ চনত সৰ্বজনীন টিকাকৰণৰ বাবে মুকলি কৰা মিছন ইন্দ্ৰধনুষে এই ভেটি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এআইৰ দৰে প্ৰযুক্তিয়ে প্ৰায় ৯৯% টিকাকৰণৰ লক্ষ্যত উপনীত হোৱাত যথেষ্ট সহায় কৰিছে। এই প্ৰযুক্তিৰ কাৰ্যকাৰিতা ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ২০২৬ চনৰ ৮ ফেব্ৰুৱাৰীলৈকে



*বিশ্বৰ জৰায়ুৰ কেন্সাৰৰ মৃত্যুৰ হাৰৰ ২৫%ই ভাৰতৰ। ভাৰতবৰ্ষত কৰ্কট ৰোগত আক্ৰান্ত মহিলাসকলৰ দ্বিতীয় সৰ্বাধিকেই জৰায়ুৰ কৰ্কট ৰোগতিস ভোগে। ভাৰতত বছৰি প্ৰায় ৮০,০০০গৰাকী মহিলা নতুনকৈ জৰায়ুৰ কৰ্কটত আক্ৰান্ত হয় আৰু ইয়াৰে ৪২,০০০ৰো অধিক মহিলাৰ মৃত্যু হয়।*

> ‘নাৰী শক্তি’ৰ সৱলীকৰণ আৰু মাতৃ আৰু কন্যাসকলৰ স্বাস্থ্যৰ উন্নতিৰ দিশত এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ। “আমি সকলোৱে জানো যে যেতিয়া এগৰাকী মাতৃ অসুস্থ হৈ পৰে, তেতিয়া পৰিয়ালটো ভাগি পৰে। যদি মাতৃগৰাকী সুস্থ থাকে, তেন্তে পৰিয়ালটোৱে যিকোনো সংকটৰ মোকাবিলা কৰিবলৈ সক্ষম হয়। এই মানসিকতাৰে চৰকাৰে মহিলাসকলক সহায়ৰ বাবে বিভিন্ন আঁচনি আৰম্ভ কৰিছে
>
> *প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

## যোৱা পাঁচ বছৰত টিকাকৰণ অভিযান আৰু স্বাস্থ্য সজাগতা কাৰ্যসূচী অধিক কাৰ্যকৰী কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহ হৈছেঃ


- ৰাজ্যিক, জিলা আৰু খণ্ড টিকাকৰণ টাস্ক ফ'ৰ্চে নিয়মীয়া টিকাকৰণ অভিযানৰ কাৰ্যকৰী ৰূপায়ণ সুনিশ্চিত কৰিছে।
- প্ৰতিষেধক প্ৰদান ব্যৱস্থা উন্নত কৰিবলৈ সজাগতা সৃষ্টি, সামাজিক সংগঠন, ঘৰুৱা পৰ্যায়ৰ মত-বিনিময় আৰু সংবাদ মাধ্যমৰ সৈতে জড়িত হোৱাৰ দৰে কৌশলগত কাৰ্যকলাপ গ্ৰহণ কৰা হৈছে।
- সৰ্বজনীন প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ অধীনত কম টিকাকৰণ হোৱা অঞ্চলত শিশু আৰু গৰ্ভৱতী মহিলাসকলক টিকাকৰণ কৰিবলৈ সৰ্বাত্মক মিচন ইন্দ্ৰধনুষ নামৰ এক বিশেষ টিকাকৰণ অভিযান আৰম্ভ কৰা হয়।
- পালছ পলিঅ’ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতি বছৰে ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস (এনআইডি)ৰ দৰে বিশেষ প্ৰতিষেধক প্ৰদান অভিযান অনুষ্ঠিত কৰা হয়।
- প্ৰতিষেধক প্ৰদানৰ বাবে নিৰ্দিষ্ট দিনত গ্ৰাম্য স্বাস্থ্য আৰু পুষ্টি দিৱস (ভিএইচএনডি) আয়োজন কৰা হয়।
- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে শিশু আৰু গৰ্ভৱতী মহিলাৰ বাবে সকলো টিকাকৰণ কাৰ্যসূচীৰ ডিজিটেল পঞ্জীয়ন আৰু ৰেকৰ্ডিঙৰ বাবে ইউ-উইন পৰ্টেল মুকলি কৰিছে।

১১.১২ কোটিতকৈ অধিক শিশু আৰু ৩.৭৮ কোটি গৰ্ভৱতী মহিলাৰ নাম ইউ-উইন পৰ্টেলত পঞ্জীয়ন হৈছে।

বৰ্তমান ১৩টা প্ৰতিষেধক প্ৰতিৰোধ কৰিব পৰা ৰোগৰ বিৰুদ্ধে টিকাকৰণ অভিযান চলি আছে। ৰাষ্ট্ৰীয় পৰ্যায়ত এই টিকাকৰণ অভিযান ঘোঁৰা-শলখা (ডিপথেৰিয়া), হুপিং কাহ (পাৰ্টুছিছ), ধনুষ্টংকাৰ (টিটেনাছ), পলিঅ’, সৰু আই (মিজেলছ), ৰুবেলা, শিশু যক্ষ্মা (টিবি), পাতলীয়া শৌচ (ৰ'টাভাইৰাছ ডায়েৰিয়া), হেপাটাইটিছ বি, মস্তিষ্কৰ প্ৰদাহ (মেনিনজাইটিছ) আৰু হিম'ফিলাছ ইনফ্লুয়েঞ্জা টাইপ বি আৰু নিউম'ক'কলৰ ফলত হোৱা নিউম'নিয়াকে ধৰি ৰবিধ ৰোগৰ বিৰুদ্ধে টিপাকৰণ অভিযান চলাই থকা হৈছে। এই ৰোগসমূহৰ প্ৰাদুৰ্ভাৱ থকা জিলাসমূহত জাপানীজ এনকেফেলাইটিছ (জেই)ৰ বিৰুদ্ধেও টিকাকৰণ অভিযান হাতত লোৱা হৈছে।




# কৃত্ৰিম বুদ্ধিমত্তাৰ
# এক বিশ্বজনীন কেন্দ্ৰত পৰিণত ভাৰত



*যেতিয়া ভাৰতৰ প্ৰগতি হয়, তেতিয়া বিশ্বৰো প্ৰগতি হয়। এই দৃষ্টিভংগীৰে ভাৰতে **"সৰ্বজন হিতায়, সৰ্বজন সুখায়."** মন্ত্ৰক আঁকোৱালি লৈ কৃত্ৰিম বুদ্ধিমত্তা (এআই)ৰ ক্ষেত্ৰখনত মানৱীয় আৰু সমাৱেশী নেতৃত্ব প্ৰদৰ্শন কৰিছে। ইণ্ডিয়া-এআই ইম্পেক্ট ছামিট ২০২৬ত "মানৱীয়" দৃষ্টিভংগীৰ জৰিয়তে ভাৰতে দেখুৱাইছিল যে কেনেকৈ নতুন প্ৰযুক্তি মানৱতাৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এই বিশ্ব সন্মিলনে প্ৰমাণ কৰিলে যে ভাৰতত এআই বিপ্লৱৰ নেতৃত্ব দিয়াৰ সম্ভাৱনা আৰু সামৰ্থ্য আছে...*

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এআই ইম্পেক্ট ছামিটত ভাষণ দি থকাৰ সময়তে এটা যথাসময়ৰ এআই সঁজুলিয়ে বধিৰ আৰু শ্ৰৱণ অক্ষম সমুদায়ৰ বাবে প্ৰস্তুত কৰা ভিডিঅ'ৰ জৰিয়তে সাংকেতিক ভাষাত হুবহু ভাষণ প্ৰেৰণ কৰা হৈছিল।

---

ন্যায়পালিকাৰ বাবে এআই-ভিত্তিক আইনী গৱেষণাৰ বিশ্লেষণ সঁজুলি উদ্ভাৱন কৰা হৈছে। এই সঁজুলিৰ এআই বটে পাইলট মোডত ১৯৫০ চনৰ পৰা উচ্চতম ন্যায়ালয়ৰ প্ৰশ্ন বা ৰায়দানৰ উত্তৰ দিয়ে।

---

এআই বিহংগম দৃষ্টিয়ে চহৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ বাবে উপগ্ৰহীয় আৰু বিহংগম ছবি বিশ্লেষণ কৰে। এই সেৱাৰে কংক্ৰিটৰ ছাদ চিনাক্ত কৰা হয় আৰু ৩০,০০০ গাঁৱৰ বাবে সৌৰ পেনেলৰ ক্ষেত্ৰৰ অনুমান কৰা হয়।

---

SabhaSaar হৈছে এআই-চালিত ভইচ-টু-টেক্সট সভাৰ সাৰাংশ সঁজুলি, যিয়ে গাঁও সভা আৰু পঞ্চায়ত সভাৰ পৰা অডিঅ' বা ভিডিঅ' ইনপুট ব্যৱহাৰ কৰি ১৪টা ভাষাত সভাৰ গঠনমূলক, নিৰপেক্ষ আৰু সঠিক কাৰ্যবিৱৰণী প্ৰস্তুত কৰে।

---

দেশত ঘূৰ্ণীবতাহ বা দুৰ্যোগৰ সৃষ্টি হ'লে আইআইটি ব'ম্বেৰ দ্বাৰা প্ৰস্তুত কৰা স্থানীয়ভাৱে সচেতন ডমেইন অভিযোজন নেটৱৰ্ক মডেলে বিহংগম ছবি ব্যৱহাৰ কৰি ক্ষতিৰ সঠিক অনুমান কৰিব পাৰে। সীমিত তথ্য সত্ত্বেও ই সঠিক ফলাফল দিব পাৰে, যাৰ ফলত দুৰ্যোগৰ সময়ত দ্ৰুত আৰু নিৰ্ভৰযোগ্য সকাহ পোৱা যায়।

ভাৰতত এই এআই সমাধানসমূহে প্ৰমাণ কৰে যে আজি ন্যায়পালিকাৰ পৰা আৰম্ভ কৰি ভাষাৰ প্ৰৱেশলৈ, দুৰ্যোগ ব্যৱস্থাপনাৰ পৰা সাক্ষৰতালৈ, কৃষকৰ পৰা চিকিৎসকলৈ, শিক্ষাৰ্থীৰ পৰা ষ্টাৰ্টআপলৈ, মহিলাৰ পৰা যুৱক-যুৱতীলৈকে প্ৰতিটো খণ্ডতে কৃত্ৰিম বুদ্ধিমত্তাৰ (এআই) সুফল পোৱা গৈছে। ভাৰত দ্ৰুতগতিত এআই মহাশক্তি হোৱাৰ দিশে অগ্ৰসৰ হৈছে। ভাৰত দ্ৰুতগতিত এক বিশ্বজনীন এআই হাব, উদ্ভাৱন, ষ্টাৰ্টআপ আৰু ডিজিটেল বিকাশৰ বাবে এক নতুন শক্তি হৈ উঠিছে। বিশ্বৰ সৰ্ববৃহৎ প্ৰযুক্তিগত বিপ্লৱ অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তাক এতিয়া ভাৰতে নেতৃত্ব দি আছে, যি কেৱল এটা প্ৰযুক্তি নহয়, বৰঞ্চ ভাৰতৰ অৰ্থনৈতিক শক্তিৰ এক নতুন ইঞ্জিন হৈ পৰিছে। ভাৰতৰ এআইৰ ব্যৱহাৰ বিশ্বৰ আন দেশৰ তুলনাত সম্পূৰ্ণ পৃথক। বিশ্বই নিজৰ শক্তি বৃদ্ধিৰ বাবে এআই প্ৰযুক্তিৰ ওপৰত বিনিয়োগ কৰাৰ সময়ত ভাৰতে 'সবকা সাথ, সবকা বিকাশ'ৰ দৃষ্টিভংগীৰে সমাজৰ বঞ্চিত লোকসকল আৰু সমগ্ৰ মানৱ জাতিৰ উপকাৰৰ বাবে প্ৰযুক্তিৰ বিকাশত নিয়োজিত হৈ আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী স্পষ্ট যে প্ৰযুক্তি কেৱল কেইজনমান নিৰ্বাচিত লোকৰ মাজতে সীমাবদ্ধ থাকিব নালাগে, বৰঞ্চ প্ৰতিজন যুৱক, প্ৰতিজন কৃষক, প্ৰতিজন উদ্যোগী, প্ৰতিজন ছাত্ৰ-ছাত্ৰীকো সামৰি ল'ব লাগে। সেয়েহে, ভাৰতীয় এআই হৈছে সকলোৰে বাবে এআই, অৰ্থাৎ এআইৰ দৰে প্ৰযুক্তি সকলোৰে বাবে।

ভাৰত ইয়াৰ বিকাশৰ যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়ত উপনীত হৈছে। কৃত্ৰিম বুদ্ধিমত্তা (এআই)ই এই বিকাশৰ এক মুখ্য সহায়ক হিচাপে আত্মপ্ৰকাশ কৰিছে। বৰ্তমান ভাৰতত ৬ মিলিয়নতকৈও অধিক প্ৰযুক্তি আৰু এআই বিশেষজ্ঞ কৰ্মৰত হৈ আছে। ১,৮০০ৰো অধিক বিশ্ব সক্ষমতা কেন্দ্ৰৰ ৫০০ৰো অধিক কেৱল এআইৰ ওপৰত কেন্দ্ৰীভূত। সেয়েহে, ভাৰত এতিয়া বিশ্বৰ সৰ্ববৃহৎ এআই টেলেণ্ট হাবত পৰিণত হৈছে। ইয়াৰ এটা উৎকৃষ্ট উদাহৰণ হ'ল প্ৰায় ২,০০,০০০ ষ্টাৰ্টআপৰ ৮৯ শতাংশই তেওঁলোকৰ সমাধানত এআই ব্যৱহাৰ কৰিছে। নাছকমৰ মতে ৮৭ শতাংশ ভাৰতীয় উদ্যমিতা কোম্পানীয়ে এআই গ্ৰহণ কৰিছে। দেশৰ মুঠ এআই মূল্যৰ ৬০ শতাংশই অ'টোমোবাইল, খুচুৰা, বিএফএছআই আৰু স্বাস্থ্যসেৱাকে ধৰি চাৰিটা খণ্ডৰ। কিন্তু প্ৰকৃত পৰিৱৰ্তনকামী হৈছে আন্তঃগাঁথনি। এআই ডাটা চেণ্টাৰত বিনিয়োগৰ পৰিমাণ প্ৰায় ৭০ বিলিয়ন মাৰ্কিন ডলাৰ আৰু ইয়াৰ বাবে অতিৰিক্ত ৯০ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগৰ কথা ঘোষণা কৰা হৈছে। এয়া মাত্ৰ আৰম্ভণিহে। ২০২৬-২৭ বৰ্ষৰ সাধাৰণ বাজেটত এআই আৰু ডিজিটেল আন্তঃগাঁথনিৰ বাবে এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এইবাৰৰ বাজেটত ভাৰত এখন উন্নত দেশ হিচাপে পৰিগণিত নোহোৱালৈকে ২০৪৭ চনলৈকে




*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

> কৃত্ৰিম বুদ্ধিমত্তাই মানৱ ইতিহাসত ব্যাপক পৰিৱৰ্তন সাধন কৰিছে। আজি আমি যি দেখিবলৈ পাইছো, আজি আমি যি পূৰ্বানুমান কৰিছো, সেয়া হৈছে ইয়াৰ প্ৰভাৱৰ প্ৰাৰম্ভিক লক্ষণসমূহ। কৃত্ৰিম বুদ্ধিমত্তাই মেচিন ইণ্টেলিজেন্স গঢ়ি তুলিছে, কিন্তু তাতকৈও গুৰুত্বপূৰ্ণ কথাটো হ'ল ই মানুহৰ ক্ষমতা বহুগুণে বৃদ্ধি কৰিছে। এইবাৰৰ পাৰ্থক্যটো হ'ল গতি আৰু পৰিসৰ দুয়োটাই অভূতপূৰ্ব
>
> *প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

ক্লাউড কোম্পানীসমূহৰ বাবে কৰ ৰেহাইৰ প্ৰস্তাৱ দিয়া হৈছে। ডাটা চেণ্টাৰৰ সুবিধা প্ৰদানকাৰীসকলৰ বাবে ১৫ শতাংশ সুৰক্ষিত আশ্ৰয় বা আইনী সুৰক্ষা স্থাপন কৰা হৈছে, যাৰ সীমা ৩০০ কোটি টকাৰ পৰা ২,০০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ অৰ্থ হৈছে কেন্দ্ৰীয় চৰকাৰে দেশত এআইৰ বাবে এটা সম্পূৰ্ণ পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিছে। এই দিশত আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে ইণ্ডিয়া




## কৃত্রিম বুদ্ধিমত্তা (এআই) কি ?

কৃত্রিম বুদ্ধিমত্তা (এআই) হৈছে এক প্ৰযুক্তি, যি মেচিনসমূহক কাম-কাজ সম্পাদন কৰিবলৈ অনুমতি দিয়ে, যিবোৰত সাধাৰণতে মানুহৰ বোধগম্যতা আৰু চিন্তাৰ প্ৰয়োজন হয়। ই মেচিনক অভিজ্ঞতাৰ পৰা শিকিবলৈ, নতুন পৰিস্থিতিৰ সৈতে খাপ খাবলৈ আৰু সমস্যা সমাধান কৰিবলৈ সক্ষম কৰে। এআই তথ্য আৰু বিশেষ কম্পিউটাৰ প্ৰ'গ্ৰাম ব্যৱহাৰ কৰি তথ্য বিশ্লেষণ, ধৰণ চিনাক্তকৰণ আৰু এই ধৰণৰ ওপৰত ভিত্তি কৰি প্ৰতিক্ৰিয়া বা সিদ্ধান্ত প্ৰদান কৰে। সময়ৰ লগে লগে মানুহৰ দৰে ইয়াৰ কাৰ্যক্ষমতা উন্নত হয়, চিন্তা-চৰ্চাৰ ক্ষমতা, সিদ্ধান্ত গ্ৰহণ আৰু যোগাযোগ কৰাৰ ক্ষমতা বৃদ্ধি পায়।

## এআই সন্মিলনৰ উদ্দেশ্য আৰু বিষয়বস্তু

২০২৬ চনৰ ইণ্ডিয়া এআই ইম্পেক্ট সন্মিলনৰ বিষয়বস্তু হৈছে "সৰ্বজন হিতায়, সৰ্বজন সুখায়," অৰ্থাৎ "সকলোৰে কল্যাণ, সকলোৰে সুখ।" ইয়াৰ লক্ষ্য হৈছে ভাৰতক এআইৰ ক্ষেত্ৰত অগ্ৰণী দেশ হিচাপে প্ৰতিষ্ঠা কৰা আৰু এনে এটা ভৱিষ্যতৰ কল্পনা কৰা, য'ত এআইয়ে মানৱতাক আগুৱাই নিব, অন্তৰ্ভুক্তিমূলক বিকাশক প্ৰোৎসাহিত কৰিব আৰু আমাৰ সকলোৰে পৃথিৱীখন সুৰক্ষিত কৰিব।



> এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত কৃত্ৰিম বুদ্ধিমত্তা, প্ৰযুক্তি আৰু উদ্ভাৱন জগতৰ বিভিন্ন অংশীদাৰসকল উপস্থিত আছিল। তেওঁলোকৰ লক্ষ্য আছিল এআইৰ দায়িত্বশীল সম্প্ৰসাৰণ, বিশ্ব সহযোগিতা শক্তিশালী কৰা আৰু বিকাশৰ সুযোগ বিচাৰি উলিওৱা। মানৱ প্ৰগতি আৰু বহনক্ষম উন্নয়নৰ বাবে এআই ব্যৱহাৰৰ ক্ষেত্ৰত এক উমৈহতীয়া প্ৰতিশ্ৰুতি দেখি উৎসাহিত হৈছো
>
> *প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী*

এআই ইম্পেক্ট ছামিট। ভাৰতে ১৬-২০ ফেব্ৰুৱাৰী, ২০২৬ত বিশ্বৰ সৰ্ববৃহৎ এআই সন্মিলন সফলতাৰে আয়োজন কৰে। এয়া এআইৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ এক ঘোষণা পত্ৰ।

বিশ্ব এআই প্ৰেক্ষাপটত ভাৰতৰ নতুন পৰিচয়

প্ৰচ্ছদ নিবন্ধ

## নতুন দিল্লী ঘোষণা পত্ৰ বিশ্বই গ্ৰহণ কৰিলে

নতুন দিল্লীত অনুষ্ঠিত এআই ইম্পেক্ট ঘোষণা পত্ৰ বিশ্বই গ্ৰহণ কৰিলে। ভাৰতে সমতা, প্ৰৱেশাধিকাৰ আৰু বিশ্ব সহযোগিতাৰ ওপৰত ভিত্তি কৰি 'সকলোৰে বাবে এআই'ৰ প্ৰসাৰ ঘটাইছে। ৯১খন দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ দ্বাৰা অনুমোদিত নতুন দিল্লী ঘোষণাপত্ৰত সহযোগিতামূলক, বিশ্বাসযোগ্য, শক্তিশালী আৰু কাৰ্যকৰী এআইৰ বাবে এক উমৈহতীয়া বিশ্বজনীন দৃষ্টিভংগীৰ আভাস দিয়া হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত বিশ্ব সহযোগিতাৰ এক মাইলৰ খুঁটিক ই প্ৰতিনিধিত্ব কৰে।

## এআইৰ বাবে উমৈহতীয়া বিশ্বজনীন দৃষ্টিভংগী

"সৰ্বজন হিতায়, সৰ্বজন সুখায়" (সকলোৰে কল্যাণ, সকলোৰে সুখ) নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই ঘোষণাপত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে যে এআইৰ সুবিধাসমূহ সমগ্ৰ মানৱজাতিৰ সৈতে সমানে ভাগ-বাটোৱাৰা কৰা উচিত। ইয়াত গুৰুত্ব দিয়া হৈছে:

- বহুপক্ষীয় অংশীদাৰসকলৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু সংযোগ শক্তিশালী কৰা।
- ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বক সন্মান কৰা।
- সুলভ আৰু নিৰ্ভৰযোগ্য কাঠামোৰ জৰিয়তে এআইক আগুৱাই নিয়া।



## দায়িত্বশীল এআই গ্ৰহণৰ গিনিজ বিশ্ব অভিলেখ

ভাৰতে কেৱল কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ক্ষেত্ৰত উদ্ভাৱন কৰাই নহয়, দায়িত্বশীল এআই গ্ৰহণৰ বাবেও প্ৰতিশ্ৰুতিবদ্ধ। ২৪ ঘণ্টাত ২,৫০,৯৪৬জন লোকে দায়িত্বশীল এআই পণ গ্ৰহণ কৰাৰ জৰিয়তে ভাৰতে গিনিজ বিশ্ব অভিলেখ গঢ়িলে। দেশজোৰা অভিযানে ছাত্ৰ-ছাত্ৰী আৰু নাগৰিকসকলক নৈতিক, স্বচ্ছ আৰু দায়িত্বশীল এআই ব্যৱহাৰৰ প্ৰতি দায়বদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিলে।

## ষ্টাৰ্টআপ বুক

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে ইণ্ডিয়া এআই ইম্পেক্ট সন্মিলন ২০২৬ত এআই ইম্পেক্ট ষ্টাৰ্টআপ বুক উন্মোচন কৰে। এই গ্ৰন্থখন ভাৰতৰ এআই আৰু ডিপ-টেক ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰৰ ক্ৰমবৰ্ধমান বিশ্বজনীন প্ৰভাৱৰ অধ্যয়ন।

## ভৱিষ্যতৰ বিনিয়োগ

আগন্তুক বছৰসমূহত এআইৰ আন্তঃগাঁথনি, মৌলিক আৰ্হি, হাৰ্ডৱেৰ আৰু এপ্লিকেশ্যনসমূহত শ শ কোটি ডলাৰ বিনিয়োগ কৰাৰ আশা কৰা হৈছে...

**১১০**
বিলিয়ন মাৰ্কিন ডলাৰ অহা সাত বছৰত ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজে বিনিয়োগ কৰিব।

**১০০**
বিলিয়ন মাৰ্কিন ডলাৰ ২০৩৫ চনৰ ভিতৰত বিনিয়োগৰ প্ৰতিশ্ৰুতি আদানী এণ্টাৰপ্ৰাইজৰ।

**১৫**
বিলিয়ন মাৰ্কিন ডলাৰ গুগলে বিশাখাপট্টনমত বিনিয়োগ কৰিব।

- ৫ বিলিয়ন মাৰ্কিন ডলাৰ জেনেৰেল কেটালিষ্টে ৫ বছৰত বিনিয়োগ কৰিব।
- লাইটস্পীড ভেঞ্চাৰ পাৰ্টনাৰ্ছে ১০ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰিব।
- টাটা গ্ৰুপে মহাৰাষ্ট্ৰত ১১ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰিব।

**शुश्रूषा श्रवणं चैव ग्रहणं धारणां तथा।**

**ऊहापोहोऽर्थविज्ञानं तत्त्वज्ञानं च धीगुणाः॥**

অৰ্থাৎ বুদ্ধিমত্তা, যুক্তি আৰু সিদ্ধান্ত গ্ৰহণৰ ফলত বিজ্ঞান আৰু প্ৰযুক্তি সকলোৰে বাবে উপযোগী হৈ উঠে। ইণ্ডিয়া এআই ইম্পেক্ট ছামিট ২০২৬ৰ উদ্দেশ্য আছিল এআইক সকলোৰে হিতৰ বাবে কিদৰে ব্যৱহাৰ কৰিব পৰা যায় সেয়া প্ৰদৰ্শন কৰা। সেয়েহে এই সন্মিলনৰ বিষয়বস্তু আছিল "সৰ্বজন হিতায়, সৰ্বজন সুখায়," অৰ্থাৎ সকলোৰে কল্যাণ, সকলোৰে সুখ। ২০২৬ চনৰ বিশ্ব সন্মিলনৰ সাক্ষী হিচাপে এআইৰ ক্ষেত্ৰত ভাৰতৰ প্ৰভাৱ ক্ৰমাগতভাৱে বৃদ্ধি হৈ আছে। এই সন্মিলনখন এআইৰ ক্ষেত্ৰত ভাৰতৰ নতুন পৰিচয় হিচাপে পৰিগণিত হৈছে। কৃত্ৰিম বুদ্ধিমত্তাই এতিয়া বিশ্ব অৰ্থনীতি আৰু নিয়োগৰ ক্ষেত্ৰত সৰ্ববৃহৎ পৰিৱৰ্তন সাধন কৰিছে। বিশ্বৰ বাবে এআইৰ অৰ্থ কেৱল এটাঃ কৃত্ৰিম কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence), কিন্তু ভাৰতৰ বাবে ইয়াৰ অৰ্থ দুটা, অৰ্থাৎ কৃত্ৰিম

## ২০৩২ চনৰ ভিতৰত ১৩১ বিলিয়ন ডলাৰ অতিক্ৰম কৰিব ভাৰতৰ এআই বজাৰে

ভাৰতীয় প্ৰতিযোগিতা আয়োগে (চিচিআই) প্ৰকাশ কৰা এক প্ৰতিবেদনত কোৱা হৈছে যে ২০২০ চনত বিশ্বৰ এআই বজাৰৰ আকাৰ ১০৩.৬ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা ২০২৪ চনত ২৮৮.৮ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। একে সময়ছোৱাত ভাৰতৰ এআই বজাৰ ২.৯৭ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা ৭.৬৩ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। ভাৰতীয় এআই বজাৰখন ২০৩২ চনৰ ভিতৰত ৪২.২% চক্ৰবৃদ্ধি বাৰ্ষিক বৃদ্ধিৰ হাৰ (চিএজিআৰ)ত বৃদ্ধিৰে ১৩১.৩১ বিলিয়ন মাৰ্কিন ডলাৰ হ'ব বুলি আশা কৰা হৈছে

## এআই সন্মিলনত অংশগ্ৰহণ ১১৮খনতকৈ অধিক দেশৰ

১১৮খন দেশৰ ৫,০০,০০০ৰো অধিক প্ৰতিনিধিয়ে এই এআই ইম্পেক্ট ছামিটত অংশগ্ৰহণ কৰে। এই সন্মিলনত ২০খনৰো অধিক দেশৰ চৰকাৰৰ মুৰব্বীয়েও অংশগ্ৰহণ কৰে। সন্মিলনত ১০০ৰো অধিক বিশ্ব এআই নেতা, চিইঅ', চিএ'অ' আৰু ৫০০ৰো অধিক অগ্ৰণী এআই বিশেষজ্ঞই অংশগ্ৰহণ কৰে।

## স্বাস্থ্যসেৱাত এআইৰ ব্যৱহাৰ বৃদ্ধি

- ইণ্ডিয়া এআই ইম্পেক্ট ছামিট ২০২৬ত দুটা নতুন ডিজিটেল স্বাস্থ্য উদ্যোগ আৰম্ভ কৰা হৈছে- SAHI (ভাৰতৰ স্বাস্থ্যসেৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ কৌশল) আৰু BODH (স্বাস্থ্য এআইৰ বাবে মুক্ত ডাটা প্লেটফৰ্মৰ মাপকাঠিকৰণ)। এই পদক্ষেপসমূহে ভাৰতৰ স্বাস্থ্যসেৱা ব্যৱস্থাত এআইৰ সুৰক্ষিত, নীতিনিষ্ঠ আৰু প্ৰমাণ-ভিত্তিক ব্যৱহাৰৰ প্ৰসাৰত সহায় কৰিব।





*মেডিকেল ইমেজ (যেনে এক্স-ৰে' বা স্কেন)ৰ এআই বিশ্লেষণে যক্ষ্মা, কৰ্কট আৰু অন্যান্য ৰোগ সঠিকভাৱে চিনাক্ত কৰিব পাৰে।*

- বিশেষকৈ গ্ৰামাঞ্চল আৰু দুৰ্গম অঞ্চলত এআইয়ে স্বাস্থ্যসেৱা উন্নত আৰু সহজলভ্য কৰি তুলিছে।
- এআই-সক্ষম ৰোগ নিৰ্ণয়ৰ সঁজুলিয়ে ৰোগ নিৰ্ণয় কৰাত সহায় কৰে।
- এআই-ভিত্তিক টেলিমেডিচিনে গ্ৰামাঞ্চলৰ ৰোগীসকলক চিকিৎসকৰ সৈতে সংযোগ কৰে, যাতায়াত আৰু অপেক্ষাৰ সময় হ্ৰাস কৰে।
- এআইয়ে ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰাৰম্ভিক সতৰ্কতা প্ৰদান কৰাত সহায় কৰে।
- ই ঔষধৰ আৱিষ্কাৰ আৰু ৰোগীৰ ওপৰত নিৰ্ভৰশীল চিকিৎসাতো সহায় কৰে।

## ভাৰত-ফ্ৰান্স স্বাস্থ্য এআই কেন্দ্ৰ


ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ উপস্থিতিত দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ত স্বাস্থ্যৰ ক্ষেত্ৰত এআইৰ বাবে ইণ্ডো-ফ্ৰান্স চেণ্টাৰ (আইএফ-চিএআইএইচ)ৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ উদ্দেশ্য হৈছে এআই-ভিত্তিক গৱেষণা, চিকিৎসা শিক্ষা আৰু উদ্ভাৱনক প্ৰোৎসাহিত কৰি জটিল স্বাস্থ্য প্ৰত্যাহ্বানসমূহ সমাধান কৰা। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে কয় যে ভাৰত আৰু ফ্ৰান্সে দুয়ো দেশৰ নিৰ্ভৰযোগ্য কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালী বিকাশৰ বাবে অত্যাধুনিক কম্পিউটিং ক্ষমতা আৰু প্ৰতিভা বিকাশৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে দৃঢ়তাৰে কয় যে আমি কেৱল অন্য দেশৰ প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰো।

বুদ্ধিমত্তা (Artificial Intelligence) আৰু আকাংক্ষিত ভাৰত (Aspirational India)। কৃত্ৰিম বুদ্ধিমত্তাই এই দৰ্শনক বাস্তৱায়িত কৰাৰ সৰ্ববৃহৎ সুযোগ প্ৰদান কৰিব। এআইৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ অগ্ৰণী দেশসমূহৰ ভিতৰত অন্যতম। এই সন্মিলন হৈছে এই এআই সক্ষমতাৰ এক ঘোষণা। এই সন্মিলনখনেই হ'ল কোনো উন্নয়নশীল দেশত অনুষ্ঠিত প্ৰথমখন বিশ্বজনীন এআই সন্মিলন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ন, ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা দা ছিলভাকে ধৰি ১৫ৰ পৰা ২০গৰাকী ৰাষ্ট্ৰপ্ৰধান, ৫০গৰাকীৰো অধিক আন্তঃৰাষ্ট্ৰীয় মন্ত্ৰী আৰু ১০০ৰো অধিক দেশৰ নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিছে। এই সন্মিলনত গুগলৰ সুন্দৰ পিচাই আৰু অ'পেন এআইৰ ছেম অল্টমেনৰ দৰে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। এই সন্মিলনখন দেশৰ বাবে এক ঐতিহাসিক সুযোগ হিচাপে পৰিগণিত হয়, যিয়ে এআইৰ ক্ষেত্ৰত পৰিৱৰ্তন আৰু বিকাশৰ ক্ষেত্ৰত নতুন গতি প্ৰদান কৰিলে। ইয়াৰ জৰিয়তে শিক্ষাবিদ, ষ্টাৰ্ট-আপ আৰু চৰকাৰৰ সৈতে শক্তিশালী সহযোগিতা স্থাপন হ'ব।



## মহিলা নেতৃত্বাধীন এআই

ইণ্ডিয়া এআই ইম্পেক্ট ছামিট ২০২৬ত জনকল্যাণ আৰু ডিজিটেল সৰ্বজনীন আন্তঃগাঁথনিৰ বাবে মহিলা নেতৃত্বাধীন এআই প্ৰদৰ্শন কৰা হয়। ইয়াত সমাৱেশী, সম্প্ৰসাৰণ যোগ্য আৰু ইম্পেক্ট-ফাৰ্ষ্ট এআই সমাধান আগবঢ়াই নিবলৈ মহিলা নেতৃত্বাধীন দহটা ষ্টাৰ্টআপক সন্মানিত কৰা হয়।



## কৃষিত এআইৰ ব্যৱহাৰ

উপগ্ৰহৰ পৰা পোৱা ছবি, বতৰৰ পূৰ্বাভাস, মাটিৰ তথ্য আৰু শস্যৰ ধৰণ বিশ্লেষণ কৰি এআইয়ে কৃষকসকলক এই কথা বুজাত সহায় কৰে যে কোনবোৰ শস্য সিঁচিব লাগে, কেতিয়া সিঁচিব লাগে, কিমান সাৰ প্ৰয়োগ কৰিব লাগে, আৰু চপোৱাৰ সঠিক সময় কি। কীট-পতংগ আৰু ৰোগৰ বিষয়ে সময়মতে সতৰ্কবাণী দিয়াৰ পৰা আৰম্ভ কৰি জলসিঞ্চন আৰু সাৰ ব্যৱহাৰৰ উন্নত পৰিকল্পনালৈকে এআইয়ে খেতি কৰাটো অধিক নিখুঁত, কাৰ্যক্ষম আৰু কম বিপজ্জনক কৰি তোলে।

- এটা নতুন ডিজিটেল সংগী "ভাৰত-বিস্তাৰ" মুকলি কৰা হ'ল। এই এআই ভিত্তিক মঞ্চই কৃষকসকলক ফোন কল, চেটবট আৰু পৰৱৰ্তী সময়ত এপৰ জৰিয়তে বতৰ, বজাৰৰ মূল্য, কীট-পতংগ আৰু ৰোগ, মাটি, শস্যৰ পৰামৰ্শ, আৰু আঁচনিসমূহৰ তথ্য একে ঠাইতে দিব। কৃষকসকলে এতিয়া ১৫৫২৬ৰ নম্বৰত ডায়েল কৰি তেওঁলোকৰ প্ৰশ্নৰ তৎক্ষণাত উত্তৰ লাভ কৰিব পাৰিব।



## ৰাষ্ট্ৰীয় এআই আন্তঃগাঁথনি শক্তিশালী কৰা হ'ব

ভাৰত চৰকাৰে বৰ্তমানৰ ৩৮ হাজাৰ জিপিইউৰ উপৰিও ৰাষ্ট্ৰীয় এআই আন্তঃগাঁথনি শক্তিশালী কৰা আৰু ২০ হাজাৰ জিপিইউ সংযোজন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কথা ঘোষণা কৰে ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ইণ্ডিয়া এআই ইমপেক্ট ছামিট ২০২৬ত। এটা জিপিইউ (গ্ৰাফিক্স প্ৰচেছিং ইউনিট) হৈছে এক শক্তিশালী কম্পিউটাৰ চিপ। ই মেচিনসমূহক তথ্য দ্ৰুতভাৱে বুজিবলৈ, প্ৰতিমূৰ্তিসমূহ প্ৰক্ৰিয়াকৰণ কৰিবলৈ, এআই প্ৰগ্ৰেমসমূহ চলাবলৈ আৰু এটা প্ৰচলিত প্ৰচেছৰতকৈ অধিক দ্ৰুত আৰু অধিক কাৰ্যক্ষমভাৱে জটিল কামসমূহ সম্পাদন কৰাত সহায় কৰে।

শিক্ষাবিদ, ষ্টাৰ্টআপ, আৰু চৰকাৰৰ সৈতে শক্তিশালী সহযোগিতা স্থাপন কৰা হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উন্নত সমন্বয়ৰ প্ৰসাৰ ঘটিব। চৰকাৰী সেৱাৰ ৰূপান্তৰৰ বাবে এআইৰ সহায় লোৱা হ'ব। দায়িত্বশীল আৰু নৈতিক এআইৰ প্ৰতি দায়বদ্ধ হ'বলৈ এটা নীতিগত কাঠামো সৃষ্টি কৰা হ'ব।

### ভাৰতৰ 'মানৱ' দৃষ্টিভংগীৰ দ্বাৰা অনুপ্ৰাণিত এআই

ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত ইণ্ডিয়া-এআই ইম্পেক্ট ছামিটে বিশ্বৰ বাবে নতুন প্ৰযুক্তিৰ গণতান্ত্ৰিককৰণ, মানৱ কল্যাণৰ বাবে ইয়াৰ ব্যৱহাৰ, আৰু সুশাসন আৰু নিৰাপত্তাৰ বাবে জবাবদিহিতাৰ ভেটি হিচাপে কাম কৰে। এই সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ আগত দাঙি ধৰে মানৱ ভিজন। অৰ্থাৎ এআই কৰ্মসংস্থাপনৰ শত্ৰু নহে মিত্ৰ হে গ্ৰাম্য আৰু দৰিদ্ৰ জনগোষ্ঠীৰ কাষলৈ যাব লাগে, শিক্ষা আৰু স্বাস্থ্যৰ উন্নতি সাধন কৰিব লাগে, ক্ষুদ্ৰ ব্যৱসায়িক সবল কৰিব লাগে। ভাৰতৰ আৰ্হি পশ্চিমীয়া দেশৰ পৰা পৃথক। ইয়াত এআইক কেৱল ব্যৱসায়িক সুবিধা হিচাপেই নহয়, সামাজিক পৰিৱৰ্তনৰ আহিলা

## ...যাতে সুযোগৰ সৎ ব্যৱহাৰ কৰিব পৰা যায়

### বিদ্যালয়ত বুনিয়াদী এআই সাক্ষৰতা

- ৰাষ্ট্ৰীয় শিক্ষা নীতি (এনইপি) ২০২০ত ডিজিটেল আৰু এআই সাক্ষৰতাক অত্যাৱশ্যকীয় দক্ষতা হিচাপে অগ্ৰাধিকাৰ দিয়া হৈছে।
- এআই আৰু গণনামূলক চিন্তাধাৰাৰ পদক্ষেপ তৃতীয় শ্ৰেণীৰ পৰা আৰম্ভ হয়।
- এআইৰ সৈতে উন্নতিৰ বাবে ইয়াং এআইয়ে ৮-১২ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক আঠটা বিষয়ভিত্তিক ক্ষেত্ৰত ব্যৱহাৰিক এআই সমাধান বিকশিত কৰাত সহায় কৰে।
- ইয়াং এআই ফৰ অল হৈছে ১১টা ভাষাত বিনামূলীয়া ৰাষ্ট্ৰীয় এআই সাক্ষৰতা পাঠ্যক্ৰম, যাৰ লক্ষ্য হৈছে এক কোটি নাগৰিকক এআইৰ মৌলিক জ্ঞান প্ৰদান কৰা।

### শিক্ষাত এআইৰ ব্যৱহাৰ

এআইয়ে শিক্ষাক ব্যক্তিগত, সমাৱেশী, আৰু সুলভ কৰি তুলিছে। এআই-ভিত্তিক প্লেটফৰ্মসমূহে প্ৰতিজন ছাত্ৰৰ প্ৰয়োজন আৰু শিক্ষণ গতি অনুসৰি শিক্ষণ বিষয়বস্তু তৈয়াৰ কৰে, যিয়ে লেহেমীয়া আৰু দ্ৰুত শিকাৰু উভয়কে একেদৰেই সহায় কৰে। এআইয়ে ভাষা অনুবাদৰো সুবিধা প্ৰদান কৰিছে, আঞ্চলিক ভাষাত শিক্ষণ বিষয়বস্তু উপলব্ধ কৰিছে। এআই-ভিত্তিক টিউচন ব্যৱস্থাই তৎক্ষণাত মতামত প্ৰদান কৰে আৰু ২৪ ঘণ্টীয়া শিক্ষণ সমৰ্থন কৰে। DIKSHAৰ দৰে প্লেটফৰ্মেও এআই ব্যৱহাৰ কৰি বিভিন্ন গোটৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী আৰু সহজ শিক্ষামূলক বিষয়বস্তু প্ৰদান কৰিছে। চৰকাৰে আইআইটি মাদ্ৰাজত শিক্ষাত এআইৰ বাবে উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰিছে।





### বৃত্তিমূলক আৰু উদ্যোগ-সংলগ্ন প্ৰশিক্ষণ

- কৌশল ভাৰত মিছন আৰু SOAR পদক্ষেপৰ অধীনত ২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত ১.৩৪ লাখ ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত অংশীদাৰিত্বৰে এআই প্ৰস্তুতিৰ বাবে প্ৰশিক্ষণ দিয়া হ'ব।
- ভাৰতক অত্যাধুনিক ডিজিটেল প্ৰতিভা দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছে ফিউচাৰস্কিলছ প্ৰাইম কাৰ্যসূচী। এআই, বিগ ডাটা বিশ্লেষণ, চাইবাৰ সুৰক্ষা, ব্লকচেইন, ক্লাউড কম্পিউটিং, আৰু অন্যান্য উদীয়মান প্ৰযুক্তিৰ সৈতে দক্ষতা বিকাশ, পুনৰ দক্ষতা বিকাশ, উন্নত দক্ষতা বিকাশৰ সৈতে জড়িত পাঠ্যক্ৰম ইয়াত আগবঢ়োৱা হয়।
- অৰ্হতা আৰু আকাংক্ষা অনুসৰি দক্ষতা প্ৰমাণপত্ৰ http://futureskillsprime.in/ত লাভ কৰিব পাৰিব। আজিলৈকে ২৬.২ লাখ প্ৰাৰ্থীয়ে পঞ্জীয়ন কৰিছে, ইয়াৰে ১৬.৬ লাখ প্ৰাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে।
- স্কিল ইণ্ডিয়া ডিজিটেল হাবে বিভিন্ন শিক্ষাৰ্থীৰ দক্ষতা অনুসৰি নবীনৰ পৰা উন্নত পৰ্যায়লৈকে এআই আৰু মেচিন লাৰ্নিং পাঠ্যক্ৰম আগবঢ়ায়, যাতে প্ৰতিজন উচ্চাকাংক্ষী পেছাদাৰীয়ে এআই-কেন্দ্ৰিক কেৰিয়াৰ গঢ়িব পাৰে।




হিচাপেও চোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এআইৰ বাবে ভাৰতৰ মানৱ (MANAV) ভিজন উপস্থাপন কৰে। তেওঁ মানৱৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰে:

এম - মৰেল এণ্ড এথিকেল ছিষ্টেম: কৃত্ৰিম বুদ্ধিমত্তা নৈতিক দিশ নিৰ্দেশনাৰ ওপৰত আধাৰিত হ'ব লাগে।

এ - একাউণ্টেবল গভাৰ্ণেঞ্চ: স্বচ্ছ নিয়ম আৰু শক্তিশালী তদাৰকী।

এন - নেচনেল ছভাৰেণ্টি: তথ্য ইয়াৰ আচল মালিকৰ অধীন।

এ - এক্সেচিবল এণ্ড ইনক্লুছিভ: এআই একচেটিয়া নহয়, বৰং বহু ব্যাপ্ত হ'ব লাগে।

ভি - ভেলিড এণ্ড লেজিটিমেট: কৃত্ৰিম বুদ্ধিমত্তা আইনী আৰু পৰীক্ষাযোগ্য হ'ব লাগে।

প্ৰধানমন্ত্ৰী মোদীয়ে স্পষ্টভাৱে উল্লেখ কৰে যে একবিংশ শতিকাৰ এআই-চালিত পৃথিৱীখনত ভাৰতৰ মানৱীয় দৃষ্টিভংগী মানৱতাৰ মংগলৰ বাবে এক গুৰুত্বপূৰ্ণ যোগসূত্ৰ হৈ পৰিব। তেওঁ স্মৰণ কৰায়

প্ৰচ্ছদ নিবন্ধ

## উন্নত এআই প্ৰতিভা আৰু গৱেষণা পৰিৱেশতন্ত্ৰ

- ইণ্ডিয়া এআই মিছনৰ অধীনত ইণ্ডিয়া এআই ফিউচাৰ স্কিলছে স্নাতক, স্নাতকোত্তৰ, আৰু পিএইচডি ছাত্ৰ-ছাত্ৰীৰ বাবে ফেল'শ্বিপ আৰু বিশেষ দক্ষতা বৃদ্ধি পাঠ্যক্ৰমৰ জৰিয়তে এআই পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে।
- ইণ্ডিয়া এআই ফিউচাৰস্কিলছে ২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত ৫০০ পিএইচডি স্কলাৰ, ৫,০০০ স্নাতকোত্তৰ ছাত্ৰ, আৰু ৮,০০০ স্নাতক ছাত্ৰক সহায় কৰিছে। ইয়াৰ ফলত উদ্ভাৱনৰ প্ৰসাৰ ঘটিব।
- টিয়েৰ-২/৩ চহৰত ২৭টা ইণ্ডিয়া এআই ডাটা আৰু এআই লেব স্থাপন কৰা হৈছে যাতে এআই, ডাটা, আৰু আনুষংগিক ক্ষেত্ৰ যেনে ডাটা এনোটেচন, ডাটা কিউৰেচন, ডাটা ক্লিনিং, আৰু ডাটা ছাইঞ্চ পাঠ্যক্ৰম আগবঢ়াব পাৰে।
- সমগ্ৰ দেশৰ আইটিআই আৰু পলিটেকনিক প্ৰতিষ্ঠানসমূহত ৫৪৩টা অতিৰিক্ত ইণ্ডিয়া ২এআই ডাটা আৰু এআই লেবক অনুমোদন জনোৱা হৈছে। ইয়াৰ দ্বাৰা মেট্ৰ'ৰ পৰিসৰ অতিক্ৰমি এআই ক্ষমতাৰ ন্যায্য বিতৰণ নিশ্চিত হ'ব।




## বিত্ত আৰু বাণিজ্যত এআই

*বেংকিং চেটবটে বেলেঞ্চ চেক আৰু ফাণ্ড ট্ৰেন্সফাৰৰ দৰে নিয়মীয়া সেৱাৰ বাবে ২৪/৭ সহায় আগবঢ়ায়, যাৰ ফলত অপেক্ষাৰ সময় হ্ৰাস পায়।*




- এআইয়ে বিত্তীয় সুৰক্ষা, অন্তৰ্ভুক্তি, আৰু সেৱাৰ দক্ষতা শক্তিশালী কৰিছে।
- এআই-চালিত ব্যৱস্থাই বাস্তৱ সময়ত জালিয়াতি ধৰা পেলায় আৰু ডিজিটেল লেনদেন সুৰক্ষিত কৰে।
- এআই-ভিত্তিক ক্ৰেডিট স্ক'ৰিঙে বেংকবিহীন আৰু কম সুবিধা পোৱা লোকৰ বাবে ঋণৰ সুবিধা বৃদ্ধি কৰে।
- এআই-চালিত ব্যক্তিগতকৰণে নিজৰ ইচ্ছাকৃত বিত্তীয় সামগ্ৰী আৰু পৰামৰ্শ প্ৰদান কৰে।

## শাসন আৰু জনসেৱাত এআই

- এআইয়ে ৰাজহুৱা সেৱাৰ কাৰ্যক্ষমতা, সুলভতা আৰু স্বচ্ছতা বৃদ্ধি কৰিছে।
- আদালতৰ ৰায়দানসমূহ স্থানীয় ভাষালৈ এআই-সহায়ক অনুবাদে ন্যায়ৰ সুবিধা লাভ উন্নীত কৰে।
- এআইয়ে আঁচনি আৰু আবেদনৰ বাবে প্ৰক্ৰিয়াকৰণৰ সময় হ্ৰাস কৰে। ন্যায়পালিকাৰ ক্ষেত্ৰত এআইয়ে গোচৰ ব্যৱস্থাপনা আৰু আইনী সুবিধা লাভ উন্নীত কৰে।

*এআইয়ে ট্ৰেফিক, আৱৰ্জনা ব্যৱস্থাপনা, আৰু জনসাধাৰণৰ সুৰক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰিছে।*



যে দশক দশক আগতে যেতিয়া প্ৰথমবাৰৰ বাবে ইণ্টাৰনেটৰ প্ৰচলন হৈছিল, তেতিয়া কোনেও কল্পনাই কৰা নাছিল যে ইয়াৰ দ্বাৰা কিমান চাকৰিৰ সৃষ্টি হ'ব। আজি এআইৰ ক্ষেত্ৰতো একেই কথা, কিয়নো ভৱিষ্যতে কেনেধৰণৰ চাকৰিৰ সৃষ্টি হ'ব সেই কথা আগতেই কোৱাটো কঠিন। এআইৰ ব্যৱহাৰে ইয়াৰ ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰিব, আৰু এই প্ৰসংগত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এআইৰ কামৰ ভৱিষ্যৎ পূৰ্বনিৰ্ধাৰিত নহয়, বৰঞ্চ সামূহিক সিদ্ধান্ত আৰু কাৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰিব। এই মঞ্চৰ পৰাই ভাৰতে এই বাৰ্তা প্ৰেৰণ কৰিলে যে যেতিয়া সঠিক সময়ত, সঠিক উদ্দেশ্যৰে সঠিক সিদ্ধান্ত লোৱা হ'ব তেতিয়াহে এআইৰ প্ৰকৃত প্ৰভাৱ দৃশ্যমান হ'ব।

### 'এআই ফৰ অল'ৰ সহায়ত উন্নত ভাৰত নিৰ্মাণ

'এআই ফৰ অল' (সকলোৰে বাবে এআই) মনোভাৱৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতে এআইৰ সম্ভাৱনাক সম্পূৰ্ণৰূপে লাভৱান কৰিবলৈ চৰকাৰী কাৰ্যসূচী স্থাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগী স্পষ্ট যে এআই কেৱল বৃহৎ কোম্পানীসমূহৰ বাবে নহয়;

## ঘূৰ্ণীবতাহৰ নিৰীক্ষণ

- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধুমুহা আৰু ঘূৰ্ণীবতাহৰ নিৰীক্ষণৰ বাবে উপগ্ৰহ ভিত্তিক কৃত্ৰিম বুদ্ধিমত্তাৰ সঁজুলি ব্যৱহাৰ কৰে। উন্নত দ্বৰাক কৌশলে ধুমুহাৰ শক্তি নিৰ্ণয় কৰাত সহায় কৰে। আইএমডিয়ে ইউৰোপীয় চেণ্টাৰ ফৰ মিডিয়াম-ৰেঞ্জ ৰেদাৰ ফৰকাষ্টিঙৰ পৰাও এআই ভিত্তিক নিৰ্দেশনা ব্যৱহাৰ কৰে।

*ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয়ে ২২টা পেটাফ্লপৰ বিশাল ক্ষমতাৰ উচ্চ শক্তিৰ কম্পিউটিং ছিষ্টেম (ছুপাৰ কম্পিউটাৰ) স্থাপন কৰিছে। এই ব্যৱস্থাৰ প্ৰায় ১০ শতাংশ কেৱল এআই কামৰ বাবে ব্যৱহাৰ কৰা হয়।*




- ইয়াৰ উপৰিও, বতৰ পূৰ্বাভাসৰ ক্ষেত্ৰত এআই আৰু মেচিন লাৰ্নিং গৱেষণাৰ বাবে নিৰ্দিষ্ট গ্ৰাফিক্স প্ৰচেছিং ইউনিট স্থাপন কৰা হৈছে।
- এই শক্তিশালী ব্যৱস্থাসমূহে অধিক সঠিক বতৰ পূৰ্বাভাসৰ আৰ্হি প্ৰস্তুত কৰাত সহায় কৰে।





## ভূমিস্খলন, বানপানী, আৰু হিমবাহৰ নিৰীক্ষণ

- ভাৰতত বিকশিত কৰা থলুৱা এআই ভিত্তিক ভূমিস্খলনৰ সতৰ্কবাণী ব্যৱস্থাই এতিয়া ভূমিস্খলনৰ তিনি ঘণ্টা আগতে সতৰ্কবাণী প্ৰদান কৰে। ইয়াৰ সঠিকতা ৯০ শতাংশৰ ওপৰত। ইয়াক হিমাচল প্ৰদেশৰ ৬০ৰো অধিক স্থানত নিয়োগ কৰা হৈছে।
- ইছৰো (২০২১-২৪)ৰ দ্বাৰা আবণ্টিত পুঁজিৰে চলি থকা ভাৰতীয় ভূমি তথ্য সমাবেশন ব্যৱস্থাই (আইএলডিএএছ) ভূমিৰ অৱস্থা আৰু বানপানী প্ৰৱণ অঞ্চলৰ সঠিক ভৱিষ্যদ্বাণী কৰিবলৈ ৰিমʼট চেন্সিং আৰু বিশেষ কম্পিউটাৰ মডেল ব্যৱহাৰ কৰে।
- ব্ৰহ্মসতৰ্ক (BrahmaSATARK)ই ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ বাবে বানপানীৰ পূৰ্বাভাস প্ৰদান কৰে, আনহাতে জিবিএম-ক্লাইম্পেক্ট (GBM-CLIMPACT) হৈছে গংগা, ব্ৰহ্মপুত্ৰ আৰু মেঘনা অৱবাহিকাত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আৰু জল খণ্ডৰ প্ৰস্তুতিৰ মূল্যায়ন কৰা এটা সঁজুলি।
- লগতে এআই-ভিত্তিক ব্যৱস্থাসমূহে সময়মতে বিপদৰ সতৰ্কবাণী প্ৰদান কৰি উদ্ধাৰ কাৰ্যৰ পৰিকল্পনাত সহায় কৰে।
- এআইয়ে অট্টালিকা আৰু আন্তঃগাঁথনিৰ ক্ষতি হ্ৰাস কৰাত সহায় কৰিব পাৰে, যেনে বিদ্যুৎ আৰু পানী। জলবায়ু পৰিৱৰ্তনৰ বাবে দুৰ্যোগপূৰ্ণ হʼবপৰা অঞ্চলত বাস কৰা সম্প্ৰদায়সমূহক সুৰক্ষিত কৰিব পাৰে।

ভাৰতৰ বাবে এআই মানে সকলোৰে বাবে এআই। ভাৰতত এআইৰ গণতান্ত্ৰিককৰণে সমাৱেশী উন্নয়নৰ নতুন ভেটি স্থাপন কৰিছে।

এতিয়া এখন উন্নত ভাৰতৰ যাত্ৰাত এআই ফৰ অল এক গুৰুত্বপূৰ্ণ স্তম্ভ। ভাৰতে এআইক গণতান্ত্ৰিক কৰি তুলিছে, অৰ্থাৎ সুলভ মূল্যত কম্পিউটিং শক্তি আৰু মুক্ত তথ্যৰ সহজ প্ৰাপ্তি। এআইক গণতান্ত্ৰিক কৰাৰ অৰ্থ হʼল এআইৰ ক্ষমতা, সঁজুলি আৰু সুবিধাসমূহৰ ন্যায্য বিতৰণ। ই কেৱল মুষ্টিমেয় টেক বিশেষজ্ঞ বা কোম্পানীত সীমাবদ্ধ থাকিব নালাগে, বৰঞ্চ এআইৰ দৰে বিশেষ প্ৰযুক্তিৰ সুবিধা যাতে প্ৰতিটো ষ্টাৰ্টআপ, প্ৰতিজন গৱেষক, প্ৰতিজন ছাত্ৰ, আৰু প্ৰতিখন ৰাজ্যৰ মাজলৈ যায়, সেইটো নিশ্চিত কৰা উচিত। সেয়েহে ইণ্ডিয়া এ আই মিছনৰ জৰিয়তে ভাৰতে এআই গৱেষণা, দক্ষতা, আৰু কম্পিউটিং আন্তঃগাঁথনি দেশৰ চুক-কোণলৈ সম্প্ৰসাৰণ কৰি আছে। ডাটা চেণ্টাৰৰ পৰা আৰম্ভ কৰি ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিলৈকে ভাৰতে এক শক্তিশালী এআই পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে, যাৰ প্ৰভাৱ কাৰ্যক্ষেত্ৰত দেখা গৈছে। এআইয়ে কৃষকসকলক বতৰৰ সঠিক তথ্য,

প্ৰচ্ছদ নিবন্ধ



## জলবায়ু আৰু বতৰৰ ভৱিষ্যদ্বাণীৰ বাবে নতুন এআই সঁজুলি

- মৌচম জিপিটি নামৰ এটা এআই চেটবট প্ৰস্তুত কৰা হৈছে যিয়ে কৃষক আৰু আনক জলবায়ু আৰু বতৰৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰিব।
- বৰষুণৰ ধৰণৰ পূৰ্বাভাস আৰু ভৱিষ্যদ্বাণী কৰিবলৈ এআই গৱেষণা চলি আছে।
- এতিয়া এআই ব্যৱহাৰ কৰি জুই, কুঁৱলী, বিজুলী, আৰু ধুমুহাৰ ভৱিষ্যদ্বাণী কৰা হৈছে।
- গভীৰ শিক্ষণ কৌশলে বতৰৰ বৰষুণৰ ভৱিষ্যদ্বাণীৰ সঠিকতা

### এআইৰ সহায়ত ভাৰতৰ পৰিৱৰ্তন

ভাৰত এআই মিছনৰ বাবে পাঁচ বছৰত ১০,৩০০ কোটি টকাতকৈ অধিক আবণ্টন দিয়া হৈছে, আৰু ৩৮,০০০ গ্ৰাফিক্স প্ৰচেছিং ইউনিট (জিপিইউ) য়ে সমাৱেশী উদ্ভাৱন সক্ষম কৰি তুলিছে।

**৬০** লাখ লোকে প্ৰযুক্তি আৰু এআই পৰিৱেশ তন্ত্ৰত কাম কৰি আছে।

ভাৰতীয় প্ৰযুক্তি খণ্ডৰ ৰাজহ চলিত বৰ্ষত ২৮০ বিলিয়ন ডলাৰ অতিক্ৰম কৰিব বুলি প্ৰক্ষেপ কৰা হৈছে।

**১.৭** ট্ৰিলিয়ন ডলাৰ এআইৰ বাবে ২০৩৫ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতিত যোগ হোৱাৰ সম্ভাৱনা আছে।



## দৈনন্দিন জীৱন আৰু কৰ্মত এআই

- এআই উদ্ভাৱনৰ এক নতুন ঢৌ চলি আছে, যিয়ে স্বাস্থ্যসেৱা আৰু কৃষিৰ পৰা আৰম্ভ কৰি শিক্ষা, শাসন, আৰু জলবায়ুৰ পূৰ্বাভাসলৈকে দৈনন্দিন জীৱনৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলাইছে।
- ই চিকিৎসকসকলক ৰোগ দ্ৰুতভাৱে নিৰ্ণয় কৰাত সহায় কৰে, কৃষকসকলক তথ্য-চালিত সিদ্ধান্ত লোৱাত সহায় কৰে, ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ উন্নত কৰে, আৰু শাসন ব্যৱস্থাক অধিক কাৰ্যক্ষম আৰু স্বচ্ছ কৰি তোলে।
- এই ৰূপান্তৰৰ মূলতে আছে লাৰ্জ লেংগুৱেজ মডেল (LLM)। ই এক উন্নত এআই ব্যৱস্থা যিয়ে বিপুল পৰিমাণৰ তথ্যৰ পৰা শিকি মানুহৰ দৰে লেখা বুজে আৰু সৃষ্টি কৰে।
- ভাৰতৰ এআই পদ্ধতি কেৱল প্ৰযুক্তিৰ মাজতে সীমাবদ্ধ নহয়। ইয়াত অন্তৰ্ভুক্তি আৰু সৰলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় পদক্ষেপ আৰু বিশ্বব্যাপী সহযোগিতাৰ জৰিয়তে বাস্তৱ জগতৰ প্ৰত্যাহ্বানসমূহ সমাধান, ৰাজহুৱা সেৱাৰ উন্নতি আৰু প্ৰতিজন নাগৰিকৰ বাবে সুযোগসমূহ অধিক সুলভ কৰি তোলাৰ বাবে এআই ব্যৱহাৰ কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীক ব্যক্তিগতকৃত শিক্ষণ, চিকিৎসকক নিখুঁত নিদান আৰু ষ্টাৰ্টআপসমূহক বিশ্বব্যাপী প্ৰতিযোগিতাৰ শক্তি প্ৰদান কৰি আছে। ভাৰতৰ সংকল্প সকলোৰে বাবে এআই। ভাৰতৰ দ্বাৰা এআই মানে হৈছে বিশ্বৰ বাবে এআই, আৰু এয়াই হৈছে এআই আন্তঃগাঁথনিৰ প্ৰকৃত গণতান্ত্ৰিককৰণ। এইটোৱেই হৈছে নতুন ভাৰতৰ পৰিচয়, য'ত মানৱতাৰ কল্যাণৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত উন্নয়ন কেন্দ্ৰীয়। বিশ্বৰ আন দেশৰ তুলনাত ভাৰতৰ এআই বিপ্লৱ অনন্য। ইয়াত কেৱল অৰ্থনৈতিক লাভৰ বাবেই নহয়, সামাজিক পৰিৱৰ্তনৰ এক শক্তিশালী আহিলা হিচাপেও এআই গ্ৰহণ কৰা হৈছে।

### মানৱকেন্দ্ৰিক প্ৰযুক্তিৰ দিশত আগবাঢ়িছে ভাৰত

ইণ্ডিয়া এআই ইমপেক্ট ছামিট ২০২৬ কেৱল এক অনুষ্ঠান নহয়, মানৱতা আৰু সমাজৰ সৈতে প্ৰযুক্তিক সংযোগ কৰা নতুন ভাৰতৰ দৃষ্টিভংগী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰম্ভ কৰা ভাৰতৰ ডিজিটেল ৰূপান্তৰ যাত্ৰা এতিয়া কৃত্ৰিম বুদ্ধিমত্তা (এআই)ৰ বৃহত্তৰ দৃষ্টিভংগীলৈ বিকশিত হৈছে। সহজ ভাষাত ক'বলৈ গ'লে এআই

## কৃত্ৰিম বুদ্ধিমত্তা-শক্তিশালী ভাৰত

# এআইৰ আশংকা হ্ৰাস কৰিবলৈ আইন

স্বয়ংক্ৰিয় সিদ্ধান্তত এআইৰ ক্ৰমবৰ্দ্ধিত ব্যৱহাৰে বিভ্ৰান্তি, পক্ষপাতিত্ব, ভুল তথ্য, আৰু ডিপফেকৰ দৰে ভাবুকিৰ সৃষ্টি কৰিছে। ভাৰতে বিশ্বাস কৰে যে এই প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ আইন প্ৰণয়নৰ লগতে নতুন আৰু উন্নত প্ৰযুক্তিৰে এআই শাসনক সৰলীকৰণ কৰাটো প্ৰয়োজনীয়, যাতে এটা ফলপ্ৰসূ আৰু সুৰক্ষিত ব্যৱস্থা নিশ্চিত কৰিব পৰা যায়...

### তথ্য প্ৰযুক্তি আইন, ২০০০

- ডিপফেকৰ জৰিয়তে ভুল তথ্য, প্ৰৱঞ্চনা, বা পৰিচয় চুৰিৰ সৈতে জড়িত অপৰাধ, প্ৰৱঞ্চনাৰ বাবে কম্পিউটাৰ ব্যৱহাৰ, আৰু সন্মতি অবিহনে কোনো ব্যক্তিৰ ব্যক্তিগত পৰিসৰৰ ছবি ধৰি ৰখা, প্ৰকাশ বা প্ৰেৰণ কৰা আদিৰ সৈতে জড়িত অপৰাধসমূহৰ সৈতে মোকাবিলা কৰাৰ ব্যৱস্থা কৰা হৈছে।
- ডিপফেক প্ৰযুক্তি ব্যৱহাৰ কৰি সৃষ্টি কৰিব পৰা অশ্লীল বস্তু প্ৰকাশ বা প্ৰেৰণ কৰাটো শাস্তিযোগ্য অপৰাধ বুলি ঘোষণা কৰা হৈছে।

### ভাৰতীয় ন্যায় সংহিতা, ২০২৩

- বিএনএছৰ ৰৰৰ নং ধাৰাত সংগঠিত অপৰাধ ছিণ্ডিকেটৰ সদস্য হিচাপে বা এনে ছিণ্ডিকেটৰ হৈ অৰ্থনৈতিক অপৰাধ আৰু চাইবাৰ অপৰাধকে ধৰি যিকোনো অবৈধ কাৰ্যকলাপত লিপ্ত হোৱা যিকোনো ব্যক্তি বা ব্যক্তিৰ গোটক শাস্তিৰ ব্যৱস্থা কৰা হৈছে।
- বিএনএছৰ পৃথক অংশসমূহে মানহানি, জালিয়াতি, আৰু চাইবাৰ অপৰাধৰ বিষয়েও আলোচনা কৰে।



### ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩




- ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩ আৰু ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা অধিনিয়ম, ২০২৫ৰ ১৩ নৱেম্বৰ, ২০২৫ তাৰিখে অধিসূচনা কৰা হৈছিল।
- এই আইনখনে ডাটা ন্যাসৰক্ষীসকলক ডিজিটেল ব্যক্তিগত ডাটা সুৰক্ষিত কৰাৰ দায়িত্ব অৰ্পণ কৰে আৰু তেওঁলোকক জবাবদিহি কৰে।
- ই নাগৰিকসকলক তেওঁলোকৰ তথ্যৰ ওপৰত নিয়ন্ত্ৰণ প্ৰদান কৰে। কোনো সংস্থাই সন্মতি অবিহনে তথ্য ব্যৱহাৰ কৰিব নোৱাৰে।
- SPDI নিয়মাৱলী মতে, তথ্য কেৱল উল্লিখিত উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিব লাগিব। কোনো তৃতীয় পক্ষক তথ্য প্ৰদান কৰাৰ আগতে পূৰ্ব সন্মতিৰ প্ৰয়োজন।

হৈছে এনে প্ৰযুক্তি যিয়ে মেচিনক চিন্তা কৰিবলৈ আৰু শিকিবলৈ ক্ষমতা প্ৰদান কৰে। মানুহে যেনেকৈ অভিজ্ঞতাৰ পৰা শিকে, আৰ্হি চিনি পায় আৰু সিদ্ধান্ত লয়, এআই ব্যৱস্থাইও তথ্যৰ ভিত্তিত শিকে আৰু সিদ্ধান্ত লয়। উদাহৰণস্বৰূপে আপোনাৰ মোবাইল ফোনত ফেচ আনলক, গুগল মেপত ট্ৰেফিক তথ্য, অনলাইন বজাৰ কৰাৰ বাবে পৰামৰ্শ, আৰু চেটবটৰ পৰা সঁহাৰি-এই সকলোবোৰ এআইৰ ৰূপ। মেচিন লাৰ্নিং, গভীৰ শিক্ষণ আৰু প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণ ব্যৱস্থাই কম্পিউটাৰক ভাষা বুজিবলৈ, ছবি চিনাক্ত কৰিবলৈ আৰু ভৱিষ্যদ্বাণী কৰিবলৈ সক্ষম কৰে। আজি এআই কেৱল সুবিধা নহয়, বিকাশৰ ইঞ্জিন। বিশ্বজুৰি আগন্তুক বছৰবোৰত এআইয়ে বিশ্ব অৰ্থনীতিলৈ কোটি কোটি ডলাৰৰ অৱদান আগবঢ়াব বুলি অনুমান কৰা হৈছে। ঔদ্যোগিক স্বয়ংক্ৰিয়কৰণ হওক, দ্ৰুত উৎপাদন হওক, খৰচ হ্ৰাস হওক, বা উন্নত সেৱাই হওক, এআইয়ে লাখ লাখ কোটি তথ্য ছেকেণ্ডতে বিশ্লেষণ কৰে। ই জীৱন-যাপনৰ স্বাচ্ছন্দ্য উন্নীত কৰে। চিকিৎসালয়ত ৰোগ নিৰ্ণয় কৰাই হওক, কৃষকক বতৰৰ সঠিক তথ্য প্ৰদান কৰাই হওক বা ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা সহজ কৰি

## আই টি অধিনিয়ম, ২০২১

- আইটি অধিনিয়মসমূহে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহত নিৰ্দিষ্ট আইনী বাধ্যবাধকতা আৰোপ কৰে যাতে তেওঁলোকৰ জবাবদিহিতা নিশ্চিত কৰিব পাৰি। ইয়াৰ ভিতৰত ভুল তথ্য, মিছা তথ্য, আৰু ডিপফেক আঁতৰাবলৈ তাৎক্ষণিক ব্যৱস্থা লোৱাটো অন্তৰ্ভুক্ত।
- মধ্যস্থতাকাৰীসকলে তেওঁলোকৰ আইনী বাধ্যবাধকতাসমূহ পালন নকৰাৰ ক্ষেত্ৰত তেওঁলোকে বৰ্তমানৰ আইনসমূহৰ অধীনত ব্যৱস্থা বা বিচাৰৰ বাবে দায়বদ্ধ হ'ব।
- মধ্যস্থতাকাৰীসকলৰ বাবে অভিযোগ নিৰাময় ব্যৱস্থা স্থাপন কৰা হৈছে, যিয়ে অন্যান্য বিষয়ৰ লগতে ভুক্তভোগীক প্ৰভাৱিত কৰা বিকৃত বা কৃত্ৰিমভাৱে সৃষ্টি কৰা ছবিৰ সৈতে জড়িত যিকোনো অভিযোগৰ সমাধানৰ বাবে ২৪ ঘণ্টাৰ সময়সীমা প্ৰদান কৰে।

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে চাইবাৰ অপৰাধৰ বাতৰি প্ৰকাশৰ বাবে এটা নিৰ্দিষ্ট পৰ্টেল (cybercrime.gov.in) মুকলি কৰিছে। ১৯৩০ নং টোল ফ্ৰী নম্বৰতো ফোন কৰিব পাৰিব। ভাৰতে প্ৰযুক্তিগত সমাধানৰ সৈতে আইনী সুৰক্ষাৰ সংমিশ্ৰণ ঘটাইছে। ডিপফেক ধৰা পেলোৱা, গোপনীয়তা বৃদ্ধি, আৰু চাইবাৰ সুৰক্ষাৰ বাবে এআই সঁজুলিৰ বিকাশ ঘটাবলৈ গৱেষণা আৰু উন্নয়ন প্ৰকল্পৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজি (আইআইটি)ৰ দৰে আগশাৰীৰ প্ৰতিষ্ঠানত চৰকাৰে আৰ্থিক সহায় আগবঢ়াইছে।



## নিৰাপদ আৰু বিশ্বাসযোগ্য এআইৰ অধিক পদক্ষেপ

- ভাৰত এআই সুৰক্ষা প্ৰতিষ্ঠানে বিভিন্ন অংশীদাৰৰ মাজত এআই সুৰক্ষা, নিৰাপত্তা, আৰু বিশ্বাস গঢ়ি তোলাৰ বাবে কাম কৰি আছে।
- একাডেমী, ষ্টাৰ্টআপ, উদ্যোগ, আৰু চৰকাৰী সংস্থাসমূহকে ধৰি অংশীদাৰসকলে এটা হাব-এণ্ড-স্পক মডেলৰ জৰিয়তে সংযোগ স্থাপন কৰে।
- দায়িত্বশীল এআইক কেন্দ্ৰ কৰি সঁজুলি আৰু কাঠামো বিকশিত কৰা হৈছে, ১০টা বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি।
- আঠটা দায়িত্বশীল এআই প্ৰকল্প চলি আছে, য'ত মেচিন আনলাৰ্নিং, এআই পক্ষপাতিত্ব প্ৰশমন, গোপনীয়তা-বৰ্ধক সঁজুলি, এআই শাসন পৰীক্ষণ আদি সামৰি লোৱা হৈছে।
- ৱাটাৰমাৰ্কিং, নীতিগত এআই, বিপদ মূল্যায়ন, মানসিক চাপ পৰীক্ষা আৰু ডিপফেক ধৰা পেলোৱা সঁজুলিৰ দৰে মূল বিষয়সমূহৰ ওপৰতো অতিৰিক্ত প্ৰকল্পসমূহৰ মূল্যায়ন কৰা হৈছে।

## চাৰিটা এআই চেণ্টাৰ অৱ এক্সেলেন্স

ভাৰতত এআইৰ বিকাশ আৰু এআইৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাৰ্থ সেৱা কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ ঘোষণাৰ পিছত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান বেংগালুৰু, আইআইটি কানপুৰ, আৰু আইআইটি ৰোপাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ তিনিটা উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰিছে। এই তিনিটা কেন্দ্ৰৰ বাবে মুঠ বাজেট ৯৯০ কোটি টকা আবণ্টন দিয়া হৈছে। ইয়াৰ পিছত ২০২৫-২৬ চনৰ বাজেটত ঘোষণা কৰা অনুসৰি আইআইটি মাদ্ৰাজত ৫০০ কোটি টকা ব্যয় সাপেক্ষে কৃত্ৰিম বুদ্ধিমত্তাৰ উৎকৃষ্টতা কেন্দ্ৰ স্থাপন কৰা হৈছে।



তোলাই হওক, এআইয়ে ইয়াক সহজ কৰি তোলে।

প্ৰধান দেশসমূহে এআইত প্ৰচুৰ বিনিয়োগ কৰিছে। টেক কোম্পানীসমূহে বৃহৎ এআই মডেল প্ৰস্তুত কৰি আছে। ৰবটিক্স, অটোমেচন, ডাটা বিশ্লেষণ, আৰু প্ৰতিৰক্ষা আৰু চাইবাৰ সুৰক্ষাত এআইৰ ব্যৱহাৰৰ অগ্ৰগতিৰ লগে লগে এইটো স্পষ্ট যে এআইত পাৰদৰ্শিতা দেখুওৱা দেশসমূহে ভৱিষ্যতে অৰ্থনীতিক নেতৃত্ব দিব। ভাৰতে জি-২০ৰ দৰে বিশ্বব্যাপী মঞ্চত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু এআইৰ বিষয় উত্থাপন কৰিছে। ভাৰতৰ দৃষ্টিভংগী স্পষ্ট যে এআই কেইখনমান দেশৰ একচেটিয়া ডমেইন হ'ব নালাগে; উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বাবেও ই এক সুযোগ হ'ব লাগে। ভাৰতে চলিত দশকক টেকেড বুলি ভাবে। এই দশকত ভাৰতে প্ৰযুক্তিৰ ক্ষেত্ৰত যি কাম কৰি আছে, সেয়াই ইয়াৰ একবিংশ শতিকাৰ শক্তিৰ ভেটি গঠন কৰিব। সেউজ শক্তি, মহাকাশ প্ৰযুক্তি, ডিজিটেল প্ৰযুক্তি,

## এআই-ভিত্তিক ষ্টাৰ্টআপসমূহৰ বাবে সমৰ্থন

- দেশত কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে জড়িত ১০০ৰো অধিক ষ্টাৰ্টআপক স্বীকৃতি দিয়া হৈছে।
- ইউৰোপত ১০টা ভাৰতীয় এআই ষ্টাৰ্টআপক সম্প্ৰসাৰণ কৰাত সহায় কৰিবলৈ ষ্টেচন এফ আৰু এইচইচি পেৰিছৰ সৈতে ইণ্ডিয়া এআই ষ্টাৰ্টআপ গ্ল'বেল প্ৰগ্ৰেম আৰম্ভ কৰা হৈছে।
- চাইবাৰ সুৰক্ষাৰ ক্ষেত্ৰত দায়িত্বশীল এআই আৰু এআইৰ দৰে ক্ষেত্ৰত কাম কৰা এই ষ্টাৰ্টআপসমূহে বৰ্তমান ষ্টেচন এফত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।
- প্ৰশিক্ষণ গ্ৰহণ কৰা কিছুমান ষ্টাৰ্টআপ হৈছে গোপনীয়তা বৃদ্ধি কৰা এআই আৰু নিৰাপদ ব্লিংক, যিয়ে এআই-চালিত চাইবাৰ সুৰক্ষা, চোৰাচিতা, এআই ব্যৱহাৰ কৰি পৃথিৱী পৰ্যবেক্ষণ, আৰু ঔদ্যোগিক পৰিদৰ্শনৰ বাবে এআইৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## যুৱ শক্তি আৰু এআই...
## শিক্ষা আৰু প্ৰশিক্ষণ পৰিৱেশ তন্ত্ৰ

ভাৰতৰ ৬৫%তকৈ অধিক জনসংখ্যা ৩৫ বছৰৰ তলৰ। এই যুৱক-যুৱতীসকলো ভাৰতৰ ডিজিটেল আৰু উদ্ভাৱন কৌশলৰ কেন্দ্ৰবিন্দু। ভাৰতে যুৱক-যুৱতীসকলৰ নিয়োগযোগ্যতা আৰু দক্ষতা বৃদ্ধিৰ বাবে এআইক এক অপৰিহাৰ্য আহিলা বুলি গণ্য কৰে। এআই শিক্ষা আৰু দক্ষতাক নতুন গতি দিবলৈ ভাৰত চৰকাৰে স্কুল শিক্ষা, বৃত্তিমূলক প্ৰশিক্ষণ, উচ্চ শিক্ষা, গৱেষণা ফেল'শ্বিপ আৰু উদ্যোগৰ সৈতে কাম কৰি এআইক ত্বৰান্বিত কৰাৰ বাবে এক বৃহৎ এআই প্ৰতিভাৰ পাইপলাইন সৃষ্টি কৰিছে...

## এআই দক্ষতা আৰু নতুন সুযোগ

- বিশ্ব বেংকৰ দক্ষিণ এছিয়া উন্নয়ন প্ৰতিবেদন অনুসৰি দক্ষিণ এছিয়াত ভাৰতত সৰ্বাধিক এআই সম্পৰ্কীয় চাকৰিৰ সুযোগ আছে। ২০২৫ চনত হোৱাইট কলাৰ চাকৰিৰ তালিকাৰ ৫.৮% এআই বিশেষজ্ঞতাৰ প্ৰয়োজন আছিল, বেংগালুৰু (এআই চাকৰিৰ ১১% অংশ) আৰু হায়দৰাবাদৰ সৈতে (৯.৫৭%), তাৰ পিছতে মহাৰাষ্ট্ৰৰ পুনে (৬.৯৫%) আৰু চেন্নাই (৬.৬২%)।
- এআই সম্পৰ্কীয় চাকৰিসমূহতো উচ্চ দৰমহা বৃদ্ধিৰ সন্মুখীন হৈছে। এটা বিশ্ব এআই দক্ষতা আৰু নতুন সুযোগৰ মতে বেংকৰ প্ৰতিবেদন অনুসৰি ডিজিটেল দক্ষতাৰ প্ৰয়োজনীয় চাকৰিসমূহে গড় দৰমহাৰ প্ৰিমিয়াম ১২% প্ৰদান কৰে, আনহাতে এআই-কেন্দ্ৰিক চাকৰিসমূহে ২৮% পৰ্যন্ত প্ৰিমিয়াম প্ৰদান কৰে।
- ২০২৩ চনৰ জানুৱাৰীৰ পৰা ২০২৫ চনৰ মাৰ্চৰ ভিতৰত দক্ষিণ এছিয়াত এআই সম্পৰ্কীয় চাকৰিৰ পোষ্টিং সকলো পদৰ ২.৯%ৰ পৰা ৬.৫%লৈ বৃদ্ধি পাইছে। এআই দক্ষতাৰ চাহিদা অ-এআই ভূমিকাতকৈ ৭৫ক্ষ দ্ৰুতগতিত বৃদ্ধি পাইছে।
- ষ্টেনফৰ্ড এআই সূচকাংক প্ৰতিবেদন ২০২৫ য়ে দেখুৱাইছে যে ভাৰতে এআই প্ৰতিভা আহৰণৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে আগবাঢ়ি আছে, বাৰ্ষিক নিযুক্তিৰ হাৰ প্ৰায় ৩৩%। তদুপৰি একেধৰণৰ বৃত্তিত এআই দক্ষতাৰ অনুপ্ৰৱেশ বিশ্বৰ গড়তকৈ ২.৫ গুণ বেছি।



> মানৱ ইতিহাসত প্ৰতি কেইটামান শতিকাৰ পাছত এটা টাৰ্ণিং পইণ্ট আহে আৰু সেই টাৰ্ণিং পইণ্টটোৱে সভ্যতাৰ দিশটো পুনৰ নিৰ্ধাৰণ কৰে। তাৰ পৰাই উন্নয়নৰ গতি সলনি হয় আৰু চিন্তা, বুজাবুজি আৰু কামৰ আৰ্হি সলনি হয়।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

উৎপাদন প্ৰযুক্তি, বা কৃত্ৰিম বুদ্ধিমত্তাই হওক ভাৰতে মানৱতাৰ ভৱিষ্যৎ গঢ় দিয়া প্ৰতিটো প্ৰযুক্তিতে অভূতপূৰ্ব বিনিয়োগ কৰিছে। এই চিন্তাৰ ফলস্বৰূপে কৃত্ৰিম বুদ্ধিমত্তা ভাৰতৰ উন্নয়ন যাত্ৰাৰ এক কেন্দ্ৰীয় স্তম্ভত পৰিণত হৈছে। ই সুশাসন শক্তিশালী কৰা, ৰাজহুৱা সেৱাৰ প্ৰদানৰ উন্নতি কৰা, আৰু বিস্তৃত দৰ্শকৰ মাজলৈ যাব পৰা সমাধান সক্ষম কৰে। মানৱ প্ৰগতি সদায় প্ৰযুক্তিৰ দ্বাৰা গঢ় লৈ আহিছে। বিদ্যুতে দৈনন্দিন জীৱন আৰু কৰ্মৰ পৰিৱৰ্তন ঘটালে,




*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

কম্পিউটাৰে তথ্য প্ৰক্ৰিয়াকৰণৰ ধৰণক ৰূপান্তৰিত কৰিলে, ইণ্টাৰনেটে সীমান্তৰ সিপাৰে মানুহ আৰু ব্যৱস্থাক সংযোগ কৰিলে আৰু মোবাইল ফোনে প্ৰযুক্তি প্ৰত্যক্ষভাৱে নাগৰিকৰ হাতত তুলি দিলে। এই ভেটিসমূহৰ ওপৰত এআইয়ে নিৰ্মাণ কৰিছে আৰু এতিয়া মানুহৰ সৈতে কাম কৰি কৃষি, স্বাস্থ্যসেৱা, শিক্ষা, উৎপাদন, জলবায়ু সুৰক্ষা আৰু শাসনৰ দৰে খণ্ডসমূহক ৰূপান্তৰিত কৰিছে। ভাৰতৰ বাবে এআই সকলোৰে বাবে সুলভ আৰু ইয়াৰ সুবিধাসমূহ ব্যাপকভাৱে ভাগ কৰাটো নিশ্চিত কৰা। ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰতৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি ভাৰত এই দিশত আগবাঢ়িছে।

### এআইৰ যুগত ভাৰতৰ যুৱ শক্তি

যিকোনো দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে তাৰ নৱপ্ৰজন্মৰ ওপৰত। সেয়ে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে সাজু কৰি তোলাটো অতি প্ৰয়োজনীয়। ইয়াৰ ক্ষেত্ৰত দেশৰ শিক্ষা ব্যৱস্থাৰো মুখ্য ভূমিকা আছে। সেয়ে একবিংশ শতিকাৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ভাৰতৰ শিক্ষা ব্যৱস্থা আধুনিকীকৰণ কৰা হৈছে। বিশ্বৰ মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি ৰচনা কৰা নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ চনত প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ বাবে বিকশিত কৰা সকলো আন্তঃগাঁথনি এআই ভিত্তিক। আজি ভাৰত এআইৰ বিকাশ আৰু গ্ৰহণৰ ক্ষেত্ৰত আগশাৰীৰ দেশসমূহৰ ভিতৰত অন্যতম। ইয়াক সম্প্ৰসাৰণৰ বাবে চৰকাৰে আৰম্ভ কৰিছে ইণ্ডিয়া এআই মিছন। ইয়াক সম্প্ৰসাৰণৰ বাবে চৰকাৰে আৰম্ভ কৰিছে ইণ্ডিয়া এআই মিছন। ইয়াৰ ফলত বিশ্বমানৰ আন্তঃগাঁথনি,

### ভাৰতৰ ছুপাৰ কম্পিউটাৰ ক্ষমতা, যাতে এআইয়ে দ্ৰুত সমাধান প্ৰদান কৰিব পাৰে

- ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত ভাৰতে আজিলৈকে ৩৯টা পেটাফ্লপৰ মুঠ ক্ষমতাৰে ৩৭টা ছুপাৰ কম্পিউটাৰ নিৰ্মাণ আৰু কমিচন কৰিছে।
- এই ছুপাৰ কম্পিউটাৰসমূহ সমগ্ৰ দেশৰ শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আৰু গৱেষণা আৰু উন্নয়ন পৰীক্ষাগাৰত নিয়োজিত কৰা হয়।
- ৰাষ্ট্ৰীয় সুবিধা কেন্দ্ৰকে ধৰি আৰু ১০টা ছুপাৰ কম্পিউটাৰ কমিচন কৰাৰ কাম চলি আছে, য'ত ভাৰতৰ সৰ্ববৃহৎ এইচপিচি আৰু ২০টা পেটাফ্লপ ক্ষমতাৰ এআই চেটআপ আছে।
- আত্মনিৰ্ভৰশীলতাৰ বাবে ছাৰ্ভাৰ, হাইস্পিড ইণ্টাৰকানেক্ট, ছিষ্টেম ছফ্টৱেৰ ষ্টেক, ডাইৰেক্ট-টু-চিপ লিকুইড কুলিং প্ৰযুক্তিসহ বিভিন্ন স্বদেশী উপ-ঘটক বিকশিত কৰা হৈছে।
- স্বদেশী পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ স্বদেশী ছফ্টৱেৰ ষ্টেক আৰু দেশত ডিজাইন, বিকশিত আৰু নিৰ্মিত ৰুদ্ৰ ছিৰিজ ছাৰ্ভাৰ ব্যৱহাৰ কৰি বনোৱা হৈছে।

**৬,০০০**

ৰুদ্ৰ ছাৰ্ভাৰ স্থাপন কৰা হৈছে পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰত, লগতে ১৫০০ অধিক ছাৰ্ভাৰ মোতায়েন কৰি থকা হৈছে।







প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।



উচ্চমানৰ তথ্যৰ গোট, আৰু গৱেষণাৰ সুবিধাৰ সৃষ্টি হৈছে। ভাৰতত এআই চেণ্টাৰ অৱ এক্সেলেন্সৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। এই কেন্দ্ৰসমূহ দেশৰ বিখ্যাত প্ৰতিষ্ঠান, উদ্যোগ, আৰু ষ্টাৰ্টআপসমূহে ত্বৰান্বিত কৰি তুলিছে। মেক এআই ৱৰ্ক ফৰ ইণ্ডিয়াৰ ওপৰত চকু ৰাখি ভাৰতে মেক ইন ইণ্ডিয়া দৃষ্টিভংগীৰ দিশত কাম কৰি আছে। এই প্ৰযুক্তিগত যাত্ৰা সময়মতে সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰাৰ লগতে ভৱিষ্যতৰ প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰতক "বিশ্বৰ শ্ৰেষ্ঠ" দেশসমূহৰ ভিতৰত স্থান দিয়াৰ কাম চলি আছে। ভাৰতে জনসাধাৰণৰ সুবিধাৰ্থে কৃত্ৰিম বুদ্ধিমত্তাৰ এপ্লিকেচন প্ৰস্তুত কৰি আছে। ইয়াৰ বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে নিজাকৈ বৃহৎ ভাষাৰ আৰ্হি গঢ়ি তুলিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত যাতে সকলোৰে মংগলৰ বাবে হয় তাৰ বাবে ভাৰতে নিজৰ অভিজ্ঞতা আৰু বিশেষজ্ঞতা ভাগ-বতৰা কৰিবলৈ সাজু।

## ভাৰতৰ প্ৰস্তুতি: এটা শক্তিশালী ডিজিটেল ফাউণ্ডেশ্যন

ভাৰতে এআইৰ দিশত হঠাৎ অগ্ৰগতি লাভ কৰা নাছিল। বিগত দশকত ই নিজৰ ডিজিটেল ভেটি গঢ়ি তুলিছে। ডিজিটেল ইণ্ডিয়া মিছনে চৰকাৰী সেৱাসমূহ অনলাইনলৈ আনিছিল, ইণ্টাৰনেটক সুলভ কৰি তুলিছিল আৰু ডিজিটেল সবলীকৰণৰ ভেটি স্থাপন কৰিছিল। আধাৰ আৰু ডিজিটেল পৰিচয়ে প্ৰতিজন নাগৰিকক এটা ডিজিটেল পৰিচয় প্ৰদান কৰিছিল। ইয়াৰ দ্বাৰা চৰকাৰী আঁচনিৰ সুফল মানুহৰ ওচৰলৈ পোনপটীয়াকৈ পোৱাটো নিশ্চিত হৈছিল। ইউপিআইয়ে ডিজিটেল পেমেণ্ট সৰল কৰি তুলিলে আৰু আজি ক্ষুদ্ৰ দোকানীৰ পৰা আৰম্ভ কৰি বৃহৎ ব্যৱসায়ীলৈকে সকলোৱে ইয়াক ব্যৱহাৰ কৰি আছে। ক'ৱিন প্লেটফৰ্মে ক'ভিড-১৯ মহামাৰীৰ সময়ত লাখ লাখ টিকাকৰণ ডিজিটেলভাৱে পৰিচালনা






কৰিছিল। ইয়াৰ দ্বাৰা বিশ্বৰ আগত ভাৰতৰ প্ৰযুক্তিগত সামৰ্থ্য প্ৰদৰ্শিত হ'ল। এই সকলোবোৰ পদক্ষেপে এআইৰ বাবে প্ৰয়োজনীয় তথ্য, ডিজিটেল আন্তঃগাঁথনি আৰু কাৰিকৰী আস্থা প্ৰদান কৰিছিল। চৰকাৰে "ভাৰত এআই মিছন"ৰ জৰিয়তে এআই গৱেষণা, ষ্টাৰ্টআপ আৰু আন্তঃগাঁথনিৰ প্ৰসাৰত বৃহৎ বিনিয়োগৰ কথা ঘোষণা কৰে। এই পদক্ষেপে ইয়াক দক্ষতা বিকাশৰ সৈতে একত্ৰিত কৰিছিল, ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰক লালন-পালন কৰিছিল, আৰু ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ ভাষাসমূহৰ প্ৰতি লক্ষ্য ৰাখি এআই মডেল বিকশিত কৰাত গুৰুত্ব আৰোপ কৰিছিল, যাতে প্ৰযুক্তি কেৱল ইংৰাজীতে সীমাবদ্ধ নহয়। ভাৰত চৰকাৰে দায়িত্বশীল আৰু নৈতিক এআইৰ ওপৰত গুৰুত্ব আৰোপ কৰে, য'ত তথ্য সুৰক্ষা, স্বচ্ছতা, জবাবদিহিতা আৰু নাগৰিকৰ গোপনীয়তা সুৰক্ষিত কৰা আদি অন্তৰ্ভুক্ত। বিজ্ঞান আৰু প্ৰযুক্তিৰ পৰিৱৰ্তনশীল শক্তি অতি গুৰুত্বপূৰ্ণ, আৰু সেয়েহে, ই নীতিনিষ্ঠ আৰু সৰ্বাংগীণ হ'ব লাগিব। আজি খুচুৰা বিক্ৰীৰ পৰা আৰম্ভ কৰি লজিষ্টিক, গ্ৰাহক সেৱাৰ পৰা আৰম্ভ কৰি শিশুৰ ঘৰুৱা কামলৈকে সকলোতে এআই ব্যৱহাৰ কৰা হৈছে। সেয়েহে ভাৰতত সমাজৰ প্ৰতিটো শ্ৰেণীৰ বাবে এআইৰ শক্তিক ব্যৱহাৰ কৰা হৈছে।

এআইয়ে কেৱল শিক্ষা, স্বাস্থ্য, নিৰাপত্তা, আৰু নিয়োগৰ বাবে নতুন সুযোগ প্ৰদান কৰাই নহয়, সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সকলোকে সমান অংশীদাৰ কৰি তুলিব পাৰে। তথ্য বিশ্লেষণে চৰকাৰী আঁচনিৰ সুফল সমাজৰ শেষ মাইলত উপনীত হোৱাটো নিশ্চিত কৰিব পাৰে। এআই চালিত তথ্য পৰীক্ষণে ভুৱা হিতাধিকাৰী চিনাক্ত কৰিব পাৰে আৰু সুবিধাসমূহ যাতে আৰ্তজনৰ ওচৰলৈ যায় সেয়া নিশ্চিত কৰিব পাৰে। ২০১৮ চনত ভাৰতে এআইৰ ব্যৱহাৰৰ প্ৰসাৰৰ বাবে "কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে ৰাষ্ট্ৰীয় কৌশল" আৰম্ভ কৰিছিল। এই কৌশলৰ লক্ষ্য আছিল নিৰ্দিষ্ট ক্ষেত্ৰত এআইৰ বিকাশৰ প্ৰসাৰ।

> "এআই ইমপেক্ট ছামিট ২০২৬ত এআইৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখযোগ্য সামৰ্থ্য বিশ্ববাসীৰ আগত প্ৰদৰ্শন কৰা হয়। ইয়াৰ উপৰিও ভাৰতে তিনিটা মেড ইন ইণ্ডিয়া এআই মডেল মুকলি কৰে। এইখনেই আছিল আজিলৈকে এই ধৰণৰ আটাইতকৈ ডাঙৰ এআই শীৰ্ষ সন্মিলন।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



২০২১ চনত "দায়বদ্ধ এআই"ৰ ওপৰত এখন খচৰা দাখিল কৰা হৈছিল, য'ত নৈতিকতা, স্বচ্ছতা আৰু জবাবদিহিতাক অগ্ৰাধিকাৰ দিয়া হৈছিল। এই ৰাষ্ট্ৰীয় কৌশল "সকলোৰে বাবে এআই" বিষয়টোক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা হৈছিল। যোৱা বছৰ প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে "ভাৰতত এআই বনোৱা" আৰু "ভাৰতত এআইক কামত লগোৱা"ৰ দৃষ্টিভংগী অনুসৰণ কৰি ১০ হাজাৰ কোটিৰো অধিক বাজেট ব্যৱস্থাৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভাৰত এআই অভিযানত অনুমোদন জনাইছিল। এই অভিযানে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ কৌশলগত কাৰ্যসূচী আৰু অংশীদাৰিত্বৰ জৰিয়তে এআই উদ্ভাৱনক উদগনি দিবলৈ এক বহল পৰিৱেশ তন্ত্ৰ স্থাপন কৰিব। ২০২৫ চনত ভাৰত আৰু ফ্ৰান্সৰ সহ-অধ্যক্ষতাত অনুষ্ঠিত পেৰিছ এআই শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে এআইক অধিক সৰ্বাংগীণ আৰু ফলপ্ৰসূ কৰি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যাৰ ফলত ই সকলো খণ্ডকে লাভৱান কৰিব পাৰে। এই প্ৰেক্ষাপটত মহিলাৰ সুৰক্ষা আৰু লিংগভিত্তিক হিংসা প্ৰতিৰোধৰ ক্ষেত্ৰতো এআইয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। এআই ভিত্তিক জৰুৰীকালীন সতৰ্কতা ব্যৱস্থাই মহিলাসকলক তাৎক্ষণিক সহায় আগবঢ়াব পাৰে। এখন উন্নত ভাৰত ২০৪৭ৰ দৃষ্টিভংগীৰ লক্ষ্য হৈছে ভাৰতক শক্তিশালী আৰু আত্মনিৰ্ভৰ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা, আৰু সেই প্ৰচেষ্টাত এই প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই প্ৰযুক্তিয়ে সৰ্বাংগীণ আৰু প্ৰগতিশীল সমাজ গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

ভাৰতৰ এআই যাত্ৰা কেৱল ক'ড আৰু এলগৰিদমৰ কাহিনী নহয়। প্ৰযুক্তিক মানৱতাৰ সংগী বুলি গণ্য কৰা দৃষ্টিভংগীৰ কাহিনী। আজি ভাৰতে মানৱতাৰ দিশ গঢ় দিব পৰা দৃষ্টিভংগীৰে কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত আগবাঢ়িছে। বুদ্ধিমত্তাৰ ক্ষেত্ৰত যন্ত্ৰই মানুহক চেৰ পেলাব বুলি একাংশ লোকে চিন্তা কৰে। কিন্তু সামূহিক ভৱিষ্যত আৰু ভাগ-বতৰা কৰা ভাগ্যৰ চাবিকাঠি মানৱতাৰ বাহিৰে আন কাৰো হাতত নাই। গতিকে এআই যাদু নহয়, বৰঞ্চ এক শক্তিশালী আহিলা। ইয়াৰ প্ৰভাৱ নিৰ্ভৰ কৰিব আমি ইয়াক কেনেকৈ ব্যৱহাৰ কৰো তাৰ ওপৰত। ইয়াৰ বাবে ভাৰতৰ বাৰ্তা স্পষ্ট: "এআইৰ ভৱিষ্যত তেতিয়াহে উজ্জ্বল হ'ব যদিহে ই মানৱতাৰ সৈতে কাম কৰে।"

এআইৰ সহায়ত আমি নিশ্চিতভাৱে নতুন যুগত প্ৰৱেশ কৰিছো। কেৱল প্ৰযুক্তিৰ সঁজুলিৰ বাহিৰেও কৃত্ৰিম বুদ্ধিমত্তাৰ সম্প্ৰসাৰণ ঘটিছে। নতুন ভৱিষ্যত গঢ় দিয়াৰ ভেটি হৈ পৰিছে এআই। মানুহক সংযোগ কৰাৰ গভীৰ শক্তি আছে এআইৰ। এআইৰ সঠিক ব্যৱহাৰে কেৱল এখন দেশৰ অৰ্থনৈতিক অগ্ৰগতি নিশ্চিত কৰাই নহয়, সমতা আৰু সামাজিক ন্যায়ো নিশ্চিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে ডিজিটেল ভেটি সুদৃঢ় কৰি এআই অভিযান আৰম্ভ কৰিছে, আৰু বিশ্ববাসীলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে এআইৰ ভৱিষ্যত মানৱতাৰ অবিহনে নহয়, মানৱতাৰ ওপৰত নিহিত হৈ আছে। ভাৰত এআই ইম্পেক্ট ছামিট ২০২৬ত এই বিশ্বাসক উদযাপন কৰা হয়। ●

সেৰা তীৰ্থত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথম বৈঠক

# ‘কেৰালা’ৰ নাম সলনি হৈ ‘কেৰালাম’ হ’ব

## শ্ৰীনগৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ পুনৰ নিৰ্মাণ হ’ব

২৪ ফেব্ৰুৱাৰী অৰ্থাৎ যুগাব্দ ৫১২৭, বিক্ৰম সংবাদ ২০৮২ আৰু শক সংবাদ ১৯৪৭ চনৰ ফাগুনৰ শুক্ল পক্ষৰ অষ্টমীৰ শুভ দিনটোত নৱনিৰ্মিত সেৰা তীৰ্থত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। দেশৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হ’ল। এই বৈঠকৰ সময়ত কেবিনেটে এইটোও সংকল্প লয় যে স্বদেশী চিন্তাধাৰা, আধুনিক ডিজাইন আৰু ১.৪ বিলিয়ন দেশবাসীৰ অসীম সম্ভাৱনাৰ ভিত্তিত নিৰ্মিত সেৰা তীৰ্থই ৰাষ্ট্ৰ সেৱাৰ কৰ্তব্য আগবঢ়াই নিব...



*কেন্দ্ৰীয় কেবিনেটৰ প্ৰেছ ব্ৰিফিং শুনিবলৈ কিউআৰ কোড স্কেন কৰক।*

**সিদ্ধান্তঃ** কেৰালা ৰাজ্যৰ নাম ‘কেৰালাম’লৈ সলনি কৰাৰ প্ৰস্তাৱত অনুমোদন।

**প্ৰভাৱঃ** ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনোৱা কেৰালা (নাম পৰিৱৰ্তন) বিধেয়ক ২০২৬ ভাৰতৰ সংবিধানৰ ৩ নং অনুচ্ছেদৰ অধীনত বিবেচনাৰ বাবে কেৰালা ৰাজ্যিক বিধানসভালৈ প্ৰেৰণ কৰিব। কেৰালা ৰাজ্যিক বিধানসভাৰ মতামত লাভ কৰাৰ পিছত ভাৰত চৰকাৰে অধিক পদক্ষেপ ল’ব।

**সিদ্ধান্তঃ** শ্ৰীনগৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আনুমানিক ১৬৭৭ কোটি টকা ব্যয় সাপেক্ষে অসামৰিক পৰিক্ষেত্ৰ গঢ়ি তোলাৰ অনুমোদন।

**প্ৰভাৱঃ** কাশ্মীৰ উপত্যকাত বিমান পৰিবহণৰ আন্তঃগাঁথনি আৰু সংযোগ শক্তিশালী কৰাৰ দিশত এয়া এক উল্লেখযোগ্য পদক্ষেপ। ৭৩.১৮ একৰ ভূমিত বিস্তৃত এই নতুন অসামৰিক পৰিক্ষেত্ৰ প্ৰকল্পটোত ৭১,৫০০ বৰ্গমিটাৰ বিস্তৃত অত্যাধুনিক টাৰ্মিনেল বিল্ডিং অন্তৰ্ভুক্ত কৰা হ’ব, যিটো শীৰ্ষ সময়ত ২,৯০০ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ ডিজাইন কৰা হৈছে আৰু প্ৰতি বছৰে ১ কোটি যাত্ৰীক বাৰ্ষিক ক্ষমতা প্ৰদান কৰিব পাৰিব।

ইয়াৰ ভিতৰত নিৰাপত্তাৰক্ষীৰ বাবে বেৰেক নিৰ্মাণ কৰাটোও অন্তৰ্ভুক্ত হৈ আছে। আন্তঃগাঁথনি উন্নত কৰাৰ উপৰিও এই প্ৰকল্পই দল হ্ৰদ, শংকৰাচাৰ্য মন্দিৰ, মোগল উদ্যান আদি বিখ্যাত পৰ্যটন স্থলীৰ সৈতে উন্নত সংযোগ প্ৰদান কৰি পৰ্যটন আৰু অৰ্থনৈতিক উন্নয়নত যথেষ্ট উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ দ্বাৰা কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ’ব আৰু বিনিয়োগক উৎসাহিত কৰা হ’ব। পৰ্যটন আৰু অৰ্থনৈতিক এক প্ৰধান কেন্দ্ৰ হিচাপে শ্ৰীনগৰৰ স্থিতি সুদৃঢ় হ’ব।

**সিদ্ধান্তঃ** ২০২৬-২৭ বৰ্ষৰ বাবে কেঁচা মৰাপাটৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ (এমএছপি) অনুমোদন।

**প্ৰভাৱঃ** কেঁচা মৰাপাটৰ (টিডি-৩ গ্ৰেড) এমএছপি প্ৰতি কুইণ্টলত ৫,৯২৫ টকা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ দ্বাৰা মৰাপাট উৎপাদনৰ সৰ্বভাৰতীয় গড় ব্যয়তকৈ ৬১.৮ শতাংশ লাভ নিশ্চিত হ’ব। ২০২৬-২৭ বৰ্ষৰ বাবে কেঁচা মৰাপাটৰ এমএছপি পূৰ্বৰ বিপণন ছিজন ২০২৫-২৬তকৈ প্ৰতি কুইণ্টলত ২৭৫ টকা অধিক। ভাৰতীয়

মৰাপাট নিগমে মূল্য সমৰ্থন অভিযান চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বাবে ন'ডেল এজেন্সী হিচাপে কাম কৰি যাব, আৰু এনে কাৰ্যকলাপত হোৱা যিকোনো লোকচান সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰে বহন কৰিব।

**সিদ্ধান্তঃ** মহাৰত্ন চিপিএছইসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য ক্ষমতা প্ৰদানৰ সন্দৰ্ভত, ২০১০ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে ৰাজহুৱা উদ্যোগ বিভাগৰ বৰ্তমানৰ নিৰ্দেশনা অনুসৰি পাৱাৰ গ্ৰীডক অতিৰিক্ত ক্ষমতা প্ৰদানৰ অনুমোদন দিয়া হৈছে।

**প্ৰভাৱঃ** এই অনুমোদনে পাৱাৰ গ্ৰীডৰ প্ৰতিটো সহযোগী কোম্পানীত ইকুইটি বিনিয়োগৰ সীমা বৰ্তমানৰ ৫,০০০ কোটি টকাৰ পৰা ৭,৫০০ কোটি টকালৈ বৃদ্ধি কৰে, একে সময়তে কোম্পানীটোৰ মুঠ সম্পত্তিৰ ১৫ শতাংশৰ বৰ্তমানৰ সীমা বজাই ৰাখে। এই অনুমোদনে দেশৰ সৰ্ববৃহৎ আৰু অভিজ্ঞ সংবহন সেৱা প্ৰদানকাৰী পাৱাৰ গ্ৰীডক নিজৰ মূল ব্যৱসায়ত বিনিয়োগ বৃদ্ধি কৰাত সহায় কৰিব আৰু নবীকৰণযোগ্য শক্তিৰ ক্ষমতাৰ ব্যৱহাৰ বৃদ্ধি কৰিব, যাৰ ফলত অজীৱাশ্ম ভিত্তিক উৎসৰ পৰা ৫০০ জিডব্লিউৰ লক্ষ্যত উপনীত হ'ব।

**সিদ্ধান্তঃ** মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, বিহাৰ, আৰু ঝাৰখণ্ডৰ আঠখন জিলাত ৰে'লপথৰ সংখ্যা বৃদ্ধিৰ বাবে তিনিটা মাল্টি ট্ৰেকিং প্ৰকল্পৰ অনুমোদন।


**প্ৰভাৱঃ** ভাৰতীয় ৰে'লৱেৰ বৰ্তমানৰ নেটৱৰ্ক প্ৰায় ৩০৭ কিলোমিটাৰ সম্প্ৰসাৰণ কৰা হ'ব। প্ৰস্তাৱিত মাল্টি ট্ৰেকিং প্ৰকল্পসমূহে প্ৰায় ৫,৪০৭খন গাঁৱৰ সংযোগ উন্নত কৰিব, যাৰ জনসংখ্যা প্ৰায় ৯৮ লাখ। এই প্ৰকল্পসমূহ ২০৩০-৩১ চনৰ ভিতৰত আনুমানিক ৯,০৭২ কোটি টকা ব্যয় সাপেক্ষে সম্পূৰ্ণ হ'ব। বৰ্ধিত ৰেল লাইনৰ ক্ষমতাই যাতায়তৰ প্ৰবাহ যথেষ্ট উন্নত কৰিব আৰু ভাৰতীয় ৰে'লৱেৰ কাৰ্যকৰী দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিব। সম্পূৰ্ণ হোৱাৰ পিছত এই কামে কাৰ্যকলাপ সুশৃংখলিত কৰাত সহায় কৰিব আৰু মালবাহী আৰু যাত্ৰীৰ যানজঁট হ্ৰাস কৰিব।

**সিদ্ধান্তঃ** গুজৰাট মেট্ৰ' ৰে'ল কৰ্প'ৰেশ্যন লিমিটেডৰ অধীনত গিফ্ট চিটিৰ পৰা শ্বাহাপুৰলৈ বৰ্তমানৰ উত্তৰ-দক্ষিণ কৰিডৰ সম্প্ৰসাৰণৰ অনুমোদন।

**প্ৰভাৱঃ** এই কৰিডৰটো ৩.৩৩ কিলোমিটাৰ দীঘল হ'ব আৰু ইয়াত তিনিটা উচ্চ ষ্টেচন থাকিব। প্ৰায় চাৰি বছৰৰ ভিতৰত এই প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ কথা। এই প্ৰকল্পৰ আনুমানিক ব্যয় ১,০৬৭.৩৫ কোটি টকা। এই সম্প্ৰসাৰিত কৰিডৰে ২০২৯ চনৰ ভিতৰত প্ৰায় ২৩,৭০২ যাত্ৰী আৰু ২০৪১ চনৰ ভিতৰত প্ৰায় ৫৮,০৫৯ যাত্ৰীক সেৱা আগবঢ়াব বুলি আশা কৰা হৈছে। এই কৰিডৰে আহমেদাবাদ আৰু জিফ্ট অঞ্চলৰ মাজত সংযোগ শক্তিশালী কৰিব। প্ৰস্তাৱিত পথটোৰ কাষত অৱস্থিত বৃহৎ বহুজাতিক কোম্পানী, শিক্ষানুষ্ঠান, আৰু বাণিজ্যিক কেন্দ্ৰসমূহে ইয়াৰ পৰা প্ৰত্যক্ষভাৱে লাভৱান হ'ব।



## 'সেৱা তীৰ্থ'ত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ঐতিহাসিক প্ৰথমখন বৈঠক



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ ঐতিহাসিক প্ৰথমখন বৈঠক নতুন প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় 'সেৱা তীৰ্থ'ত অনুষ্ঠিত হয়। এই বৈঠকৰ জৰিয়তে কেন্দ্ৰীয় কেবিনেটে নিজৰ সংকল্প পুনৰবাৰ প্ৰকাশ কৰে যে ইয়াত লোৱা প্ৰতিটো সিদ্ধান্ত ১.৪ বিলিয়ন দেশবাসীৰ সেৱাৰ মনোভাৱেৰে অনুপ্ৰাণিত হ'ব আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বৃহৎ লক্ষ্যৰ সৈতে জড়িত হ'ব। এই কমপ্লেক্সত লোৱা প্ৰতিটো সিদ্ধান্তই 'নাগৰিক দেৱো ভৱ'ৰ মনোভাৱৰ দ্বাৰা অনুপ্ৰাণিত হ'ব। এই ঠাইখন ক্ষমতাৰ অহংকাৰৰ কেন্দ্ৰ নহয় বৰঞ্চ প্ৰতিজন ভাৰতীয়ৰ সবলীকৰণৰ কেন্দ্ৰ হ'ব। 'সেৱা তীৰ্থ'ৰ দ্বাৰা পৰিচালিত শাসন ব্যৱস্থাৰ প্ৰতিটো প্ৰচেষ্টা দেশৰ প্ৰান্তীয় ব্যক্তিসকলৰ জীৱন সৰল কৰাৰ মনোভাৱেৰে শিপাই থাকিব।

# চিপ নিৰ্মাণত আত্মনিৰ্ভৰ হ'ব ভাৰত

বিকশিত ভাৰত গঢ়ি তোলাটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া ভাৰত আত্মনিৰ্ভৰ হ'ব আৰু ইয়াৰ বাবে মেড ইন ইণ্ডিয়া চিপছ অতি গুৰুত্বপূৰ্ণ। কাৰণ যেতিয়া ভাৰতত চিপ তৈয়াৰ হ'ব তেতিয়া আধুনিক সঁজুলি নিৰ্মাণৰ বাবে আমি আৰু আনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগিব। এই কাৰণেই ২১ ফেব্ৰুৱাৰীত উত্তৰ প্ৰদেশত এইচচিএল-ফক্সকন অৰ্ধপৰিবাহী ইউনিটৰ ভূমি পূজন অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতে চিপ নিৰ্মাণৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হ'ব লাগিব। তেওঁ ২৮ ফেব্ৰুৱাৰীত সানন্দ (গুজৰাট) ত মাইক্ৰন টেকন'লজিৰ অৰ্ধপৰিবাহী সমাবেশ, পৰীক্ষণ আৰু পেকেজিং কেন্দ্ৰ উদ্বোধন কৰে...




আজি ভাৰতে দ্ৰুতগতিত বিকশিত ভাৰতৰ লক্ষ্যৰ দিশে আগবাঢ়িছে। ভাৰতৰ বৰ্তমানৰ প্ৰযুক্তিগত অগ্ৰগতিয়ে একবিংশ শতিকাত দেশৰ শক্তি আৰু প্ৰগতিৰ ভেটি গঢ়ি তুলিব।

ভাৰতে সেউজ শক্তি, মহাকাশ প্ৰযুক্তি, ডিজিটেল আৰুউৎপাদন প্ৰযুক্তিৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত অভূতপূৰ্ব বিনিয়োগ কৰিছে -যিবোৰ প্ৰযুক্তিয়ে মানৱতাৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব। উত্তৰ প্ৰদেশত এইচচিএল-ফক্সকন অৰ্ধপৰিবাহী ইউনিটৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতত এক শক্তিশালী অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰৰ বিকাশ ইয়াৰ এক প্ৰধান উদাহৰণ। অৰ্ধপৰিবাহী খণ্ডত ভাৰতে হয়তো পলমকৈ যাত্ৰা আৰম্ভ কৰিছিল, কিন্তু এতিয়া দ্ৰুত গতিত আগবাঢ়িছে। ভাৰতৰ অৰ্ধপৰিবাহী অভিযানৰ অধীনত ভাৰতে এতিয়ালৈকে ১০টা অৰ্ধপৰিবাহী নিৰ্মাণ আৰু পেকেজিং প্ৰকল্পত অনুমোদন জনাইছে। ইয়াৰে চাৰিটা ইউনিটৰ উৎপাদন অতি সোনকালে আৰম্ভ হ'ব।

অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰ কেৱল এটা কাৰখানাই নহয়। ই একাধিক স্তৰেৰে গঠিত, য'ত আছে মেচিন নিৰ্মাতা, ডিজাইন অভিযন্তা, গৱেষণা প্ৰতিষ্ঠান, লজিষ্টিক নেটৱৰ্ক আৰু দক্ষ কাৰিকৰ। এই সমূহৰ সহযোগিতাৰ জৰিয়তেহে এটা চিপ সৃষ্টি হয়। ভাৰতেও অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰৰ

> এতিয়ালৈকে ছেমিকন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত মুঠ ১০টা প্ৰকল্পৰ অনুমোদন লাভ কৰা হৈছে। মাইক্ৰনৰ বাহিৰেও আৰু তিনিটা প্ৰকল্পৰ উৎপাদন অতি সোনকালে আৰম্ভ হ'ব। আৰু আমি যিটো অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছো, সেয়া কোনো এটা অঞ্চলতে সীমাবদ্ধ নহয়। এয়া হৈছে সমগ্ৰ ভাৰত বিয়পি। অৰ্থাৎ দেশৰ প্ৰতিটো প্ৰান্ততে বিকশিত ভাৰতৰ নতুন টেক হাব গঢ়ি তোলা হৈছে।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*







## এইচচিএল-ফক্সকন জইণ্ট ভেঞ্চাৰ প্ৰজেক্ট-ইণ্ডিয়া চিপ প্ৰাইভেট লিমিটেডৰ বাবে আধাৰশিলা স্থাপন

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ যমুনা এক্সপ্ৰেছৱে ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্ট অথৰিটিত এইচচিএল-ফক্সকন জইণ্ট ভেঞ্চাৰ প্ৰজেক্ট - ইণ্ডিয়া চিপ প্ৰাইভেট লিমিটেডৰ আধাৰশিলা স্থাপন কৰে।
- এইচচিএল-ফক্সকন অৰ্ধপৰিবাহী সুবিধা স্থাপন কৰাটোৱে ভাৰতৰ প্ৰযুক্তিগত আত্মনিৰ্ভৰশীলতাৰ দিশত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে।
- এই প্ৰকল্পৰ লক্ষ্য হৈছে ভাৰতক উচ্চমানৰ ইলেক্ট্ৰনিকছ আৰু অৰ্ধপৰিবাহী নিৰ্মাণৰ বাবে এক বিশ্বাসযোগ্য বিশ্বায়নিক গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠা কৰা।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## এই প্ৰকল্পত ৩,৭০০ কোটি টকাৰো অধিক বিনিয়োগ

- ৩,৭০০ কোটি টকাতকৈ অধিক বিনিয়োগেৰে এই প্ৰকল্পই ঘৰুৱা উৎপাদন ক্ষমতা শক্তিশালী কৰাত সহায় কৰিব, আমদানি নিৰ্ভৰশীলতা হ্ৰাস কৰিব, আৰু এক শক্তিশালী বিশ্বায়নিক যোগান শৃংখল গঢ়ি তুলিব।
- ই মোবাইল ফোন, টেবলেট, লেপটপ, অটোমোটিভ, কনজিউমাৰ ইলেক্ট্ৰনিকছ, আৰু অন্যান্য ডিভাইচৰ দৰে মূল খণ্ডসমূহক সমৰ্থন কৰাত মূল ভূমিকা পালন কৰিব।
- এই পদক্ষেপে ভাৰতৰ অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰক এক বৃহৎ গতি প্ৰদান কৰিব, উদ্ভাৱন, দক্ষতা বিকাশ আৰু প্ৰযুক্তি হস্তান্তৰক প্ৰসাৰিত কৰিব।
- অভিযন্তা, কাৰিকৰ, আৰু পেছাদাৰীসকলৰ বাবে হাজাৰ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ চাকৰিৰ সৃষ্টি হোৱাৰ আশা কৰা হৈছে আৰু ইয়াৰ দ্বাৰা সহায়ক উদ্যোগসমূহৰ বৃদ্ধিও ত্বৰান্বিত হ'ব।
- এই প্ৰকল্পটোৱে এক শক্তিশালী আৰু আত্মনিৰ্ভৰশীল ইলেক্ট্ৰনিকছ উৎপাদন পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ দিশত এক ডাঙৰ পদক্ষেপক প্ৰতিনিধিত্ব কৰে।

## গুজৰাটত উদ্বোধন হ'ল ইণ্ডিয়া ছেমিকণ্ডাক্টৰ মিছনৰ প্ৰথমটো এটিএমপি

- ভাৰতত নিৰ্মিত প্ৰথমটো অৰ্ধপৰিবাহী মেম'ৰি মডিউলৰ বাণিজ্যিক উৎপাদন আৰু চালান সানন্দ এটিএমপি (এছেম্বলি, টেষ্ট, মাৰ্কিং, এণ্ড পেকেজিং) প্ৰকল্পৰ পৰা আৰম্ভ হৈছে। এই বিকাশ বিশ্বৰ অৰ্ধপৰিবাহী মূল্য শৃংখলত ভাৰতৰ স্থান শক্তিশালী কৰাৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে চিহ্নিত হৈছে।
- ভাৰত অৰ্ধপৰিবাহী অভিযানৰ অধীনত অনুমোদিত প্ৰথমটো প্ৰস্তাৱ হিচাপে ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত সানন্দ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হৈছিল।
- মুঠ ২২,৫০০ কোটি টকাতকৈ অধিক ব্যয়ৰ সৈতে, অনুমোদনৰ লগে লগে নিৰ্মাণৰ কাম আৰম্ভ হয়। ইয়াৰ দ্বাৰা দেশত কৌশলগত অৰ্ধপৰিবাহী বিনিয়োগ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা প্ৰমাণিত হৈছে।
- সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'লে সানন্দ প্ৰকল্পটোত প্ৰায় ৫,০০,০০০ বৰ্গফুট ক্লীনৰুমৰ স্থান থাকিব, যাৰ ফলত ই বিশ্বৰ অন্যতম বৃহৎ উচ্চ মজিয়াৰ ক্লীনৰুম হ'ব।

সমগ্ৰ মূল্য শৃংখলৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। গুজৰাটৰ সানন্দত মাইক্ৰন ছেমিকণ্ডাক্টৰ টেকন'লজি ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ সুবিধা উদ্বোধন অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এইবাৰৰ বাজেটত ইণ্ডিয়া ছেমিকণ্ডাক্টৰ মিছন ২.০ ঘোষণা কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে উৎপাদন বৃদ্ধিৰ লগে লগে ভাৰতত উপাদান আৰু সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰা। ●

তামিলনাডু আৰু পুডুচেৰীয়ে লাভ কৰে ৭,১০০ কোটি টকাৰ প্ৰকল্প

# শক্তিশালী আন্তঃগাঁথনি... জীৱন উন্নত হ'ব




সৰল আৰু শক্তিশালী যুৱক-যুৱতী, সুস্থ কৰ্মশক্তি, আৰু শক্তিশালী পৰিবহণ সংযোগৰ সৈতে আন্তঃগাঁথনিত বিনিয়োগ হৈছে এখন ৰাষ্ট্ৰৰ অগ্ৰগতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চালক। ভাৰত চৰকাৰে ধাৰাবাহিকভাৱে অত্যাধুনিক আন্তঃগাঁথনি নিৰ্মাণ কৰি আছে। ২০২৬-২৭ বিত্তীয় বৰ্ষত আন্তঃগাঁথনিৰ বাবে ১২ লাখ কোটি টকা ব্যয় কৰা হ'ব। আন্তঃগাঁথনিত অধিক বিনিয়োগৰ অৰ্থ হ'ল পথ, পানী যোগান ব্যৱস্থা, উপকূলীয় আন্তঃগাঁথনি, বিদ্যালয়, চিকিৎসালয় নিৰ্মাণ কৰা যিয়ে মানুহৰ জীৱন সহজ কৰি তোলে। এই ধাৰাবাহিকতা অব্যাহত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১ মাৰ্চত মাদুৰাইত ৪৪০০ কোটি আৰু পুডুচেৰীত ২৭০০ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১ম মাৰ্চত তামিলনাডুৰ মাদুৰাইত ৪৪০০ কোটিৰো অধিক মূল্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন, উৎসৰ্গা আৰু আধাৰশিলা স্থাপন কৰে। পুডুচেৰীত তেওঁ আন্তঃগাঁথনি শক্তিশালী কৰা, নাগৰিক সুবিধাসমূহ সম্প্ৰসাৰণ কৰা, ঔদ্যোগিক অগ্ৰগতি ত্বৰান্বিত কৰা, শিক্ষা, বিশ্বমানৰ স্বাস্থ্যসেৱা আৰু বহনক্ষম বৃদ্ধিৰ লক্ষ্যৰে বিভিন্ন প্ৰকল্প জাতিটোৰ প্ৰতি উৎসৰ্গা কৰিছিল আৰু লগতে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাদুৰাই আৰু পুডুচেৰীতো ৰাজহুৱা সভাত ভাষণ দি মাদুৰাইৰ আন্তঃগাঁথনিৰ কামে সংযোগৰ উন্নতি সাধন কৰাৰ লগতে তামিলনাডুৰ জনসাধাৰণক যথেষ্ট উপকৃত কৰিব বুলি উল্লেখ কৰে। মাদুৰাইৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে উচ্চমানৰ আন্তঃগাঁথনি নিৰ্মাণ মানে হৈছে মানুহক সবলীকৰণ। বিগত দশকত কেন্দ্ৰীয় চৰকাৰে তামিলনাডুৰ ঘাইপথত যথেষ্ট বিনিয়োগ কৰি তীৰ্থযাত্ৰীসকলৰ ভ্ৰমণৰ উন্নতি সাধন কৰি কৃষি আৰু সাগৰীয় সামগ্ৰী পৰিবহণৰ সুবিধা প্ৰদান কৰিছে। যোৱা দহ বছৰত ভাৰতীয় ৰেলৰে আধুনিক, কাৰ্যক্ষম, আৰু জনকেন্দ্ৰিক পৰিবহণ ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে। জনকেন্দ্ৰিক পৰিবহণ ব্যৱস্থা। কেন্দ্ৰীয় বাজেটত

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*




*Scan the QR code to view the Prime Minister's full programme.*

## পুডুচেৰীত গুৰু প্ৰকল্প উদ্বোধন তথা আধাৰশিলা স্থাপন

- পিএম ই-বাছ সেৱাৰ অধীনত ই-বাছৰ প্ৰচলনৰ শুভাৰম্ভ ঘোষণা।
- পয়ঃপ্ৰণালী আৰু পানী যোগান খণ্ডত পুডুচেৰী চৰকাৰৰ আঁচনি উদ্বোধন।
- কৰাইকলৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত ডাঃ এ পি জে আব্দুল কালাম অভিযান্ত্ৰিক খণ্ড আৰু গংগা শিক্ষাৰ্থী নিবাসৰ দ্বাৰ উন্মোচন, জিপমাৰত আঞ্চলিক কৰ্কট কেন্দ্ৰৰ আধুনিকীকৰণ আৰু পুডুচেৰী বিশ্ববিদ্যালয়ত নতুন ভৱন আৰু শিক্ষাৰ্থী নিবাস।
- ৭৫০ একৰ কাৰাছুৰ-চেদাৰাপেট ঔদ্যোগিক এলেকা উৎসৰ্গা কৰা হৈছে।
- প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনাৰ অধীনত ৪১টা গ্ৰাম্য পথ নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন, পুডুচেৰীৰ এখন ঐতিহ্যমণ্ডিত চহৰৰ উন্নয়ন আৰু মিষ্টি আঁচনিৰ অধীনত মেংগ্ৰোভ সংৰক্ষণৰ কামৰ শুভাৰম্ভ ঘোষণা।

## 'এছএএছচিআই' আঁচনিত অন্তৰ্ভুক্ত হ'ল পুডুচেৰী

মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহক বিশেষ সাহায্য (এছএএছচিআই) আঁচনিৰ অধীনত নগৰীয়া পথ, পয়-প্ৰণালী, ৰাজহুৱা ভৱন, শিক্ষাৰ্থী নিবাস আৰু ক্ৰীড়াৰ সুবিধা আদি মূল খণ্ডসমূহক সামৰি বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ভাৰত চৰকাৰে পুডুচেৰীক 'এছএএছচিআই' আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবে অনুমোদন জনাইছে, যিখন আঁচনি প্ৰথমে ৰাজ্যসমূহৰ বাবে সীমাবদ্ধ আছিল।

## তামিলনাডুৰ দ্ৰুত উন্নয়ন

- ২০১৪ চনৰ পৰা তামিলনাডুত ৪ হাজাৰ কিলোমিটাৰ ঘাইপথ নিৰ্মাণ কৰা হৈছে।
- বৰ্তমান চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ৰে'ল বাজেট প্ৰায় ৯গুণ বৃদ্ধি পাইছে।
- ২০০৯ চনৰ পৰা ২০১৪ চনৰ ভিতৰত বাৰ্ষিক গড় বাজেট আবণ্টন আছিল মাত্ৰ ৮৮০ কোটি টকা, আনহাতে ২০২৬-২৭ চনৰ বাবে ইয়াক ৭,৬০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।
- ৰাজ্যখনত ১৩০০ কিলোমিটাৰতকৈয়ো অধিক নতুন ৰে'লপথ স্থাপন কৰা হৈছে, আৰু বিদ্যুতিকীকৰণৰ লক্ষ্য ৯৭ শতাংশত উপনীত হৈছে।
- যোৱা বছৰ ভাৰতৰ প্ৰথমখন উলম্ব দলং নতুন পাম্বন দলং উদ্বোধন কৰা হৈছিল।
- বৰ্তমান ৯খন বন্দে ভাৰত আৰু ৯খন অমৃত ভাৰত ৰে'লে চেন্নাইৰ ইণ্টিগ্ৰেল ক'চ্চ ফেক্টৰী (আই এফ চি)ত নিৰ্মিত ডবাৰে তামিলনাডুৰ জনসাধাৰণক সেৱা আগবঢ়াই আছে।
- অমৃত ভাৰত ষ্টেশ্যন আঁচনি-ৰ অধীনত ৰাজ্যখনৰ ৭৭টা ৰে'ল ষ্টেশ্যনৰ আধুনিকীকৰণৰ কাম চলি আছে।
- যোৱা দশকটোত তামিলনাডুৰ বাবে আন্তঃগাঁথনিৰ পুঁজি তিনিগুণ বৃদ্ধি পাইছে।

## তামিলনাডুত বৃহৎ প্ৰকল্প

- ৩৩২এ ৰাষ্ট্ৰীয় ঘাইপথৰ মৰাক্কানাম-পুডুচেৰী অংশ আৰু ৮৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰমাকুডি-ৰামনাথপুৰম অংশৰ চাৰিলেনিঙৰ আধাৰশিলা স্থাপন কৰা হয়।
- অমৃত ভাৰত ষ্টেশ্যন আঁচনি-ৰ অধীনত মোৰাপপুৰ, বম্মিড়ি, শ্ৰীভিলিপুথুৰ, শোলাবন্দন, মনপাৰাই, পোল্লাচী জংশ্যন, কাৰাইকুড়ী জংশ্যন আৰু তিৰুভাৰুৰ জংশ্যনকে ধৰি ৮টা পুনৰ উন্নীত ৰে'লৰে ষ্টেশ্যনৰ উদ্বোধন।
- চেন্নাই বিচ্চ-চেন্নাই এগম'ৰ চতুৰ্থ লাইন দেশৰ প্ৰতি উৎসৰ্গা।
- কুম্বাকোনাম, ইয়েৰকাউড আৰু ভেলোৰত ৩টা নতুন 'অল ইণ্ডিয়া ৰেডিঅ' এফ এম ৰিলে ট্ৰেন্সমিটাৰ উদ্বোধন।

*২০২৬-২৭ বিত্তীয় বৰ্ষত বেংগালুৰু-চেন্নাই আৰু চেন্নাই-হায়দৰাবাদ বুলেট ট্ৰেইন কৰিডৰৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। তামিলনাডুক 'ৰেয়াৰ আৰ্থ কৰিডৰ'-ত অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ লক্ষ্য হৈছে উন্নত উৎপাদন, গৱেষণা, আৰু প্ৰযুক্তি বিকাশক প্ৰসাৰিত কৰা।*

তামিলনাডুক 'ৰেয়াৰ আৰ্থ কৰিডৰ'ৰ অংশ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে, যিয়ে উন্নত উৎপাদন, গৱেষণা, আৰু প্ৰযুক্তি বিকাশক প্ৰসাৰিত কৰিব। সামগ্ৰিকভাৱে চৰকাৰৰ লক্ষ্য হৈছে বিকশিত ভাৰত ২০৪৭ নিৰ্মাণৰ বাবে তামিলনাডুৰ উন্নয়ন কৰা।

# নমো ভাৰতৰ সম্প্ৰসাৰণ

## সহজ আৰু আৰামদায়ক ভ্ৰমণ

**দেশবাসীক দ্ৰুতবেগী যাতায়াতৰ ব্যৱস্থা প্ৰদান কৰা, যান-জঁট আৰু প্ৰদূষণৰ পৰা মুক্ত কৰা আৰু যাতায়াতৰ সুবিধাজনক উপায় প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। সেয়েহে আজি দেশত নমো ভাৰত আৰু 'বন্দে ভাৰত ৰে'ল'-ৰ দৰে আধুনিক অৰ্ধ দ্ৰুতবেগী ৰে'ল চলি আছে, আৰু যোৱা ১১টা বছৰত মেট্ৰ'ৰে দেশৰ বহু কেইখন চহৰত নিজৰ স্থিতি সাব্যস্ত কৰিছে। এই উদ্দেশ্যেৰে প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২২ ফেব্ৰুৱাৰীত মীৰাটত নমো ভাৰত ৰেপিড ৰে'ল আৰু মেট্ৰ' সেৱাৰ শুভাৰম্ভ ঘোষণা কৰে...**

২০১৪ চনৰ আগতে ভাৰতত মেট্ৰ'ৰ সম্প্ৰসাৰণ অতি লেহেমীয়া আছিল। সেই সময়ত মেট্ৰ'সেৱা মাত্ৰ পাঁচখন চহৰতে উপলব্ধ আছিল। আজি দেশৰ ২৫খনতকৈওয়ো অধিক চহৰত মেট্ৰ' নেটৱৰ্ক কাৰ্যক্ষম হৈ বিশ্বৰ তৃতীয় বৃহত্তম নেটৱৰ্ক হিচাপে পৰিগণিত হৈছে। মীৰাটকে ধৰি উত্তৰ প্ৰদেশৰ আন বহু চহৰত মেট্ৰ'ৰ কাম চলি আছে।

উত্তৰ প্ৰদেশৰ মীৰাটত বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশত প্ৰথমবাৰৰ বাবে নমো ভাৰত এক্সপ্ৰেছ আৰু মেট্ৰ' ৰে'ল একেটা ষ্টেচনতে আৰু একেটা ট্ৰেকতে চলিব। অৰ্থাৎ একেখন প্লেটফৰ্মৰ পৰাই চহৰখনৰ ভিতৰত যাতায়াত কৰিব পাৰি আৰু একেটা ষ্টেচনৰ পৰাই পোনপটীয়াকৈ দিল্লীলৈ যাব পাৰি।

আধুনিক আন্তঃগাঁথনিৰ বাবে ব্যয় কৰা ধনে ৰাইজৰ ধন ৰাহি কৰে আৰু যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন প্ৰদান কৰে। পশ্চিম উত্তৰ প্ৰদেশ ইয়াৰ এক প্ৰধান উদাহৰণ। ইয়াত নতুন এক্সপ্ৰেছৱে আৰু নিৰ্দিষ্ট মালবাহী ৰে'ল কৰিডৰ নিৰ্মাণ কৰা হৈছে। জেৱাৰত এটা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ নিৰ্মাণৰ কাম চলি আছে। যেতিয়া এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'ব, নিয়োগ সৃষ্টি হয় আৰু পৰৱৰ্তী সময়ত নতুন উদ্যোগ স্থাপন কৰা হয়, যিয়ে নিয়োগ আৰু অধিক সৃষ্টি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে




প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।

### মীৰাট মেট্ৰ’ আৰু নমো ভাৰত ৰে’লৰ ফ্লেগ অফ

শতাব্দী নগৰ ‘নমো ভাৰত ষ্টেশ্যন’ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মীৰাট মেট্ৰ’ আৰু নমো ভাৰত ৰে’লৰ ফ্লেগ অফ কৰে। তাৰ পৰাই তেওঁ মেট্ৰ’ৰে মীৰাট ছাউথ ষ্টেশ্যনলৈ যাত্ৰা কৰে। এই সময়ছোৱাত তেওঁ স্কুল-কলেজৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য যাত্ৰীৰ সৈতে মত বিনিময় কৰে। মীৰাটত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ১২,৯৩০ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰি ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই প্ৰকল্পসমূহে নগৰীয়া গতিশীলতাৰ স্বৰূপ ৰূপান্তৰিত কৰিব আৰু নাগৰিকসকলৰ জীৱন সহজ কৰি তুলিব।




আমাৰ কৰ্ম সংস্কৃতি হ’ল আধাৰশিলা স্থাপন কৰা প্ৰকল্পসমূহ সম্পূৰ্ণ কৰি তুলিবলৈ দিনে নিশাই কাম কৰা। আৰু সেইবাবেই প্ৰকল্পসমূহ আৰু পূৰ্বৰ দৰে উপেক্ষিত হৈ বা বিলম্বিত হৈ নাথাকে

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## ‘দিল্লী-মীৰাট নমো ভাৰত কৰিডৰ’ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা

**৮২** কিলোমিটাৰ দৈৰ্ঘ্যৰ ‘দিল্লী মীৰাট নমো ভাৰত কৰিডৰ’ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিলে প্ৰধানমন্ত্ৰীয়ে

- ভাৰতৰ প্ৰথম ‘নমো ভাৰত আঞ্চলিক ৰেপিড ট্ৰেনজিট ছীষ্টেম’ (আৰ আৰ টি এছ)ৰ বাকী অংশসমূহো উদ্বোধন কৰা হয়। ইয়াৰ ভিতৰত আছে দিল্লীৰ চৰাই কালে খান আৰু নিউ অশোক নগৰৰ মাজৰ ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশ আৰু উত্তৰ প্ৰদেশৰ মীৰাট দক্ষিণ আৰু মোদীপুৰমৰ মাজৰ ২১ কিলোমিটাৰ অংশটো।
- প্ৰতি ঘণ্টাত ১৮০ কিলোমিটাৰ গতিৰে নমো ভাৰত হৈছে দেশৰ প্ৰথম আঞ্চলিক ৰেপিড ট্ৰেনজিট ব্যৱস্থা।
- নমো ভাৰতে চাহিবাবাদ, গাজিয়াবাদ, মোদীনগৰ, আৰু মীৰাটৰ দৰে প্ৰধান নগৰ কেন্দ্ৰসমূহক দিল্লীৰ সৈতে অধিক ক্ষিপ্ৰতাৰে সংযোগ কৰিব।
- দিল্লীত কৰিডৰৰ ষ্টাৰ্ট ষ্টেশ্যন চৰাই কালে খান হৈছে কাৰ্যক্ষম হ’বলগীয়া চাৰিটা নমো ভাৰত ষ্টেশ্যনৰ অন্যতম।
- ই এক প্ৰধান মাল্টিম’ডেল হাব হিচাপে কৌশলগতভাৱে অৱস্থিত, যাৰ ফলত হজৰত নিজামুদ্দিন ৰে’লৱে ষ্টেশ্যন, দিল্লী মেট্ৰ’ৰ পিংক লাইন, বীৰ হকিকত ৰায় আই এছ বি টি আৰু ৰিং ৰোডলৈ সহজে যাব পৰা যায়।
- মুকলি হ’বলগীয়া আন তিনিটা ‘নমো ভাৰত ষ্টেশ্যন’ হ’ল শতাব্দী নগৰ, বেগমপুল, আৰু মীৰাটৰ মোদীপুৰম।

## মীৰাট দক্ষিণ আৰু মোদীপুৰম-ৰ মাজত মীৰাট মেট্ৰ’ সেৱাৰ

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মীৰাট দক্ষিণ আৰু মোদীপুৰমৰ মাজত মীৰাট মেট্ৰ’ সেৱাও উদ্বোধন কৰে, যিটোৱে নমো ভাৰতৰ একে আন্তঃগাঁথনিৰে সেৱা আগবঢ়াব।
- দেশৰ ভিতৰতে এয়া হৈছে এই ধৰণৰ প্ৰথম পদক্ষেপ। মীৰাট মেট্ৰ’ হ’ব ভাৰতৰ আটাইতকৈ দ্ৰুততম মেট্ৰ’ ব্যৱস্থা, যাৰ সৰ্বোচ্চ অপাৰেটিং গতি প্ৰায় ১২০ কিলোমিটাৰ প্ৰতি ঘণ্টা।
- মেট্ৰ’ৰে মাত্ৰ ৩০ মিনিটতে নিৰ্ধাৰিত সকলো ষ্টপকে ধৰি সমগ্ৰ দূৰত্ব অতিক্ৰম কৰিব।
- একে আন্তঃগাঁথনিৰে চলি থকা ‘নমো ভাৰত’ আৰু ‘মীৰাট মেট্ৰ’ৰে তীব্ৰবেগী আন্তঃনগৰীয়া ভ্ৰমণ আৰু চহৰৰ ভিতৰত মসৃণ চলাচলৰ সুবিধা প্ৰদান কৰি নগৰ আৰু আঞ্চলিক পৰিবহণৰ বাবে এক নিদৰ্শন দাঙি ধৰিব।
- পথৰ যান-জঁট কমিব, যাৰ ফলত বাহনৰ কাৰ্বন ডাই-অক্সাইডৰ নিৰ্গমন হ্ৰাস পাব।

উত্তৰ প্ৰদেশ হৈছে শ্ৰম আৰু সৃষ্টিশীলতাৰ ভূমি। ইয়াৰ কৃষক, পশুপালক, ক্ষুদ্ৰ আৰু লঘু উদ্যোগী, শিপিনী আৰু কাৰিকৰ সকলোৰে ঐতিহ্য আৰু উন্নয়নৰ মন্ত্ৰক মূৰ্ত কৰি তুলিছে। ভাৰতৰ শক্তি বাঢ়ি অহাৰ লগে লগে উত্তৰ প্ৰদেশৰ এই বন্ধুসকলো লাভৱান হয়।

# বাজেট ৱেবিনাৰ

## বৃহৎ লক্ষ্যত উপনীত হোৱাৰ দিশত এখোজ

বাজেটৰ পিছত প্ৰতি বছৰে অনুষ্ঠিত হোৱা ৱেবিনাৰসমূহ কেৱল ধাৰণা বিনিময়তে সীমাবদ্ধ হৈ থকা নাই, ই এক ফলপ্ৰসূ চিন্তন-মন্থনৰ মঞ্চতো পৰিণত হৈছে। ৱেবিনাৰসমূহে মানুহৰ অভিজ্ঞতা আৰু ব্যৱহাৰিক প্ৰত্যাহ্বানৰ ভিত্তিত পৰামৰ্শ আগবঢ়ায়, অৰ্থনৈতিক কৌশল উন্নত কৰাত আৰু সমাধান বিচাৰি উলিওৱাত সহায় কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ৰমে ২৭ ফেব্ৰুৱাৰী আৰু ৩ মাৰ্চত বাজেট ৱেবিনাৰত "বিকশিত ভাৰতৰ বাবে প্ৰযুক্তি, সংস্কাৰ, আৰু বিত্ত" আৰু "অৰ্থনৈতিক বিকাশ বৰ্তাই ৰখা আৰু শক্তিশালী কৰা" প্ৰসংগক সম্বোধন কৰে।




যোৱা দশকটোত ভাৰতে অসাধাৰণ স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছে, আৰু এয়া কোনো কাকতালীয় কথা নহয়। এই স্থিতিস্থাপকতা হৈছে প্ৰত্যয়ৰ দ্বাৰা পৰিচালিত সংস্কাৰৰ ফল। চৰকাৰে প্ৰক্ৰিয়াসমূহ সৰল কৰি ব্যৱসায় কৰাৰ স্বচ্ছন্দতা বৃদ্ধি কৰিছে। ই প্ৰযুক্তি-সঞ্চালিত শাসন ব্যৱস্থা সম্প্ৰসাৰিত কৰিছে, প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰিছে, আৰু আজি দেশখন সংস্কাৰ এক্সপ্ৰেছত উঠিছে। "বিকশিত ভাৰতৰ বাবে প্ৰযুক্তি, সংস্কাৰ, আৰু বিত্তায়ন" শীৰ্ষক ৱেবিনাৰ-ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এই গতি বৰ্তাই ৰাখিবলৈ কেৱল নীতিগত উদ্দেশ্যতে নহয়, প্ৰদানৰ উৎকৃষ্টতাতো গুৰুত্ব দিয়াৰ প্ৰয়োজন। সংস্কাৰৰ মূল্যায়ন ঘোষণাৰ দ্বাৰা নহয়, বাস্তৱক্ষেত্ৰত ইয়াৰ প্ৰভাৱৰ দ্বাৰাহে কৰা উচিত। স্বচ্ছতা, গতি, আৰু জবাবদিহিতা এআই, ব্লকচেইন, আৰু তথ্য বিশ্লেষণৰ ব্যাপক ব্যৱহাৰৰ জৰিয়তে উন্নতি কৰিব লাগিব। অভিযোগ নিৰাময় ব্যৱস্থাৰ জৰিয়তেও প্ৰভাৱ অহৰহ নিৰীক্ষণ কৰিব লাগিব।

বিগত দশকটোত আন্তঃগাঁথনিত প্ৰবল গুৰুত্ব দিয়া হৈছে। চৰকাৰে সচেতনভাৱে সিদ্ধান্ত লৈছে যে ভাৰতৰ উন্নয়ন কেৱল ঘাইপথ, ৰে'লৱে, বন্দৰ, ডিজিটেল নেটৱৰ্ক, শক্তি ব্যৱস্থা আদিৰ দৰে এক পৰিসৰৰ স্পষ্ট সম্পত্তি নিৰ্মাণৰ দ্বাৰাহে সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'মই সকলো অংশীদাৰ, বিত্তীয় প্ৰতিষ্ঠান, বজাৰ, উদ্যোগ, পেছাদাৰী আৰু উদ্ভাৱকক এই বাজেটে মুকলি কৰা নতুন সুযোগসমূহৰ সুবিধা ল'বলৈ আহ্বান জনাইছো আৰু তেওঁলোকৰ সৈতে গভীৰভাৱে জড়িত হওক। আপোনালোকৰ অংশগ্ৰহণে কাৰ্যকৰীকৰণৰ উন্নতি সাধন কৰিব আৰু আপোনালোকৰ মতামত আৰু সমৰ্থনে উন্নত ফলাফলৰ সূচনা কৰিব।

আহক আমি সকলোৱে সংস্কাৰ, উন্নয়ন কৰোঁ আৰু এনে ভৱিষ্যত



## বাজেট-উত্তৰ ৱেবিনাৰসমূহ গুৰুত্বপূৰ্ণ

প্ৰায়ে বাজেটৰ মূল্যায়ন বিভিন্ন পৰিমাপৰ ভিত্তিত কৰা হয়। কেতিয়াবা আলোচনাত শ্বেয়াৰ বজাৰৰ কাম-কাজৰ ভিত্তিত আৰু কেতিয়াবা আয়কৰৰ প্ৰস্তাৱৰ আধাৰত গুৰুত্ব দিয়া হয়। সত্যটো হ'ল ৰাষ্ট্ৰীয় বাজেট হ্ৰস্বম্যাদী ব্যৱসায়িক নথি নহয়; ই হৈছে এক নীতিগত কৰ্ম-পৰিকল্পনা। গতিকে বাজেটৰ ফলপ্ৰসূতা আন্তঃগাঁথনি সম্প্ৰসাৰণ, ঋণ প্ৰবাহৰ সুবিধা প্ৰদান আৰু ব্যৱসায় কৰাৰ সহজতা উন্নত কৰাৰ দৰে নীতিৰ সুনিৰ্দিষ্ট পৰিমাপকসমূহৰ ভিত্তিত মূল্যায়ন কৰিব লাগিব। বাজেটৰ সিদ্ধান্তই অৰ্থনীতিক স্থায়ী শক্তি প্ৰদান কৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল কোনো বাজেটক পৃথকে পৃথকে চোৱা উচিত নহয়। প্ৰতিখন বাজেট এক বৃহত্তৰ লক্ষ্যৰ দিশত আগবঢ়োৱা একোটা পদক্ষেপ আৰু দেশৰ লক্ষ্য হৈছে ২০৪৭ চনৰ ভিতৰত 'বিকশিত ভাৰত' গঢ়ি তোলা। প্ৰতিটো সংস্কাৰ, প্ৰতিটো আবণ্টন আৰু প্ৰতিটো পৰিৱৰ্তনক এই দীঘলীয়া যাত্ৰাৰ অংশ হিচাপে গণ্য কৰিব লাগিব।

## বাজেট-উত্তৰ ৱেবিনাৰৰ কিয়দংশ...


- ৱেবিনাৰখনত ৰাজহুৱা মূলধনী ব্যয় বৃদ্ধি, আন্তঃগাঁথনিৰ উন্নয়ন, বেংকিং খণ্ডৰ সংস্কাৰ, বিত্তীয় খণ্ডৰ গাঁথনি শক্তিশালী কৰা আদি প্ৰসংগত আলোচনা কৰা হয়।
- কৰ সংস্কাৰৰ জৰিয়তে মূলধনী বজাৰ শক্তিশালী কৰা আৰু নাগৰিকৰ জীৱন-যাপনৰ সুবিধা উন্নত কৰাৰ প্ৰসংগত বিস্তৃত আলোচনা কৰা হয়।
- ৱেবিনাৰখনৰ লক্ষ্য আছিল ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটৰ ঘোষণাসমূহৰ শক্তিশালী ৰূপায়ণ নিশ্চিত কৰিবলৈ অতীতৰ অভিজ্ঞতাৰ পৰা শিকিব পৰা আৰু অংশগ্ৰহণকাৰীসকলৰ পৰা মতামত সংগ্ৰহ কৰা।
- ৱেবিনাৰখনে উদ্যোগ, বিত্তীয় প্ৰতিষ্ঠান, বজাৰ অংশগ্ৰহণকাৰী, চৰকাৰ, উদ্যোগ নিয়ন্ত্ৰক, আৰু শিক্ষাবিদসকলৰ দৰে অংশীদাৰসকলক সন্মিলিত কৰি মূল বাজেট ঘোষণাসমূহৰ বাবে ফলপ্ৰসূ ৰূপায়ণৰ পথসমূহৰ বিষয়ে আলোচনা কৰে।

“

আমি বিদেশী বিনিয়োগৰ কাঠামো আৰু অধিক সৰল কৰি তুলিছোঁ। আমাৰ প্ৰচেষ্টা হৈছে ব্যৱস্থাটোক অধিক ভৱিষ্যদৰ্শী আৰু বিনিয়োগকাৰীৰ অনুকূল কৰি তোলা। দীৰ্ঘম্যাদী বিত্তায়নৰ উন্নতি আৰু বণ্ড বজাৰখনক অধিক গতিশীল কৰাৰ বাবেও আমি পদক্ষেপ গ্ৰহণ কৰিছোঁ

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

(২৮ ফেব্ৰুৱাৰীৰ বাজেট ৱেবিনাৰত)



ভাৰতে বহু দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰিছে। আমাৰ বাবে মুকলি হৈছে সুযোগৰ এক বিশাল খিৰিকী। গতিকে গুণগত মানক লৈ কেতিয়াও আপোচ নকৰাটো হ'ব আমাৰ দায়িত্ব

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

(৩ মাৰ্চৰ বাজেট ৱেবিনাৰত)

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

গঢ়ি তোলোঁ যিয়ে বিকশিত ভাৰতৰ সপোন শীঘ্ৰেই বাস্তৱায়িত কৰিব।” ৩ মাৰ্চত অনুষ্ঠিত বাজেট ৱেবিনাৰত, “অৰ্থনৈতিক বিকাশ বৰ্তাই ৰখা আৰু শক্তিশালী কৰা” প্ৰসংগত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আজি বিশ্বই এক নিৰ্ভৰযোগ্য আৰু স্থিতিস্থাপক উৎপাদন অংশীদাৰৰ সন্ধানত আছে।

# ভাৰতৰ সামুদ্ৰিক বিপ্লৱক শক্তিসমৃদ্ধ কৰাৰ প্ৰয়াস

আয়তনৰ হিচাপত দেশৰ প্ৰায় ৯৫% আৰু মূল্যৰ হিচাপত প্ৰায় ৭০% বাণিজ্যই এতিয়াও দেশৰ সামুদ্ৰিক পথসমূহেৰে সম্পন্ন হয়, যিয়ে সমুদ্ৰক ভাৰতৰ বাণিজ্যৰ জীৱনৰেখা হিচাপে উজলাই তুলিছে। এই সজীৱতাক শক্তিশালী কৰিবলৈ 'সাগৰমালা কাৰ্যসূচী' হৈছে 'সামুদ্ৰিক অমৃত কাল দৃষ্টিভংগী ২০৪৭' আৰু 'সামুদ্ৰিক ভাৰত দৃষ্টিভংগী ২০৩০'ৰ এক মূল স্তম্ভ। ২৫ মাৰ্চত সাগৰমালা কাৰ্যসূচীয়ে ১১ সংখ্যক জয়ন্তী উদযাপন কৰিব, য'ত বন্দৰ উন্নয়ন, আৰু সংযোগ শক্তিশালী কৰা ২৮০টা প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে...

২০৪৭ চনৰ ভিতৰত 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'বিকশিত ভাৰত'ৰ লক্ষ্যত উপনীত হ'বলৈ বৰ্তমান চৰকাৰে অসংখ্য কাৰ্যসূচী আৰু পদক্ষেপ ৰূপায়ণ কৰি আছে। ভৱিষ্যতৰ বাবে সাজু ভাৰতে নিজৰ ৭৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূল আৰু ১৪,৫০০ কিলোমিটাৰ যাতায়াত-সম্ভৱ জলপথক সুযোগৰ পৰিদৃশ্যলৈ ৰূপান্তৰিত কৰিছে। বিশ্বৰ সামুদ্ৰিক শক্তি হিচাপে পৰিগণিত হ'বলৈ ভাৰতে সামুদ্ৰিক পৰিতন্ত্ৰ গঢ়ি তুলিবলৈ কাম কৰি আছে। ইয়াৰ বাবে ভাৰতৰ লজিষ্টিক ব্যয় হ্ৰাস, অৰ্থনৈতিক উন্নয়ন বৃদ্ধি, আৰু নিয়োগ সৃষ্টিৰ জৰিয়তে উপকূলীয় নাগৰিকৰ অৰ্থনৈতিক অৱস্থা শক্তিশালী কৰাৰ বাবে সামুদ্ৰিক অমৃত কাল দৃষ্টিভংগী ২০৪৭ আৰু সামুদ্ৰিক ভাৰত দৃষ্টিভংগী ২০৩০ প্ৰৱৰ্তন কৰা হৈছে। এই ডাঙৰ লক্ষ্যসমূহৰ আধাৰত ২০১৫ চনৰ ২৫ মাৰ্চত কেন্দ্ৰীয় মন্ত্ৰীসভাই সাগৰমালা দৃষ্টিভংগী আৰু প্ৰতিষ্ঠানিক কাঠামোলৈ অনুমোদন জনাইছিল। ২০১৬ চনৰ ১৪ এপ্ৰিলত অনুষ্ঠিত 'সামুদ্ৰিক ভাৰত শীৰ্ষ সন্মিলন'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই খণ্ডত গোলকীয় বিনিয়োগ সন্দৰ্ভত ভাষণ দি কয় যে, "ভাৰতলৈ অহাৰ এইটোৱেই হৈছে সঠিক সময়। সাগৰৰ মাজেৰে অহাটো আৰু ভাল হ'ব। ভাৰতীয় জাহাজসমূহ দীঘলীয়া যাত্ৰাৰ বাবে সুসজ্জিত হৈ উঠিছে, এই সুযোগ নেহেৰুৱাব।"

'সামুদ্ৰিক দৃষ্টিভংগী ২০৩০'ৰ ভিত্তিত গ্ৰহণ কৰা ' অমৃত কাল ভিজন ২০৪৭'ৰ



## পাঁচটা স্তম্ভ

### বন্দৰৰ আধুনিকীকৰণ

২.৯১ লাখ কোটি টকাৰ ২৩৪টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে, সম্পূৰ্ণ হৈছে ১০৩টা। ২৩০ এমটিপিএ-ৰ পৰিমাণৰ সামৰ্থ্য যোগ কৰা হৈছে।

### বন্দৰৰ সংযোগ

২.০৬ লাখ কোটি টকাৰ ২৭৯টা প্ৰকল্পৰ কাম চলি আছে। ৯২টা প্ৰকল্প সম্পূৰ্ণ হৈছে, যাৰ ফলত বন্দৰ-সংযোগ ১৫০০ কিলোমিটাৰ বৃদ্ধি পাইছে।

### বন্দৰ-নেতৃত্বাধীন ঔদ্যোগীকৰণ

৫৫,০০০ কোটি টকা ব্যয়সাপেক্ষ ১৪টা প্ৰকল্পৰ কাম চলি আছে, সম্পূৰ্ণ হৈছে ৯টা।

### উপকূলীয় সম্প্ৰদায়ৰ উন্নয়ন

২৬,০০০ কোটি টকাৰ ৩১০ টাতকৈয়ো অধিক প্ৰকল্প। ৩০ হাজাৰতকৈয়ো অধিক মাছমৰীয়া উপকৃত হৈছে, আৰু উপকূলীয় আন্তঃগাঁথনিৰো উন্নতি ঘটিছিল।

### উপকূলীয় জাহাজ পৰিবহণ আৰু অভ্যন্তৰীণ জলপথ

১১৯টা প্ৰকল্পৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ আবণ্টন দিয়া হৈছে ১০,০০০ কোটি টকা।

### পথ আৰু ৰে'ল প্ৰকল্প

যদিও ইয়াৰ নামেৰে সাগৰমালা কাৰ্যসূচীৰ নামকৰণৰ দিহা কৰা হৈছে, তথাপিও ইয়াত ২৭২টা পথ আৰু ৰে'ল সংযোগ প্ৰকল্পও অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰে ৭৪টা প্ৰকল্প সম্পূৰ্ণ হৈছে, ৬৭টা নিৰ্মাণৰ কাম চলি আছে, আৰু বিভিন্ন পৰ্যায়ত আছে ১৩১টা।

### ১২৮টা প্ৰকল্পলৈ বিত্তীয় সাহায্য


সাগৰমালা কাৰ্যসূচীৰ অধীনত ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহ পৰ্যন্ত ১২৮টা প্ৰকল্পৰ বাবে বিত্তীয় সাহায্য অনুমোদন জনোৱা হৈছে, যাৰ মুঠ ব্যয় হৈছে ৮,৯৩৬ কোটি টকা। ইয়াৰে ৭৮টা প্ৰকল্প সম্পূৰ্ণ হৈছে, আনহাতে ৩,৫৮১ কোটি টকাৰ ৫০টা প্ৰকল্পৰ ৰূপায়ণ বিভিন্ন পৰ্যায়ত চলি আছে।

লক্ষ্য হৈছে ৪০ লাখ জিআৰটি আৰু বন্দৰৰ জাহাজ নিৰ্মাণ সামৰ্থ্য আহৰণ কৰা¡ বছৰি ১০ বিলিয়ন মেট্ৰিক টনৰ হেণ্ডলিং। উদ্দেশ্য হৈছে ২০৪৭ চনৰ ভিতৰত ভাৰতক শীৰ্ষ পাঁচখন জাহাজ নিৰ্মাণকাৰী ৰাষ্ট্ৰৰ ভিতৰত স্থান দিয়া। এই লক্ষ্যসমূহ লাভ কৰাত সাগৰমালা কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

'সাগৰমালা কাৰ্যসূচী'ৰ অধীনত প্ৰায় ৮৩৯টা প্ৰকল্প চিনাক্ত কৰা হৈছে, যাৰ আনুমানিক ব্যয় প্ৰায় ৫.৭৯ লাখ কোটি টকা। ইয়াৰে মুঠ প্ৰকল্প ব্যয় ২.৪২ লাখ কোটি টকাৰ ১১৯টা প্ৰকল্প ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব (পিপিপি) পদ্ধতিৰে ৰূপায়ণ কৰা হৈছে। প্ৰায় ১.৪২ লাখ কোটি টকাৰ বিনিয়োগেৰে ২৮০টা সাগৰমালা প্ৰকল্প সম্পূৰ্ণ হৈছে। ১.৬২ লাখ কোটি টকাৰ ২০৯টা প্ৰকল্প ৰূপায়ণৰ কাম চলি থকাৰ বিপৰীতে ২.৭৫ লাখ কোটি টকাৰ ৩৫০টা প্ৰকল্প উন্নয়নৰ বিভিন্ন পৰ্যায়ত আছে। সাগৰমালাই ভাৰতৰ বন্দৰসমূহৰ কাৰ্যকলাপৰ গতি বৃদ্ধি কৰিছে, উপকূলীয় অৰ্থনীতি উন্নীত কৰিছে আৰু অভ্যন্তৰীণ জলপথসমূহ পুনৰুজ্জীৱিত কৰিছে, যাৰ ফলত দেশৰ গোলকীয় লজিষ্টিক ৰেংকিং উন্নত হৈছে। ভাৰত চৰকাৰৰ তথ্য অনুসৰি এটা দশকত উপকূলীয় জাহাজ পৰিবহণ ১১৮% বৃদ্ধি পাইছে, ৰ'-পেক্স ফেৰীয়ে ৪০ লাখতকৈয়ো অধিক যাত্ৰী সৰবৰাহ কৰিছে। অভ্যন্তৰীণ জলপথেৰে মাল-বস্তুৰ সৰবৰাহ ৭০০% হাৰে বৃদ্ধি পাইছে। বিশ্বৰ শীৰ্ষ ১০০টা বন্দৰৰ ভিতৰত ৯টা হৈছে ভাৰতীয় বন্দৰ, শীৰ্ষ ২০টা কণ্টেইনাৰ বন্দৰৰ ভিতৰত আছে বিশাখাপট্টনম। ভাৰতীয় বন্দৰসমূহে এতিয়া মূল মাপকসমূহত উন্নত সামুদ্ৰিক ৰাষ্ট্ৰসমূহক অতিক্ৰম কৰিছে।

### সাগৰমালা...আন্তঃগাঁথনি উন্নয়ন আৰু নিয়োগ সৃষ্টি

সাগৰমালা-ৰ সকলো স্তম্ভই সামগ্ৰিকভাৱে ডিজিটেল আন্তঃগাঁথনি, উপকূলীয় সম্প্ৰদায়ৰ বাবে দক্ষতা বিকাশ আৰু নিয়োগ সৃষ্টি, আৰু বন্দৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে আভ্যন্তৰীণ জল পৰিবহণ আৰু ৰপ্তানি-আমদানি বাণিজ্যৰ প্ৰতিযোগিতামূলক সামৰ্থ্য বৃদ্ধি কৰিছে। বহুমাত্ৰিক লজিষ্টিক পাৰ্ক, জাহাজ মেৰামতি ক্লাষ্টাৰ আৰু সেউজ হাইড্ৰজেন ইন্ধন হাবৰ দৰে সহায়ক উদ্যোগসমূহক প্ৰসাৰিত কৰা হ'ব, যিয়ে শক্তিশালী অৰ্থনৈতিক প্ৰভাৱ পেলাব, জীৱিকা, আঞ্চলিক উন্নয়ন, আৰু সামুদ্ৰিক খণ্ডৰ প্ৰতিযোগিতামূলক সামৰ্থ্য বৃদ্ধি কৰিব। সামুদ্ৰিক অমৃত কাল দৃষ্টিভংগীয়ে ২০৪৭ চনৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব।



ৰাষ্ট্ৰপতিৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।

# চক্ৰৱৰ্তী ৰাজগোপালাচাৰীৰ জীৱন ৰাষ্ট্ৰৰ প্ৰতি অদম্য সমৰ্পণৰ প্ৰতীক

'আজাদী কা অমৃত মহোৎসৱ'ৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ পৰা পাঁচটা মূল নীতিৰ ৰূপৰেখা দাঙি ধৰিছিল। তাৰ ভিতৰত এটা আছিল দাসত্বৰ মানসিকতাৰ পৰা মুক্তি। এই কাৰণেই আজি দেশখনে দাসত্বৰ প্ৰতীকবোৰক পৰিহাৰ কৰি ভাৰতীয় সংস্কৃতিৰ প্ৰতীকসমূহক আঁকোৱালি ল'বলৈ আৰম্ভ কৰিছে। ৰাষ্ট্ৰপতি ভৱনেও এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি ২৩ ফেব্ৰুৱাৰীত 'ৰাজজী উৎসৱ' উদযাপন কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি ভৱনৰ কেন্দ্ৰীয় প্ৰাংগণত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গৱৰ্ণৰ জেনেৰেল চক্ৰৱৰ্তী ৰাজগোপালাচাৰীৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়...

স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গৱৰ্ণৰ জেনেৰেল চক্ৰৱৰ্তী ৰাজগোপালাচাৰী ক্ষমতাক পদবী হিচাপে নহয় বৰং সেৱা হিচাপে গণ্য কৰাসকলৰ অন্যতম আছিল। ৰাজহুৱা জীৱনত তেওঁৰ আচৰণ, আত্মসংযম, স্বাধীন চিন্তাধাৰাই ৰাষ্ট্ৰখনক অনুপ্ৰাণিত কৰি আহিছে। দুৰ্ভাগ্যজনকভাৱে স্বাধীনতাৰ পিছতো ৰাষ্ট্ৰপতি ভৱনত ব্ৰিটিছ প্ৰশাসকসকলৰ মূৰ্তিবোৰ থাকি গ'ল যদিও ৰাষ্ট্ৰৰ সৰ্বশ্ৰেষ্ঠ সন্তানসকলৰ মূৰ্তিসমূহক স্থান দিয়া নহ'ল। ব্ৰিটিছ স্থপতিবিদ এডউইন লুটিয়েন্সৰ প্ৰতিমূৰ্তিও ৰাষ্ট্ৰপতি ভৱনত থিয় হৈ আছিল। এই প্ৰতিমূৰ্তিৰ ঠাইত এতিয়া ৰাজজী নামেৰে প্ৰসিদ্ধ চি ৰাজগোপালাচাৰীৰ প্ৰতিমূৰ্তি উন্মোচন কৰিছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। এই উপলক্ষে ভাষণ দি তেওঁ কয় যে 'ৰাজজী' যেতিয়া চৰকাৰী ভৱন (বৰ্তমান ৰাষ্ট্ৰপতি ভৱন নামেৰে পৰিচিত)ত উপস্থিত হৈছিলহি তেতিয়া তেওঁ নিজৰ কোঠাত ৰামকৃষ্ণ পৰমহংস আৰু মহাত্মা গান্ধীৰ প্ৰতিকৃতি ওলোমাই লৈছিল। ৰাজজীৰ চিন্তা আৰু কৰ্মই ভাৰতীয় চেতনা আৰু সকলো ভাৰতীয় বিশেষকৈ দুৰ্বল শ্ৰেণীৰ সৈতে তেওঁৰ সম্পৰ্ক স্পষ্টভাৱে প্ৰতিফলিত কৰে। ৰাষ্ট্ৰপতি ভৱন হৈছে "ৰাষ্ট্ৰ কা ভৱন"; ই হৈছে দেশৰ নাগৰিকসকলৰ। ৰাষ্ট্ৰপতি ভৱন আৰু হায়দৰাবাদ, চিমলাত থকা ৰাষ্ট্ৰপতিৰ অন্যান্য ভূ-সম্পদসমূহ, আৰু ডেৰাডুনক ভাৰতৰ গণতন্ত্ৰৰ পৰম্পৰা আৰু ইয়াৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে জানিব



## ৰাষ্ট্ৰপতি ভৱনত ‘ৰাজজী উৎসৱ’

- ৰাষ্ট্ৰপতিয়ে ‘ৰাজজী’ৰ জীৱন আৰু কৰ্মৰাজিৰ আধাৰত নিৰ্মিত আলোকচিত্ৰ আৰু পাণ্ডুলিপি উন্মোচন কৰে। এখন গ্ৰন্থ প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। ‘ৰাজজী’ৰ জীৱন আধাৰিত এখন ছবিও প্ৰদৰ্শিত হৈছিল।
- ৰাষ্ট্ৰপতি আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলেও কাৰ্যক্ৰমৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে।

### দাসত্বৰ মানসিকতাৰ পৰা মুক্তি

মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ বিপৰীতে ‘অশোক মণ্ডপ’ৰ সমীপৰ ‘গ্ৰেণ্ড চিৰি’ত স্থাপন কৰা চি ৰাজগোপালাচাৰীৰ প্ৰতিমূৰ্তিটোৱে এডউইন লুটিয়েন্সৰ প্ৰতিমূৰ্তিটোক প্ৰতিস্থাপিত কৰিছে। এই পদক্ষেপ হৈছে ঔপনিৱেশিক মানসিকতাৰ লেখা-জোখা মচি ভাৰতৰ চহকী সংস্কৃতি, ঐতিহ্য, আৰু কালজয়ী পৰম্পৰাসমূহক গৌৰৱেৰে আঁকোৱালি লোৱাৰ বাবে গ্ৰহণ কৰা ধাৰাবাহিক পদক্ষেপৰ অংশ।

### পৰিৱৰ্তনসমূহে চৰকাৰৰ “সেৱাৰ মনোভাৱ”ক প্ৰতিফলিত কৰে

‘ৰাজ ভৱন’ হৈ উঠিছে ‘লোক ভৱন’। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় হৈছে ‘সেৱা তীৰ্থ’। কেন্দ্ৰীয় সচিবালয়ক ‘কৰ্তব্য ভৱন’লৈ ৰূপান্তৰিত কৰা হৈছে। ঔপনিৱেশিক যুগৰ অপৰাধমূলক আইনসমূহৰ সংশোধন কৰা হৈছে। ‘ইণ্ডিয়া গে’ট’ৰ সমীপত স্থাপন কৰা হৈছে ‘নেতাজী’ সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তি। ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক নিৰ্মাণ কৰা হৈছে। এই পৰিৱৰ্তনসমূহ কেৱল প্ৰতীকী নহয়, বৰঞ্চ এইবোৰে চৰকাৰৰ “সেৱাৰ মনোভাৱ”ক প্ৰতিফলিত কৰে।

### ...যেতিয়া ‘ৰাজজী’য়ে ৰাষ্ট্ৰপতি ভৱন চৌহদত খেতি কৰিবলৈ আৰম্ভ কৰিছিল

ব্ৰিটিছ শাসনৰ সময়ত ভাৰতৰ জনসাধাৰণে দুৰ্ভিক্ষ, খৰাং আদি অসংখ্য দুৰ্যোগৰ সন্মুখীন হৈছিল। স্বাধীনতাৰ পিছতো নাগৰিকে খাদ্যৰ অভাৱৰ সৈতে যুঁজিবলগীয়া হৈছিল। দেশবাসীৰ প্ৰতি থকা মমতাৰ বাবে আৰু কৃষকক অনুপ্ৰাণিত কৰিবলৈ বহুমুখী প্ৰতিভাধৰ ‘ৰাজজী’য়ে ৰাষ্ট্ৰপতি ভৱন চৌহদৰ ভিতৰতে খেতি কৰিবলৈ আৰম্ভ কৰিছিল। পথাৰত নিজে খেতি কৰি তেওঁ এক প্ৰেৰণাদায়ক আদৰ্শ দাঙি ধৰিছিল। তদুপৰি আইন, স্বাধীনতা সংগ্ৰাম, সামাজিক আৰু অৰ্থনৈতিক সংস্কাৰ, প্ৰাচীন ভাৰতীয় গ্ৰন্থ, তামিল আৰু ইংৰাজী লেখা, কবিতা আৰু সংগীত, ৰাজনীতি আৰু শাসন ব্যৱস্থাৰ প্ৰতি তেওঁৰ অৱদানে এই ক্ষেত্ৰসমূহ সমৃদ্ধ কৰি তুলিছিল।

> এক প্ৰশংসনীয় প্ৰচেষ্টা, যিয়ে আমাৰ ভাগ্য গঢ় দিওঁতাসকলক সন্মান জনোৱা আৰু ঔপনিৱেশিক মানসিকতাৰ অৱশিষ্টকণকো আঁতৰাই দিয়াৰ বাবে ভাৰতে গ্ৰহণ কৰা সংকল্পক প্ৰতিফলিত কৰে। ‘ৰাজজী’ আছিল এগৰাকী উচ্চস্তৰৰ পণ্ডিত, স্বাধীনতা সংগ্ৰামী, চিন্তাবিদ আৰু প্ৰশাসক। তেওঁৰ জীৱন সততা, বুদ্ধিদীপ্ততা আৰু ৰাষ্ট্ৰৰ প্ৰতি অটল দায়বদ্ধতাৰ প্ৰতীক আছিল
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



বিচৰা সকলোকে আদৰিবলৈ মুকলি কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে যে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনৰ কৰিড’ৰত ভাৰতক শোষণ কৰা ব্ৰিটিছ সাম্ৰাজ্যবাদী বিষয়াসকলৰ প্ৰতিকৃতি ওলোমাই থোৱা হৈছিল। এতিয়া “পৰম বীৰ দীৰ্ঘ” নামেৰে অভিহিত এই বীথিকা ‘পৰম বীৰ চক্ৰ বঁটা’ বিজয়ীসকলৰ প্ৰতিকৃতিৰে সজ্জিত হৈছে। ভাৰতৰ ধ্ৰুপদী ভাষাৰ গ্ৰন্থ আৰু পাণ্ডুলিপিত জমা হোৱা জ্ঞানৰ মহান পৰম্পৰা ৰক্ষাৰ বাবে ৰাষ্ট্ৰপতি ভৱনত গ্ৰন্থ কুটিৰ প্ৰতিষ্ঠা কৰা হৈছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে “ৰাজজী উৎসৱ”ত ভাষণ দি কয় যে ৰাজজী উৎসৱ উদযাপন কৰি আমি ঔপনিৱেশিক উত্তৰাধিকাৰিত্বৰ পৰা মুক্তিৰ পথত আন এক মাইলৰ খুঁটি অৰ্জন কৰিছোঁ। ঔপনিৱেশিক প্ৰভাৱৰ পৰা মুক্ত হৈছে ভাৰত। এয়া এক পৰিঘটনা নহয়; ই হৈছে শাসন, আইন, শিক্ষা, সংস্কৃতি আৰু ৰাষ্ট্ৰীয় পৰিচয়ৰ ক্ষেত্ৰত এক নিৰন্তৰ ৰূপান্তৰণ।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

# উন্নয়নৰ নতুন পথত ধাৱমান ৰাজস্থান

**ৰাজস্থানক উন্নয়নৰ পথত দ্ৰুতগতিত আগুৱাই নিবলৈ পথ, বিদ্যুৎ, পানী, স্বাস্থ্য আৰু শিক্ষা - প্ৰতিটো খণ্ডকে শক্তিশালী কৰা হৈছে। কিয়নো ৰাজস্থানৰ বিকাশ হোৱা মাত্ৰেকেহে ইয়াৰ প্ৰতিটো পৰিয়ালৰ জীৱন সমৃদ্ধিশালী হ'ব। ৰাজ্যখন আৰু ইয়াৰ নাগৰিকসকলক সমৃদ্ধিৰ পথত আগুৱাই নিয়াৰ প্ৰয়াস স্বৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ ফেব্ৰুৱাৰীত ৰাজস্থানৰ আজমেৰত প্ৰায় ১৭,০০০ কোটি টকা মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰাজি উদ্বোধন কৰে**

উন্নত পথ, আধুনিক ৰেল আৰু বিমান সংযোগে কেৱল ভ্ৰমণক সহজ কৰি তোলাই নহয়, বৰঞ্চ সমগ্ৰ অঞ্চল এটাৰ ভাগ্যও ৰূপান্তৰিত কৰে। প্ৰতিখন গাঁৱৰে বাট-পথসমূহ উন্নত হৈ পৰাৰ লগে-লগে কৃষকসকলে উচিত মূল্যত তেওঁলোকৰ দ্বাৰা উৎপাদিত শস্য বিক্ৰী কৰিবলৈ সক্ষম হয়। ব্যৱসায়ীসকলে সহজেই নিজৰ সামগ্ৰী ৰপ্তানি কৰিব পাৰে। ৰাজস্থানৰ আজমেৰত উন্নয়নমূলক প্ৰকল্পৰাজি উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পৰ্যটকৰ আগমনৰ লগে লগে হোটেলসমূহে প্ৰাণ পাই উঠা, ধাবাসমূহ উজ্জীৱিত হোৱাটো স্বাভাৱিক। একেদৰে কচুৰি আৰু দাইল বাটি অধিক জনপ্ৰিয় হৈ পৰাটো স্বাভাৱিক। ইয়াত ৰাজস্থানী শিল্পীসকলৰ দ্বাৰা নিৰ্মিত সামগ্ৰী বিক্ৰী হয়, টেক্সীসমূহ চলিবলৈ ধৰে আৰু গাইডসকলে কাম বিচাৰি পায়। অৰ্থাৎ এগৰাকী পৰ্যটক একাধিক পৰিয়ালৰ জীৱিকাৰ উপায় হৈ পৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই চৰকাৰে ৰাজস্থানৰ আধুনিক যোগাযোগ ব্যৱস্থাৰ ওপৰত ব্যাপক গুৰুত্ব আৰোপ কৰিছে।

চৰকাৰৰ নদী-সংযোগ অভিযানৰ ফলত ৰাজস্থান যথেষ্ট লাভান্বিত হ'ব। সংশোধিত পাৰ্বতী-কালীসিন্ধ-চম্বল সংযোগী প্ৰকল্পই হওক বা যমুনা-ৰাজস্থান সংযোগী প্ৰকল্পই হওক, ইয়াৰ ডাবল-ইঞ্জিন চৰকাৰ এনে অসংখ্য জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে কৃষকসকল উপকৃত হোৱাটো নিশ্চিত কৰিবলৈ অংগীকাৰবদ্ধ। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ঝালাৱাৰ, বৰান, কোটা আৰু বুণ্ডী জিলাত কেইবাটাও জল প্ৰকল্পৰ কাম আৰম্ভ হৈছে। তেওঁ কয় যে আমি ৰাজস্থানৰ ভূগৰ্ভস্থ জলৰ স্তৰ বৃদ্ধিৰ অৰ্থে প্ৰচেষ্টা গ্ৰহণ কৰিছো।

### প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজস্থানক কেইবাটাও উন্নয়নমূলক প্ৰকল্প উপহাৰ দিয়ে

- ৰাজস্থানৰ আজমেৰত ১৬,৬৮০ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়।
- এই প্ৰকল্পসমূহে নগৰ উন্নয়ন, খোৱাপানী যোগান, পথ, জলসিঞ্চন, শক্তি আৰু ঔদ্যোগিক আন্তঃগাঁথনিকে প্ৰমুখ্য কৰি মূল মূল খণ্ডসমূহক সামৰি লৈছে।
- প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজস্থানৰ চৰকাৰী বিভাগ আৰু সংস্থাসমূহত নতুনকৈ নিয়োগ লাভ কৰা ২১,৮০০ ৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰে।

> ৰাজস্থানৰ যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগে-লগে বিনিয়োগৰ সুযোগো বাঢ়িছে। দিল্লী-মুম্বাই ঔদ্যোগিক কৰিডৰৰ কাষেৰে উদ্যোগৰ বাবে এক বৃহৎ আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে।
>
> নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

ভাৰত-কানাডাৰ অংশীদাৰিত্ব

# মূলধন আৰু সম্ভাৱনাৰ সংহতি

ভাৰত আৰু কানাডা হৈছে স্পন্দনশীল গণতন্ত্ৰ, বিশ্বৰ আগশাৰীৰ অৰ্থনীতিসমূহৰ অন্যতম। আজি ভাৰত বিশ্বৰ দ্ৰুত-বৰ্ধমান প্ৰধান অৰ্থনীতি হৈ পৰিছে। প্ৰচুৰ ঘৰুৱা চাহিদা, যুৱ সমাজ, বৃহৎ বিনিয়োগ, ডিজিটেল প্ৰযুক্তিৰ শক্তি আৰু ভাৰতৰ সংস্কাৰ কাৰ্য্যসূচীৰ দ্বাৰা এই ৰূপান্তৰ সম্ভৱ হৈছে। ২৭ ফেব্ৰুৱাৰীৰ পৰা ২ মাৰ্চলৈ কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ চৰকাৰী ভাৰত ভ্ৰমণে পুঁজি আৰু সম্ভাৱনাৰ এই সংযুক্ত শক্তিক অধিক বৃদ্ধি কৰে...

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিয়ে ভাৰত ভ্ৰমণ কৰে। প্ৰধানমন্ত্ৰী হোৱাৰ পিছত কাৰ্নিৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ আৰু ২০১৮ৰ পিছত কানাডাৰ প্ৰধানমন্ত্ৰীৰ প্ৰথম ভাৰত ভ্ৰমণ। উক্ত ভ্ৰমণকালত কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয় আৰু একাধিক গুৰুত্বপূৰ্ণ ঘোষণা কৰা হয়। এক যৌথ বিবৃতিত দুয়োখন দেশৰ নেতাদ্বয়ে কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৯ সংখ্যক বাৰ্ষিকী উদযাপন কৰি কানাডা-ভাৰতৰ সম্পৰ্কৰ গুৰুত্বৰ কথা দোহাৰে। দুয়োগৰাকী নেতাই অব্যাহত থকা উচ্চ-পৰ্য্যায়ৰ আলোচনাক আদৰণি জনাই যুটীয়া বিবৃতিত উল্লেখ কৰা পদক্ষেপসমূহে ভাৰত-কানাডাৰ অংশীদাৰিত্বক অধিক শক্তিশালী, পাৰস্পৰিক বিশ্বাসক গভীৰ আৰু দুয়োখন দেশ তথা ইয়াৰ জনসাধাৰণ বাবে সুনিৰ্দিষ্ট, দীৰ্ঘ-ম্যাদী সুবিধা প্ৰশস্ত কৰিব বুলি আস্থা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত-কানাডা চিইঅ' ফ'ৰামতো ভাষণ প্ৰদানেৰে কয়, আমাৰ অংশীদাৰিত্ব কেৱল ৰাষ্ট্ৰীয় ৰাজধানীতে সীমাবদ্ধ থাকিব নালাগে; বৰঞ্চ আমি ইয়াক ৰাজ্য আৰু প্ৰদেশসমূহলৈ সম্প্ৰসাৰিত কৰিব লাগিব।

ভাৰত আৰু কানাডাৰ গণতান্ত্ৰিক প্ৰমূল্যবোধৰ ওপৰত দৃঢ় বিশ্বাস আছে। আমি বৈচিত্ৰ্যক উদযাপন কৰোঁ। মানৱতাৰ মংগল হৈছে আমাৰ উমৈহতীয়া দৃষ্টিভংগী। এই দৃষ্টিভংগীয়ে আমাক প্ৰতিটো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*

## চুক্তিসমূহ

- ভাৰত-কানাডা সৰ্বাংগীণ অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ বিচাৰ্য বিষয়
- প্ৰযুক্তি আৰু উদ্ভাৱনী সহযোগিতাৰ ভাৰত-কানাডা-অষ্ট্ৰেলিয়াৰ ত্ৰিপাক্ষিক চুক্তি।
- ইউৰেনিয়াম অ'ৰ কনচেনট্ৰেট যোগানৰ বাবে পাৰমাণৱিক শক্তি বিভাগ আৰু কানাডাৰ কোম্পানী কেমেকোৰ মাজত বাণিজ্য চুক্তি।
- গ্ল'বেলিংক ৰিছাৰ্চ ইণ্টাৰ্ণশ্বিপৰ বাবে এআইচিটিই আৰু কানাডাৰ মিটাকছৰ মাজত চুক্তি।
- ক্ৰিটিকেল মিনাৰেল সন্দৰ্ভত সহযোগিতাৰ চুক্তি
- নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ প্ৰসাৰিতকৰণৰ চুক্তি
- সাংস্কৃতিক সহযোগিতাৰ চুক্তি

## ঘোষণাসমূহ

- কৃত্ৰিম বুদ্ধিমত্তা, স্বাস্থ্যসেৱা, কৃষি আৰু উদ্ভাৱনৰ দৰে ক্ষেত্ৰসমূহত বিশ্ববিদ্যালয়/ প্ৰতিষ্ঠানৰ মাজত ২৪খন চুক্তি।
- কানাডাই ইণ্টাৰনেচনেল ছ'লাৰ এলায়েন্স আৰু গ্ল'বেল বায়'ফুৱেলছ এলায়েন্সত যোগদান কৰিব।
- ভাৰত-কানাডা সংসদীয় বন্ধুত্ব গোট স্থাপন।
- ভাৰত-কানাডা চিইঅ' ফ'ৰামৰ পুনৰ্গঠন।
- ভাৰত-কানাডা প্ৰতিৰক্ষা আলোচনা আৰম্ভ।
- ইউনিভাৰ্চিটিজ কানাডাই নতুন কানাডা-ভাৰত যৌথ প্ৰতিভা আৰু উদ্ভাৱন কৌশলৰ শুভাৰম্ভ কৰে।

ভাৰত-ফ্ৰান্সৰ সহযোগিতাৰ এক নতুন অধ্যায়

# কৌশলগত আস্থাৰ পৰা বিশ্ব নেতৃত্বলৈ

ভাৰত আৰু ফ্ৰান্সৰ মাজৰ কেইবাদশক-পুৰণি কৌশলগত অংশীদাৰিত্ব শেহতীয়া বছৰ কেইটাত নতুন শিখৰত উপনীত হয়। উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্যবোধ, বহুমেৰু বিশ্ব ব্যৱস্থাৰ প্ৰতি সমৰ্থন আৰু বিশ্ব শান্তিৰ প্ৰতি দায়বদ্ধতাই দুয়োখন দেশকে স্বাভাৱিক অংশীদাৰ কৰি তুলিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ চতুৰ্থ ভাৰত ভ্ৰমণে এই আস্থা আৰু সহযোগিতাক অধিক গভীৰ কৰি তোলে। তেওঁৰ উক্ত ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত প্ৰতিৰক্ষা, মহাকাশ, সামুদ্ৰিক নিৰাপত্তা, স্বচ্ছ শক্তি, প্ৰযুক্তি আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিসমূহে ভাৰত-ফ্ৰান্সৰ সম্পৰ্কক নতুন দিশ আৰু গতি প্ৰদান কৰিব...

২০৪৭-ত ভাৰতৰ স্বাধীনতাৰ শতবাৰ্ষিকীৰ শুভলগনতে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ১০০ বছৰ আৰু কৌশলগত অংশীদাৰিত্বৰ ৫০ বছৰ সম্পূৰ্ণ হ'ব। দুয়োখন দেশৰ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ দীঘলীয়া আৰু শক্তিশালী ইতিহাস আছে। ফ্ৰান্স হৈছে ভাৰতৰ অন্যতম মূল প্ৰতিৰক্ষা অংশীদাৰ। অসামৰিক পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰতো সহযোগিতা ক্ৰমাগতভাৱে গভীৰ হৈছে। তেওঁৰ শেহতীয়া ভ্ৰমণত বৃহৎ পাৰমাণৱিক শক্তি প্ৰকল্পসমূহত সম্ভাব্য সহযোগিতাৰ লগতে ক্ষুদ্ৰ মডিউলাৰ ৰিয়েক্টৰ আৰু উন্নত

তেওঁ মুম্বাই আৰু দিল্লীত অনুষ্ঠিত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিছিল। বিশ্বৰ দুই প্ৰধান উদ্ভাৱন কেন্দ্ৰ (ভাৰত



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*




## হেলিকপ্টাৰ আৰু জেট ইঞ্জিনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ চুক্তি

ভাৰত আৰু ফ্ৰান্সে ৰাফেল মেৰিন ফাইটাৰ জেট ক্ৰয়ৰ চুক্তিক আদৰণি জনাইছে। উভয় পক্ষ 'মেক ইন ইণ্ডিয়া' পদক্ষেপৰ অধীনত প্ৰতিৰক্ষা বিমান পৰিবহণৰ ক্ষেত্ৰত বিশেষকৈ যুঁজাৰু বিমান আৰু ইয়াৰ ইঞ্জিন নিৰ্মাণৰ বাবে অংশীদাৰিত্বক অধিক গভীৰ কৰিবলৈ সন্মত হয়। ভাৰতীয় বহু-ভূমিকাসম্পন্ন হেলিকপ্টাৰ (IMRH) বিকাশৰ বাবে ছাফৰান আৰু এইচএএল-ৰ মাজত অব্যাহত অংশীদাৰিত্ব সম্পৰ্কেও আলোচনা কৰা হয়। লিপ (LEAP) ইঞ্জিনৰ ৰক্ষণাবেক্ষণ, মেৰামতি আৰু অভাৰহ'ল সুবিধা উদ্বোধন, ৰাফেল বিমানৰ এম-৮৮ ইঞ্জিনৰ বাবে এমআৰঅ' সুবিধা স্থাপন আৰু ভাৰতত হেমাৰ মিছাইল উৎপাদনৰ বাবে ভাৰত ইলেক্ট্ৰনিকছ লিমিটেডৰ সৈতে যৌথ উদ্যোগক দুয়োপক্ষই আদৰণি জনায়। দুয়োগৰাকী নেতাই যৌথভাৱে মেক-ইন-ইণ্ডিয়াৰ ঐতিহাসিক মাইলৰ খুঁটি স্বৰূপ ভাৰতৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ হেলিকপ্টাৰ নিৰ্মাণ সুবিধা এইচ১২৫ ফাইনেল এছেম্বলী লাইন উদ্বোধন কৰে। ইয়াত টাটা এডভান্সড ছিষ্টেমছ আৰু এয়াৰবাছৰ শক্তিক একত্ৰিত কৰা হ'ব। এই সুবিধাই ভাৰতৰ ক্ৰমবৰ্ধমান বজাৰখনক সেৱা আগবঢ়াব আৰু তৃতীয় দেশলৈ ৰপ্তানি প্ৰশস্ত কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ পিনাকা এমবিআৰএল-ৰ প্ৰতি ফ্ৰান্স পক্ষৰ ক্ৰমবৰ্ধমান আগ্ৰহৰ শলাগ লয়।

## প্ৰধানমন্ত্ৰী মোদীক আমন্ত্ৰণ

ৰাষ্ট্ৰপতি মেক্ৰনে ২০২৬-ত ফ্ৰান্সে আয়োজন কৰা জি-৭ সন্মিলনত অংশগ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনায়। একেদৰে এই সন্মিলনৰ পূৰ্বে আলোচনা আৰু প্ৰস্তুতিমূলক কাম-কাজত ভাৰতক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। মূলতঃ বিশ্ব ব্যাপক-অৰ্থনৈতিক ভাৰসাম্যহীনতাৰে মোকাবিলা আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্ব তথা সংহতিৰ বাবে এক নতুন আৰ্হি নিৰ্ধাৰণৰ মূল বিষয়সমূহত ভাৰতৰ সক্ৰিয় অংশগ্ৰহণ কামনা কৰে।

> ফ্ৰান্স হৈছে ভাৰতৰ অন্যতম পুৰণি কৌশলগত অংশীদাৰ আৰু ৰাষ্ট্ৰপতি মেক্ৰ'ৰ সৈতে মিলি আমি এই কৌশলগত অংশীদাৰিত্বক অভূতপূৰ্ব গভীৰতা আৰু শক্তি প্ৰদান কৰিছো। এই বিশ্বাস আৰু উমৈহতীয়া দৃষ্টিভংগীৰ ভিত্তিত আজি আমি আমাৰ সম্পৰ্কক বিশেষ বিশ্বব্যাপী কৌশলগত অংশীদাৰিত্ব হিচাপে প্ৰতিষ্ঠা কৰিছো। এই অংশীদাৰিত্ব কেৱল কৌশলগতই নহয়। আজিৰ অশান্ত যুগত এয়া হৈছে বিশ্বৰ সুস্থিৰতা আৰু বিশ্বৰ প্ৰগতিৰ বাবে এক অংশীদাৰিত্ব।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

আৰু ফ্ৰান্স) একত্ৰিত হৈছে। উদ্ভাৱন আৰু বিশ্বাসৰ উমৈহতীয়া প্ৰমূল্যবোধৰ ওপৰত ভিত্তি কৰি দুয়োখন দেশৰ মাজৰ সম্পৰ্ক গঢ় লৈ উঠিছে। এই দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি দুয়োখন দেশে ২০২৬-ক ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষ হিচাপে উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বছৰটোত ভাৰত আৰু ফ্ৰান্সে উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, চাইবাৰস্পেচ, কৃত্ৰিম বুদ্ধিমত্তা, স্বাস্থ্যসেৱা, বহনক্ষম উন্নয়ন, সংস্কৃতি, ক্ৰিয়েটিভ অৰ্থনীতি, গৱেষণা আৰু শিক্ষা আদি ভিন্ন ক্ষেত্ৰত কেইবাটাও আকৰ্ষণীয় সহযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰিব। এই কাৰ্য্যসূচীসমূহৰ লক্ষ্য হৈছে ষ্টাৰ্টআপ, শৈক্ষিক প্ৰতিষ্ঠান, গৱেষণা সংস্থা আৰু উদ্যোগৰ মাজত বৰ্তমানৰ সহযোগিতাক সমৃদ্ধ কৰাৰ লগতে নতুন সুযোগ সৃষ্টি কৰা।

এক যৌথ বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এটা দশকৰ ভিতৰতে ষ্টাৰ্টআপ ইণ্ডিয়া কাৰ্য্যসূচীৰ ফলত ভাৰত বিশ্বৰ তৃতীয়-সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰত পৰিণত হৈছে। ২০১৪-ত ভাৰতত মাত্ৰ চাৰিটা ইউনিকৰ্ণ আছিল যদিও আজি ১২০ৰো অধিক ইউনিকৰ্ণ আছে। ইয়াৰ মুঠ মূল্য ৩৫০ বিলিয়ন ডলাৰৰো অধিক। আজি বিশ্বৰ প্ৰায় প্ৰতিটো বৃহৎ প্ৰযুক্তি কোম্পানী ভাৰতীয় ষ্টাৰ্টআপ আৰু উদ্ভাৱনৰ সৈতে কোনোবা নহয় কোনোবা প্ৰকাৰে জড়িত হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতৰ গতি আৰু পৰিসৰ ফ্ৰান্সৰ শক্তিৰ সৈতে মিলি যোৱা মাত্ৰকে বিশ্বৰ বাবে নতুন পথ মুকলি হয়। আজি দুয়োখন দেশৰ প্ৰতিভাশালী যুৱ সমাজ একত্ৰিত হৈছে। উভয় ৰাষ্ট্ৰই পৰস্পৰে পৰস্পৰৰ প্ৰতিভাক মুকলি হৃদয়েৰে আদৰি লৈছে। ২০৩০-ৰ ভিতৰত ফ্ৰান্সে ৩০ হাজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰীক আতিথ্য প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।



# কৌশলৰ পৰা উদ্ভাৱনলৈ ভাৰত-ইজৰাইলৰ সম্পৰ্কৰ সম্প্ৰসাৰণ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইজৰাইল ভ্ৰমণ কাৰ্য্য ভাৰতৰ বৈদেশিক নীতিৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হয়। এই ভ্ৰমণে স্পষ্ট কৰি দিলে যে ভাৰত স্বাধীন আৰু সুষম কূটনীতি গ্ৰহণ কৰি আৰু ৰাষ্ট্ৰীয় স্বাৰ্থক অগ্ৰাধিকাৰ দি বিশ্ব অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। প্ৰতিৰক্ষা, কৃষি, জল ব্যৱস্থাপনা, উদ্ভাৱন আৰু প্ৰযুক্তিৰ দৰে ক্ষেত্ৰত সহযোগিতাই নতুন গতি লাভ কৰিছে। একেদৰে ভাৰত-ইজৰাইলৰ সম্পৰ্কই কৌশলগত অংশীদাৰিত্বৰ এক নতুন যুগত প্ৰৱেশ কৰিছে...

ভাৰত চৰকাৰে ১৯৫০-ত ইজৰাইলক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে যদিও দুয়োখন দেশৰ মাজৰ সম্পৰ্ক দুহাজাৰ বছৰৰো অধিক পুৰণি। বুক অৱ ইষ্টেৰত ভাৰতক 'হোডু' (Hodu) বুলি উল্লেখ কৰা হৈছে। একেদৰে তালমুদতো প্ৰাচীন কালত ভাৰতৰ সৈতে বাণিজ্যৰ কথা লিপিবদ্ধ হৈ আছে। এতিয়া বিগত দশকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-ইজৰাইলৰ সম্পৰ্কক নতুন শিখৰলৈ নিছে। প্ৰধানমন্ত্ৰী মোদীৰ ইজৰাইল ভ্ৰমণে -২০০৬ ত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে, ২০১৭ ত প্ৰধানমন্ত্ৰী হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে আৰু এতিয়া পুনৰ ২০২৬-ৰ ২৫-২৬ ফেব্ৰুৱাৰীত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক নতুন শিখৰত উপনীত কৰিছে। ৯ বছৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইজৰাইল ভ্ৰমণ

> "
> ভাৰতৰ নিৰাপত্তা স্বাৰ্থ পশ্চিম এছিয়াৰ শান্তি আৰু সুস্থিৰতাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। সেয়েহে আমি আৰম্ভণিৰে পৰাই আলোচনা আৰু শান্তিপূৰ্ণ সংকল্প গ্ৰহণক সমৰ্থন কৰি আহিছো। এয়াই হৈছে গ্ল'বেল ছাউথ আৰু সামগ্ৰিকভাৱে মানৱ জাতিৰ আহ্বান।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## মূল ঘোষণাসমূহ

- কৌশলগত অংশীদাৰিত্বক নতুন স্তৰলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ
- বিজ্ঞান আৰু প্ৰযুক্তিৰ যুটীয়া কমিটিক (JCM) মন্ত্ৰী পৰ্য্যায়লৈ উন্নীতকৰণ
- ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাসকলৰ নেতৃত্বত জটিল আৰু উদীয়মান প্ৰযুক্তিত সহযোগিতাৰ বাবে পদক্ষেপ
- বিত্তীয় আলোচনা
- টেক-গেটৱে' পদক্ষেপ
- কৃষি গৱেষণাৰ ২০টা যৌথ ফেল'শ্বিপ
- যৌথ গৱেষণাৰ বাবে দুয়োপক্ষৰ বৰঙনি বৃদ্ধি
- অহা ৫ বছৰত ৫০,০০০ পৰ্য্যন্ত ভাৰতীয় শ্ৰমিক কোটা
- ভাৰত-ইজৰাইল শৈক্ষিক সহযোগিতা ফৰাম
- ভাৰত-ইজৰাইল সংসদীয় বন্ধুত্ব গোট



## বুজাবুজিৰ চুক্তি আৰু চুক্তি

- ভূ-জৰীপ আৰু অন্বেষণৰ ক্ষেত্ৰত সহযোগিতা
- ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ স্থাপনৰ বাবে সহযোগিতা
- ২০২৬-২০২৯ত সাংস্কৃতিক বিনিময় কাৰ্য্যসূচী
- ইউপিআই ৰূপায়ণৰ ক্ষেত্ৰত এনপিচিআই ইণ্টাৰনেচনেল আৰু এমএএছএভি-ৰ মাজত চুক্তি
- কৃষিৰ ক্ষেত্ৰত ভাৰত-ইজৰাইল উদ্ভাৱন কেন্দ্ৰ স্থাপনৰ চুক্তি
- হৰাইজন স্কেনিঙৰ ক্ষেত্ৰত সহযোগিতা
- মীন আৰু জলজ কৃষি
- আন্তঃৰাষ্ট্ৰীয় বিত্তীয় সেৱা কেন্দ্ৰ কৰ্তৃপক্ষ আৰু ইজৰাইল নিৰাপত্তা কৰ্তৃপক্ষৰ মাজত সহযোগিতা
- বাণিজ্য আৰু সেৱা খণ্ডত লেবাৰ ম'বিলিটি ৰূপায়ণৰ প্ৰট'কল
- উৎপাদন খণ্ডত লেবাৰ ম'বিলিটি ৰূপায়ণৰ প্ৰট'কল
- ৰেষ্টুৰেণ্ট খণ্ডত লেবাৰ ম'বিলিটি ৰূপায়ণৰ প্ৰট'কল
- কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সহযোগিতা
- ইজৰাইলী ইনষ্টিটিউট অৱ কমাৰ্চিয়েল আৰ্বিট্ৰেচন আৰু ইণ্ডিয়ান কাউন্সিল অৱ আৰ্বিট্ৰেচনৰ মাজত সহযোগিতা
- চতুৰ্থ ভাৰত-ইজৰাইল চিইঅ' ফৰামৰ প্ৰতিবেদন উপস্থাপন
- নালন্দা বিশ্ববিদ্যালয় আৰু হিব্ৰু ইউনিভাৰ্চিটি অৱ জেৰুজালেমৰ মাজত চুক্তি
- ভাৰতত ইণ্ডিয়া-ইজৰাইল চাইবাৰ চেণ্টাৰ অৱ এক্সেলেন্স স্থাপন
- কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সহযোগিতাৰ চুক্তি

কৰা প্ৰথমজন ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হৈছিল। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইজৰাইলৰ নেচেটক সম্বোধন কৰা প্ৰথমজন ভাৰতীয় প্ৰধানমন্ত্ৰীও হৈ পৰে। প্ৰধানমন্ত্ৰী মোদী আৰু ভাৰতলৈ সন্মানাৰ্থে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাৰ ৰঙেৰে আলোকিত কৰা হৈছিল নেচেটক। নেচেটত প্ৰধানমন্ত্ৰী মোদীৰ এটি বক্তব্যই তেওঁৰ ভাষণক বিশেষ কৰি তুলিছিল। তেওঁ কৈছিল, "মোৰ জন্ম হৈছিল ১৯৫০-ৰ ১৭ ছেপ্টেম্বৰত, যিদিনা ভাৰতে ইজৰাইলক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছিল।" প্ৰধানমন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি কয়, "ভাৰতে আপোনাসৱৰ মৰ্মবেদনা উপলব্ধি কৰিছে আৰু আপোনালোকৰ দুখৰ সমভাগী হৈছে।" ভাৰতে এই মুহূৰ্তত আৰু ইয়াৰ বাহিৰতো দৃঢ়ভাৱে, সম্পূৰ্ণ বিশ্বাসেৰে ইজৰাইলৰ সৈতে থিয় দিছে। কোনো কাৰণেই সাধাৰণ নাগৰিকক হত্যা কৰাৰ ঘটনাক মানি ল'ব নোৱাৰি। সন্ত্ৰাসবাদক একোৱেই ন্যায্যতা প্ৰদান কৰিব নোৱাৰে। ভাৰতেও দীৰ্ঘদিন ধৰি সন্ত্ৰাসবাদৰ যন্ত্ৰণা সহ্য কৰি আহিছে। আমি ২৬/১১-ৰ মুম্বাই আক্ৰমণ আৰু ইয়াত ইজৰাইলৰ নাগৰিককে প্ৰমুখ্য কৰি নিৰীহ লোকৰ প্ৰাণহানিৰ কথা স্মৰণ কৰিছো। আপোনালোকৰ দৰেই আমাৰো সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য

## টেক প্ৰদৰ্শনী পৰিদৰ্শন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিন্ন ক্ষেত্ৰত ইজৰাইলৰ উদ্ভাৱনৰাজি থুপাই-প্ৰদৰ্শন কৰা এখনি প্ৰদৰ্শনী পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনীত কৃষি প্ৰযুক্তি, জল প্ৰযুক্তি, জলবায়ু প্ৰযুক্তি, স্বাস্থ্য জৈৱ প্ৰযুক্তি, স্মাৰ্ট ম'বিলিটি, কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা আৰু কোৱাণ্টাম প্ৰযুক্তিৰ বিশেষজ্ঞ অগ্ৰণী কোম্পানী আৰু গৱেষণা প্ৰতিষ্ঠানসমূহে অংশগ্ৰহণ কৰে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউআৰ ক'ড স্কেন কৰক।*





## "স্পীকাৰ অৱ দ্য নেচেট মেডেলে"ৰে সন্মানিত

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক "স্পীকাৰ অৱ দ্য নেচেট" পদক প্ৰদান কৰা হয়। ইজৰাইলৰ সংসদ নেচেটে ভাৰত-ইজৰাইলৰ কৌশলগত সম্পৰ্কক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়ায়। প্ৰধানমন্ত্ৰী মোদী এই সন্মান লাভ কৰা প্ৰথমজন ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হয়। এই পদকক নেচেটৰ সৰ্বোচ্চ সন্মান বুলি গণ্য কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মান ১৪০ কোটি ভাৰতীয় আৰু ভাৰত-ইজৰাইলৰ বন্ধুত্বৰ প্ৰতি উৎসৰ্গা কৰে।

## যৌথ বিবৃতিৰ মুখ্য বিষয়সমূহ

প্ৰধানমন্ত্ৰী মোদীৰ ইজৰাইল ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ মাজত হোৱা বৈঠকৰ পিছত প্ৰকাশিত এই যৌথ বিবৃতি অনুসৰি আলোচনাৰ মূল বিষয়সমূহ আছিলঃ শান্তি, উদ্ভাৱন আৰু সমৃদ্ধিৰ বাবে বিশেষ কৌশলগত অংশীদাৰিত্ব; ভৱিষ্যতৰ বাবে একেলগে; প্ৰতিৰক্ষা আৰু নিৰাপত্তা; প্ৰযুক্তি আৰু উদ্ভাৱন; চাইবাৰ সুৰক্ষা; বাণিজ্য, বিনিয়োগ আৰু সংযোগ; কৃষি, পানী আৰু পৰিৱেশ সুৰক্ষা; সন্ত্ৰাসবাদৰ বিৰোধ; শান্তিৰ প্ৰসাৰ; সংসদীয় সহযোগিতা; জনসাধাৰণৰ মাজৰ সহযোগিতা তথা স্বাস্থ্য আৰু শিক্ষা - ভৱিষ্যতক সুৰক্ষিতকৰণ।

সহনশীলতাৰ এক সামঞ্জস্যপূৰ্ণ আৰু আপোচবিহীন নীতি আছে, যাক লৈ কোনো ডাবল ষ্টেণ্ডাৰ্ড নাই। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে সমৰ্থন কৰা গাজা শান্তি পদক্ষেপে এটা পথ আগবঢ়াইছে। ভাৰতে এই পদক্ষেপৰ প্ৰতি দৃঢ় সমৰ্থন প্ৰকাশ কৰিছে। আমি ইয়াত পেলেষ্টাইন প্ৰসংগটোক সম্বোধন কৰি অঞ্চলটোৰ সকলো জনসাধাৰণৰ বাবে ন্যায্য আৰু স্থায়ী শান্তিৰ প্ৰতিশ্ৰুতি আছে বুলি বিশ্বাস কৰো।

### দ্বিপাক্ষিক বাণিজ্য বহুগুণে বৃদ্ধি

শেহতীয়া বছৰকেইটাত ভাৰত আৰু ইজৰাইলৰ মাজৰ দ্বিপাক্ষিক সামগ্ৰীৰ বাণিজ্য দ্ৰুতগতিত বৃদ্ধি পাইছে। এনে প্ৰেক্ষাপটতে দুয়োখন দেশৰ টীমসমূহে এক অভিলাষী মুক্ত বাণিজ্য চুক্তিৰ অৰ্থে বিস্তৃত কাম-কাজ অব্যাহত ৰাখিছে। ইজৰাইলে ভাৰত-পশ্চিম এছিয়া-ইউৰোপ অৰ্থনৈতিক কৰিডৰ তথা ভাৰত, ইজৰাইল, ইউএই আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত আইটুইউটু (I2U2) কাঠামোকে প্ৰমুখ্য কৰি ভিন্ন কাঠামোৰ অধীনতো ঘনিষ্ঠভাৱে কাম কৰিব। সুচল জলসিঞ্চন আৰু জল ব্যৱস্থাপনাৰ ক্ষেত্ৰত ইজৰাইলৰ বিশেষজ্ঞতাই ভাৰতৰ কৃষি পদ্ধতিৰ ৰূপান্তৰ ঘটাইছে। ভাৰতত ৫ লাখৰো অধিক কৃষকক প্ৰশিক্ষণ প্ৰদানেৰে ৪৩টা চেণ্টাৰ অৱ এক্সেলেন্স স্থাপন কৰিছে। এই কেন্দ্ৰসমূহ ১০০ টালৈ সম্প্ৰসাৰণ কৰি লাখ লাখ কৃষক আৰু মাছমৰীয়াক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

শ্বহীদ দিৱসঃ ২৩ মাৰ্চ



ভগৎ সিং, সুখদেৱ আৰু ৰাজগুৰুক কৃতজ্ঞ ৰাষ্ট্ৰৰ প্ৰণাম

# সাহসৰ প্ৰতিভূ ঃ ৰাষ্ট্ৰীয় স্বাৰ্থ সৰ্বোচ্চ

মা ভাৰতীৰ বাবে পৰম বলিদান দিয়া শ্বহীদ ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱে নিজৰ জীৱনেৰে দেশপ্ৰেমতকৈ সৰ্বোচ্চ কৰ্তব্য নাই বুলি প্ৰতিপন্ন কৰিছিল। এই তিনিগৰাকী সাহসী স্বাধীনতা সংগ্ৰামীক ব্ৰিটিছে ১৯৩১ৰ ২৩ মাৰ্চত ফাঁচী দিছিল। বীৰ কেইগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যেৰে প্ৰতি বছৰে ২৩ মাৰ্চৰ দিনটো শ্বহীদ দিৱস হিচাপে পালন কৰা হয়। নিজৰ বীৰত্ব আৰু শক্তিশালী চিন্তা-চেতনাৰে যুৱক-যুৱতীসকলৰ মাজত দেশপ্ৰেমৰ মনোভাৱ জগাই তোলা আৰু ৰাষ্ট্ৰজোৰা স্বাধীনতা আন্দোলনৰ অগনি জ্বলোৱা ভগৎ সিং, সুখদেৱ আৰু ৰাজগুৰুৰ ত্যাগৰ গাথাই দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব...

> **ৰাষ্ট্ৰই ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱক তেওঁলোকৰ পৰম বলিদানৰ বাবে প্ৰণাম জনাইছে। তেওঁলোকৰ নিৰ্ভীক স্বাধীনতা আৰু ন্যায়ৰ লক্ষ্যই আমাক সকলোকে অনুপ্ৰাণিত কৰি আহিছে।**
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



নিউ ইণ্ডিয়া
সমাচাৰ
পযেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১৬-৩১ মাৰ্চ, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date: 6 March, 2026, Pages-52)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHED:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of
Communication, 2nd Floor, Soochna
Bhawan, New Delhi -110003